● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com

# দৈনিক অগ্ৰদূত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২১৩তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৩০ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১৪ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 14 May 2022 মূল্য ঃ ৯.০০ টকা

সত্যমেৱ জয়তে
অসম চৰকাৰ

জনতাৰ চৰকাৰ | my GOV মেৰী সরকার

## প্ৰতিশ্ৰুতি পূৰণৰ দিশত আৰু এখোজ

## অসম চৰকাৰৰ ১১টা বিভাগৰ ২২,৯৫৮টা পদৰ বাবে নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠান

মাননীয় মুখ্যমন্ত্ৰী
ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্বাৰা বিতৰণ

সন্মানীয় উপস্থিতি
বিভাগসমূহৰ ভাৰপ্ৰাপ্ত মন্ত্ৰীসকল

### গৃহ
- প্লাটুন কমাণ্ডাৰ – ৪০
- উপ-পৰিদৰ্শক – ৭৩
- কনিষ্টবল (AB/UB/APRO/F&ES) – ৮,৭৫৪

মুঠ – ৮,৮৬৭

### শিক্ষা

#### প্ৰাথমিক শিক্ষা
- নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক – ৫,৬৩৯
- উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক – ১,৭৮৩

মুঠ – ৭,৪২২

#### মাধ্যমিক শিক্ষা
- স্নাতকোত্তৰ শিক্ষক – ১,২৯৬
- স্নাতক শিক্ষক – ২,২২১

মুঠ – ৩,৫১৭

#### উচ্চ শিক্ষা
- সহকাৰী অধ্যাপক – ১২৩
- গ্ৰন্থাগাৰিক – ১

মুঠ – ১২৪

### জনস্বাস্থ্য কাৰিকৰী
- সহকাৰী অভিযন্তা – ৬৬
- কনিষ্ঠ অভিযন্তা – ২৬৪

মুঠ – ৩৩০

### জল সম্পদ
কনিষ্ঠ অভিযন্তা – ১০৫

### সমাজ কল্যাণ
শিশু বিকাশ প্ৰকল্প বিষয়া – ৬৯

### স্বাস্থ্য
- চিকিৎসা শিক্ষা সঞ্চালকালয় – ১৪৫
- স্বাস্থ্য সেৱা সঞ্চালকালয় – ১০০৫
- স্বাস্থ্য সেৱা সঞ্চালকালয় (পৰিয়াল কল্যাণ) – ৪৯
- অটল অমৃত অভিযান – ৪২৯
- ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান – ৭৯১

মুঠ – ২,৪১৯

### কৃষি
- কনিষ্ঠ সহায়ক (জিলা) – ২৬
- কৃষি সম্প্ৰসাৰণ সহায়ক – ২২
- ক্ষেত্ৰ সহায়ক (চি আই এছ) – ৭

মুঠ – ৫৫

### পৰিৱেশ আৰু বন
- বন বিষয়া – ৭
- বনৰক্ষী – ৭
- কনিষ্টবল – ৯


মুঠ – ২৩

### লোক নিৰ্মাণ (পথ)
কনিষ্ঠ সহায়ক – ৮

### খনি আৰু খনিজ পদাৰ্থ
- কনিষ্ঠ সহায়ক – ১
- পিয়ন – ১

মুঠ – ২

### শ্ৰমিক কল্যাণ
বীমা চিকিৎসা বিষয়া – ১৭



ইতিমধ্যে হৈ যোৱা নিয়মীয়া নিযুক্তি
(১০ মে' ২০২১ৰ পৰা বৰ্তমানলৈ)
**৪,৭৭৯**



স্থান ঃ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰ, খানাপাৰা
তাৰিখ ঃ ১৪ মে' ২০২২
সময় ঃ দিনৰ ১১-৩০ বজা

**নিযুক্তি প্ৰাপ্তসকল পুৱা ১০ বজাৰ ভিতৰত অনুষ্ঠানস্থলীত উপস্থিত হ'ব লাগিব**
সকলোৱে এডমিট কাৰ্ড/বাছনিৰ তালিকা অথবা অন্যান্য যিকোনো বৈধ নথি-পত্ৰ লগত অনাটো বাধ্যতামূলক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়,অসমৰ দ্বাৰা প্ৰচাৰিত
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ ত Assam লিখি হোৱাটছএপ কৰক

জনসংযোগ/ডি/৩৩৪৩/২২

● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩
www.dainikagradoot.in

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

এটা ক্ষুধাতুৰ পেট, এখন খালী জেপ আৰু এখন ভগ্ন হৃদয়ে আপোনাক জীৱনৰ আটাইতকৈ ভাল শিক্ষা দিব পাৰে।

উইল স্মিথ
*হলিউদৰ অভিনেতা*



৭ নিষেধাজ্ঞাই ৰাছিয়াতকৈ ইউৰোপক অধিক ক্ষতিগ্ৰস্ত কৰিব
১৫ মহিলা বিশ্ব বক্সিঙৰ পৰা বিদায় লাভলীনাৰ
৪ নাগৰিকৰ সাংবিধানিক দায়বদ্ধতা মৌলিক কৰ্তব্য বনাম মৌলিক অধিকাৰৰ প্ৰসংগত



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২১৩তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৩০ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১৪ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 14 May 2022 মূল্য ঃ ৯.০০ টকা

■ শান্তি স্থাপনৰ দাবীৰ বিপৰীতে পুনৰ সক্ৰিয় হৈছে কে'বাটাও সংগঠন ■ আলফা স্বাধীনলৈও সোঁত বৈছে যুৱক-যুৱতীৰ ■ বহিঃৰাজ্যত কাম কৰিবলৈ বুলি ওলাই গৈ ম'ৰে-মন হৈ প্ৰৱেশ

# ৰাজ্যত নতুন সশস্ত্ৰ সংগঠনৰ ভুমুকি





*গুৱাহাটী পৌৰ নিগমৰ পাৰিষদবৰ্গৰ শপতগ্ৰহণৰ দিনাই কৃত্ৰিম বানত বুৰ গ'ল মহানগৰ, শুকুৰবাৰে।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ মে' ঃ** বহু যুৱক-যুৱতীয়ে শেহতীয়াকৈ নিষিদ্ধ ঘোষিত আলফা (স্বাধীন)ত যোগদান কৰাৰ বিষয়টোৱে ব্যাপক চৰ্চা লাভ কৰাৰ সময়তে ৰাজ্যত নতুনকৈ এটা উগ্ৰপন্থী সংগঠনে ভুমুকি মৰাৰ তথ্য লাভ কৰিছে অসম আৰক্ষী-চোৰাংচোৱাই। ডিমা হাছাও জিলাৰ একাংশ যুৱকে পুনৰ অস্ত্ৰ হাতত লৈ 'ইউনাইটেড ছ'চিয়েলিষ্ট ফন্ট অফ ডিমাচা আৰ্মী' (ইউ এছ এফ ডি এ) নামৰ এটি নতুন উগ্ৰপন্থী সংগঠনৰ জন্ম দিছে বুলি অসম আৰক্ষীৰ এক শীৰ্ষ সূত্ৰই সদৰী কৰে। উল্লেখ্য যে পাঁচ দশকজোৰা উত্থান-পতনৰ পাছত শেহতীয়াকৈ আলফা (স্বা)ৰ প্ৰতি ৰাজ্যৰ একাংশ যুৱক-যুৱতী কিয় আকৃষ্ট হৈছে এই প্ৰসংগত আৰক্ষীৰ শীৰ্ষ সূত্ৰই কেৱল আলফা (স্বা)ই নহয়, আন কে'বাটাও উগ্ৰপন্থী সংগঠনে সদস্যভৰ্তি অব্যাহত ৰাখিছে বুলি সদৰী কৰি কয় যে আলফা (স্বা)ৰ সমান্তৰালভাৱে কমতাপুৰ লিবাৰেচন অৰ্গেনাইজেচন (কেএলঅ')এ সদস্যভৰ্তি অভিযান অব্যাহত ৰাখিছে। ইয়াৰ উপৰি ডিমা হাছাও জিলাত একাংশ যুৱকে 'ইউ এছ এফ ডি এ' নামৰ এটা সংগঠন গঠন কৰি কাম-কাজ অব্যাহত ৰাখিছে। বিটিআৰতো একাংশ যুৱকে পুনৰ সশস্ত্ৰ পন্থা বাচি লোৱাৰ প্ৰক্ৰিয়া অব্যাহত ৰখাৰ তথ্য চোৰাংচোৱাই লাভ কৰিছে বুলি সূত্ৰটোৱে কয়। ইফালে, ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালভাৱে তিনিচুকীয়া জিলাৰ পৰাই শেহতীয়াকৈ ১০ পৃষ্ঠাত চাওক

## বিহু সন্মিলনত হেংদাং লৈ উদণ্ড যুৱকৰ তাণ্ডৱ সোণাৰিত

**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ১৩ মে' ঃ** সোণাৰি ৰাজহুৱা বিহু সন্মিলনৰ সাংস্কৃতিক অনুষ্ঠানত এজন যুৱকে হাতত হেংদাং লৈ নিৰাপত্তা বাহিনীৰ জোৱানক আক্ৰমণ কৰাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি ১০ পৃষ্ঠাত চাওক

## শোধনাগাৰত দুদিন ধৰি অহৰহ গেছ নিৰ্গত ডিগবৈত


**ডিগবৈ, ১৩ মে' ঃ** ঐতিহাসিক ডিগবৈ শোধনাগাৰত কালি সন্ধিয়াৰ পৰা এটা প্লাণ্টত গেছ নিৰ্গত হৈ থকাৰ বাতৰি বিয়পি পৰাৰ লগে লগেই চহৰখনত তীব্ৰ আতংকৰ সৃষ্টি হয়। ডিগবৈ শোধনাগাৰৰ নিউ পাম্প হাউছৰ কাষতে থকা গেছ পৰিবাহী পাইপত ১০ পৃষ্ঠাত চাওক

## গোলাঘাটত পূজাৰ প্ৰসাদ খাই বিষক্ৰিয়াত আক্ৰান্ত ৬০

**বিশেষ সংবাদদাতা**
**গোলাঘাট, ১৩ মে' ঃ** গোলাঘাটৰ পূজাস্থলীত অঘটন। মাহ-প্ৰসাদ খাই পাঁচ শিশুসহ ৬০ জন লোক আজি বিষক্ৰিয়াত আক্ৰান্ত হোৱাত আতংকৰ সৃষ্টি হৈছে অঞ্চলটোত। ঘটনাটো গোলাঘাটৰ ছয় নম্বৰ ৱাৰ্ডৰ যোগেশ্বৰ ১০ পৃষ্ঠাত চাওক

আৰক্ষীৰ এছআই নিযুক্তি কেলেংকাৰিত অভিযুক্ত ২৭ জনৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপ বিশেষ আদালতৰ ■ ১৪ জনক দোষমুক্ত

## ৪০ লাখৰ বিনিময়ত প্ৰশ্নকাকত ফাদিল কৰিছিল সঞ্জিত কৃষ্ণই







**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ মে' ঃ** অসম আৰক্ষীৰ ৫৯৭টা উপ-পৰিদৰ্শক (এছআই) পদ পূৰণৰ লিখিত পৰীক্ষাত বিগত ২০২০ত সংঘটিত বিয়াগোম কেলেংকাৰিত অভিযুক্ত ২৭ জনৰ বিৰুদ্ধে আজি ৰাজ্যৰ বিশেষ ন্যায়াধীশৰ আদালতে বিচাৰৰ ধাৰা আৰোপ কৰে। এই কেলেংকাৰিত জড়িত থকা বুলি ৪১ জন লোকক অভিযুক্ত কৰা হৈছিল। লক্ষ্যণীয়ভাৱে তাৰে ১৪ জনক আজি দোষমুক্ত ঘোষণা কৰা হয়। এই সন্দৰ্ভত আদালতৰ ৰায়ত উল্লেখ কৰা হৈছে যে সংশ্লিষ্ট অভিযুক্তসকলক অভিযুক্ত কৰিব পৰাকৈ পৰ্যাপ্ত ভিত্তি নাই। ইয়াৰ বিপৰীতে অৱসৰপ্ৰাপ্ত ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া তথা উক্ত কেলেংকাৰিৰ অন্যতম কাণ্ডাৰীৰূপে চিনাক্ত হোৱা প্ৰশান্ত কুমাৰ দত্তৰ বিৰুদ্ধে দুৰ্নীতি প্ৰতিৰোধী ১০ পৃষ্ঠাত চাওক

■ মহানগৰীত গে'টৱে ফেৰী টাৰ্মিনেল প্ৰকল্পৰ আধাৰশিলা স্থাপন ■ ৰাইজৰ সেৱাত উচৰ্গা দুখন কেটামাৰন জাহাজ ■ খানাপাৰা-বিমানকোঠ সংযোগী 'ৰোপৱে' নিৰ্মাণৰ জৰীপ সম্পন্ন

## বিকাশৰ ক্ষেত্ৰত আকাশ চুবৰ মন ঃ ড° শৰ্মা

■ ৰাজ্যৰ ২০ খন নদী ঘাটত নিৰ্মাণ হ'ব 'মডিউলাৰ' টাৰ্মিনেল ঃ ঘোষণা মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ মে' ঃ** ৰাজধানী মহানগৰীৰ ফাঁচী বজাৰৰ সমীপৰ আভ্যন্তৰীণ জল পৰিবহণ ঘাটত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২৮৯ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া গুৱাহাটী গে'টৱে ফেৰী টাৰ্মিনেল প্ৰকল্প নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে। সমান্তৰালভাৱে একেটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই অত্যাধুনিক সা-সুবিধাৰে সজ্জিত দুখনকৈ তীখাৰে নিৰ্মিত তথা এশগৰাকী যাত্ৰী আৰু ৫০ খন মটৰ চাইকেল কঢ়িয়াব পৰা কেটামাৰন জাহাজৰ যাত্ৰা আৰম্ভ কৰি ৰাইজৰ সেৱাত উছৰ্গা কৰে। লগতে পৰিবহণ বিভাগৰ আন ১২ টা আধাৰ ভিত্তিক অনলাইন সেৱা ৰাইজৰ বাবে উছৰ্গা কৰাৰ লগতে প্ৰতিটো বিধানসভা সমষ্টিৰ ৫০ জন হিতাধিকাৰীক চালকৰ অনুজ্ঞাপত্ৰ বিতৰণ কৰা হয়। আজিৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ১০ পৃষ্ঠাত চাওক

■ দ্বিতীয় দিনাও ডলু চাহ বাগিচাত উচ্ছেদ অভিযান ■ নীৰৱে চকুলো টুকি শ্ৰমিকে চাই ৰৈছে ধ্বংসলীলাৰ দৃশ্য ■ পানী যোগান বন্ধৰ লগতে ছাত্ৰ-ছাত্ৰীক বিদ্যালয়লৈ যোৱাত বাধা

## এফালৰ পৰা ধ্বংস কৰিছে লক্ষ লক্ষ চাহ গছ



■ দুখ-দুৰ্দশাৰ দিনত কাষত নাই কোনো মন্ত্ৰী-বিধায়ক ■ উচ্ছেদ অভিযানৰ নামত অপৰাধীৰ দৰে আচৰণ কৰিছে ঃ ক্ষুব্ধ শ্ৰমিক

**বিশেষ সংবাদদাতা**
**শিলচৰ, ১৩ মে' ঃ** কাছাৰ জিলাৰ ডলু চাহ বাগিচাত আজি দ্বিতীয় দিনাও প্ৰশাসনৰ উচ্ছেদ অভিযান অব্যাহত থাকে। গ্ৰীণ ফিল্ড বিমানকোঠ নিৰ্মাণৰ বাবে কালিৰ দৰে আজিও পুৱতি নিশাৰ পৰা আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী লৈ প্ৰশাসনে এই অভিযান চলায়। দুশখনৰো অধিক এক্সকেভেটৰ আৰু পাঁচ শতাধিক শ্ৰমিকক লৈ চলোৱা অভিযানত আজি বাগিচাখনৰ শ্ৰমিকসকলে নীৰৱে চকুলো টুকি মাথোঁ চাই ৰয় মৰমৰ চাহ বাগিচাখনৰ ধ্বংস কাৰ্য। কালি বাগিচাৰ শ্ৰমিকসকলে ওলাই আহি এই উচ্ছেদ অভিযানৰ বিৰোধিতা কৰি প্ৰতিবাদত লিপ্ত হৈছিল। ইয়াকে কেন্দ্ৰ কৰি উত্তেজনাময় পৰিস্থিতিৰো সৃষ্টি হৈছিল অঞ্চলটোত। আনকি লাঠিচালনাৰ ঘটনাও সংঘটিত হৈছিল। শ্ৰমিকসকলে সমবেত হ'ব নোৱাৰাকৈ অঞ্চলটোত প্ৰশাসনে ১৪৪ ধাৰা জাৰি কৰিছিল। অঞ্চলটোত বিৰাজ কৰা চেপা উত্তেজনাৰ মাজতে আজি দ্বিতীয় দিনাও পুৱতি নিশাৰে পৰা চলোৱা অভিযান মাথোঁ নীৰৱে চাই ৰয় শ্ৰমিকসকলে। আনহাতে, কালি ১০ পৃষ্ঠাত চাওক

## ৬০ লাখ টকা আত্মসাতৰ গোচৰত গ্ৰেপ্তাৰ বিডিঅ'ক



**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ/তামাৰহাট ১৩ মে'ঃ** বাগ্‌সা জিলা কোষাগাৰ বিষয়াৰ এজাহাৰৰ ভিত্তিত আজি মুছলপুৰ আৰক্ষীয়ে ধুবুৰী জিলাৰ তামাৰহাটৰ হাতীধুৰা খণ্ডৰ উন্নয়ন বিষয়া (বিডিঅ') ভূপেন দাসক ধন আত্মসাতৰ ১০ পৃষ্ঠাত চাওক

■ কমেও ১২খন এক্সকাভেটৰৰে ৫০টাৰো অধিক ঘৰ ধ্বংস

## পট্টা প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়া পাৰিষদে শপত লৈ থকাৰ সময়তে চলিল উচ্ছেদ

মূষলধাৰ বৰষুণৰ মাজত চলা উচ্ছেদত আলৈ-আথানিত বহু পৰিয়াল



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ মে' ঃ** বিভিন্ন আন্তঃগাঁথনিৰে গুৱাহাটীক চিকমিকাই তুলিব বিচৰাৰ বিপৰীতে আজি হোৱা বৰষুণত মহানগৰীৰ বহু অঞ্চল নিমিষতে একঁকাল পৰ্যন্ত কৃত্ৰিম বানত বুৰ যায়। পুৱাৰ পৰা নিশা পৰ্যন্ত এই দুৰৱস্থাত মহানগৰৰ বহু অঞ্চলৰ ৰাইজ ১১ পৃষ্ঠাত চাওক

## মহানগৰীত ডিঙি ৰেপি আত্মহত্যা কাৰ্যবাহী অভিযন্তাৰ

কামৰ অত্যধিক বোজা ঃ অভিযোগ পৰিয়ালৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ মে' ঃ** কামৰ অত্যধিক বোজাৰ ভৰ সহিব নোৱাৰি ৰাজধানী মহানগৰীত এজন কাৰ্যবাহী অভিযন্তাই আত্মহত্যাৰ দৰে চৰম পথ বাছি লোৱা ১০ পৃষ্ঠাত চাওক

■ প্ৰমাণস্বৰূপে প্ৰতিবেদনৰ লগত আলোকচিত্ৰও দাখিলৰ নিৰ্দেশ চৰকাৰক ঃ নিৰ্দেশক লৈ অসন্তুষ্টি

## উপায়ুক্তক অতিৰিক্ত দায়িত্ব, ৩০ শতাংশ সময় ক্ষেত্ৰ পৰ্যবেক্ষণত ব্যয়ৰ নিৰ্দেশ

■ বিদ্যালয়ত পাঠদান কৰিব লাগিব ■ চিকিৎসালয়ত ৰোগীৰ মনৰ বুজ ল'ব লাগিব ■ শিক্ষা-চিকিৎসা-আৰক্ষী থানাত অগ্ৰাধিকাৰ দিয়াৰ নিৰ্দেশ চৰকাৰৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ মে' ঃ** ৰাজ্য চৰকাৰৰ প্ৰথম বৰ্ষপূৰ্তিৰ লগত সংগতি ৰাখি জিলাসমূহৰ উপায়ুক্তসকলক অৰ্পণ কৰা হৈছে অতিৰিক্ত দায়িত্ব। এতিয়াৰ পৰা উপায়ুক্তসকলে বাতানুকূল কোঠাৰ পৰা ওলাই কৰ্মদিনৰ এটা উল্লেখযোগ্য অংশ ক্ষেত্ৰভিত্তিক পৰিদৰ্শনত অতিবাহিত কৰিব লাগিব। ইয়াৰ প্ৰমাণস্বৰূপে প্ৰতিমাহে প্ৰতিবেদনৰ লগত আলোকচিত্ৰও চৰকাৰক দাখিল কৰিব লাগিব। দিছপুৰৰ সূত্ৰই সদৰী কৰা অনুসৰি, উপায়ুক্তসকলক অতিৰিক্ত দায়িত্ব অৰ্পণৰ পৰামৰ্শ শেহতীয়াকৈ ১০ পৃষ্ঠাত চাওক

## ৰূপহীহাট-চামগুৰিত জব্দ ৭৪টা চোৰাং গৰু, আটক ছয়-বাহন

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/ৰূপহীহাট/চামগুৰি, ১৩ মে' ঃ** যোৱা নিশা নগাঁও জিলাৰ ৰূপহীহাটত চোৰাং গৰুৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলাই চাৰিখন বাহনসহ ৪৫টাকৈ চোৰাং গৰু জব্দ কৰাৰ লগতে পাঁচজনকৈ চোৰাং গৰু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ৰূপহীহাট আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি ৰূপহী তিনিআলিত চোৰাং গৰুৰ বিৰুদ্ধে এই অভিযান চলায়। ১০ পৃষ্ঠাত চাওক

■ উদয়পুৰৰ 'চিন্তন শিবিৰ'ত দলীয় নেতা-কৰ্মীক আহ্বান কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধীৰ

## দলে সকলো দিলে, এতিয়া ঋণ শোধৰ সময়



■ **নিউজ ব্যুৰ'**
**উদয়পুৰ, ১৩ মে' ঃ** ক্ৰমশঃ পৰাজয়ৰ সন্মুখীন হৈ ভাগৰি পৰা, আভ্যন্তৰীণ কলহত জৰ্জৰ কংগ্ৰেছৰ ভঙা কঁকাল পোন কৰি থিয় দিবলৈ মন্ত্ৰ দিলে সভানেত্ৰী ছোনিয়া গান্ধীয়ে। ৰাজস্থানৰ উদয়পুৰত দলৰ তিনিদিনীয়া চিন্তন বৈঠকৰ আৰম্ভণিৰ দিনটোত আজি ছোনিয়াই কয়, 'আমি আজি যি পাইছো, সকলো কংগ্ৰেছৰ বাবে। এতিয়া সেই ঋণ পৰিশোধৰ সময় আহিছে।' একে সময়তে বিজেপিক তীব্ৰ আক্ৰমণ কৰে ছোনিয়াই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে শানিত মন্তব্য কৰি কংগ্ৰেছ সভানেত্ৰীগৰাকীয়ে কয় এই কথা অতি বেদনাদায়কভাৱে স্পষ্ট যে 'ন্যূনতম প্ৰশাসক, অধিকতম প্ৰশাসন'ৰ নীতিক দেশক স্থায়ী ৰূপত মেৰুকৰণত ব্যৱহাৰ কৰা হৈছে। সংখ্যালঘুৰ প্ৰতি নিৰ্মম আচৰণ কৰা হৈছে আৰু ৰাজনৈতিক বিৰোধীক ব্যৱহাৰ কৰা ১০ পৃষ্ঠাত চাওক

## তিনিচুকীয়াত নিশা বাহনৰ চালকক ছুৰিকাঘাত কৰি হত্যা

**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ১৩ মে' ঃ** তিনিচুকীয়াৰ পৰ্বতীয়াৰ এজন যুৱকক যোৱা নিশা ছুৰিকাঘাত কৰি দুৰ্বৃত্তই হত্যা কৰে।বৃত্তিত গাড়ীচালক পৰ্বতীয়া ফিডা পথৰ পিন্টু শৰ্মা (২২) নামৰ যুৱকজনক তিনিচুকীয়া-মাকুম পথৰ আসাম এজেন্সী পেট্ৰ'ল পাম্পৰ সমীপত নিশা দুৰ্বৃত্তই চোকা অস্ত্ৰৰে আক্ৰমণ কৰি হত্যা কৰে। এই ঘটনাত বিকি দাস (১৮) নামৰ ১০ পৃষ্ঠাত চাওক

■ অধিকাংশ বাট-পথতে একঁকাল পানী


## কৃত্ৰিম বানত উটি গ'ল মহানগৰীৰ আভিজাত্য, নিগমৰ পাৰিষদৰ শপত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ মে' ঃ** মহানগৰীক কৃত্ৰিম বানমুক্ত কৰাৰ প্ৰতিশ্ৰুতিৰে গুৱাহাটী পৌৰ নিগমৰ নৱনিৰ্বাচিত পাৰিষদসকলে আজি শপতগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে পুৱতি নিশাৰ পৰা অহা মূষলধাৰ বৰষুণে সৃষ্টি কৰা কৃত্ৰিম বানত আজি পুনৰ উটি যায় মহানগৰীৰ আভিজাত্য। নেৰানেপেৰা বৰষুণৰ ফলত আজি দুপৰীয়াৰ ভাগলৈকে মহানগৰীৰ অধিকাংশ পথ, উপ-পথত সৃষ্টি হোৱা কৃত্ৰিম বানে সৃষ্টি কৰে ব্যাপক যানজঁট। সমান্তৰালভাৱে কে'বাটাও মূল পথত একাঁঠুলৈকে পানী উঠাৰ ফলত সৰু সৰু যানবাহনৰ ১০ পৃষ্ঠাত চাওক

## জুৰীয়াত দুই চোৰাং চিকাৰীসহ উদ্ধাৰ ৩০ বনৰীয়া পক্ষী

**অগ্ৰদূত বাৰ্তা**
**জুৰীয়া, ১৩ মে' ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত আধাখুন্দা গাঁৱত আজি বন বিভাগে চোৰাংচিকাৰীৰ কবলৰ পৰা ৩০ টাকৈ বনৰীয়া চৰাই উদ্ধাৰ কৰাৰ লগতে দুজন চোৰাংচিকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত চিকাৰী দুজন হৈছে ক্ৰমে আব্দুৰ ৰহিম আৰু মোছাৰফ হুছেইন। দীৰ্ঘদিন ধৰি দুয়ো লাওখোৱা অভয়াৰণ্যৰ দাঁতি কাষৰীয়া অঞ্চলত বনৰীয়া ১০ পৃষ্ঠাত চাওক




| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ২৪° |
| ডিব্ৰুগড় | ২৪° | ২২° |
| দিল্লী | ৪৩° | ২৯° |
| কলকাতা | ৩৩° | ২৬° |
| মুম্বাই | ৩৩° | ২৯° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ২৭° | ২১° |
| শ্বিলং | ১৯° | ১৮° |

*১৩ মে', ২০২২*

দীৰ্ঘ বিৰতিৰ পাছত পুনৰ সক্ৰিয় চোৰাং সোণৰ আন্তঃৰাষ্ট্ৰীয় চক্ৰ

## ম্যানমাৰৰ পৰা প্ৰেৰিত বৃহৎ পৰিমাণৰ চোৰাং সোণৰ ভঁৰাল গুৱাহাটীত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৩ মে' ঃ** ম্যানমাৰৰ পৰা প্ৰেৰণ কৰা বৃহৎ পৰিমাণৰ চোৰাং সোণ মণিপুৰ আৰু অসমত ব্যৱসায়ীয়ে মজুত কৰাৰ তথ্য শেহতীয়াভাৱে পোহৰলৈ আহিছে। ৰাজহ চোৰাংচোৱা সঞ্চালকালয় (ডিআৰআই)-এ এই তথ্য লাভ কৰিছে যদিও চোৰাং সোণ মজুত ৰখা নিৰ্দিষ্ট স্থানৰ সন্ধান এই পৰ্যন্ত ওলোৱা নাই। অৱশ্যে গুৱাহাটীত চোৰাং সোণ মজুত কৰা হৈছে বুলি ডিআৰআইৰ সূত্ৰই সম্ভাৱনা ব্যক্ত কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত ডিআৰআইৰ দলে মজুত কৰা স্থানলৈ ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ৩০ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১৪ মে' ২০২২

## পৰিত্ৰাণ ক'ত?

এজাক বৰষুণতে আকৌ এবাৰ গুৱাহাটীৰ প্ৰায়বোৰ বাট-পথ জলবদ্ধ হ'ল। কৃত্ৰিম বানৰ লগতে যান-জঁটসহ একাধিক সমস্যাই বছৰৰ পাছত বছৰ ধৰি মহানগৰবাসীক হাৰাশাস্তি কৰি আহিছে। গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ পৰা আৰম্ভ কৰি পৌৰ নিগমলৈকে বিভিন্ন বিভাগ আছে যদিও মহানগৰৰ উন্নয়নতো বাদেই, বৰঞ্চ দিনক দিনে গুৱাহাটীবাসীয়ে অধিক জঞ্জাল ভুগিব লগা হৈছে। পৌৰ নিগমৰ সদ্য সমাপ্ত নিৰ্বাচনত বিজেপিয়ে গুৱাহাটীক কৃত্ৰিম বান আৰু অপৰাধ মুক্ত মহানগৰ হিচাপে গঢ়াৰ প্ৰতিশ্ৰুতি দিছিল। মহানগৰবাসীয়েও এই প্ৰতিশ্ৰুতিত ভোল গৈ পৌৰ নিগমৰ ক্ষমতা বিজেপিকে অৰ্পণ কৰিলে; কিন্তু মহানগৰখনৰ সমস্যা সমাধানৰ কোনো আশাৰ ৰেঙণিহে এতিয়ালৈকে ৰাইজে প্ৰত্যক্ষ কৰা নাই। বৃহস্পতিবাৰৰ নিশাৰে পৰা হোৱা বৰষুণজাকত গুৱাহাটীৰ প্ৰায়বোৰ মূল পথ কৃত্ৰিম বানত বুৰ গ'ল। কেৱল বানেই নহয়, নলা-নৰ্দমাৰ পৰা পেলনীয়া প্লাষ্টিকৰ আৱৰ্জনা, বোকা মাটি ইত্যাদি ওলাই অহাত বাট-পথে চৰম কদৰ্যময় ৰূপ ধাৰণ কৰিলে। কৃত্ৰিম বানৰ লগতে ৰাজপথত হোৱা যান-জঁটে মহানগৰবাসীক পুনৰ হাৰাশাস্তি কৰিলে। প্ৰতিবাৰেই পৌৰ নিগমৰ নিৰ্বাচনত শাসকীয় পক্ষই গুৱাহাটীক কৃত্ৰিম বানমুক্ত কৰাৰ প্ৰতিশ্ৰুতি দি আহিছে; কিন্তু আজিলৈকে ইয়াৰ বাবে কোনো পদক্ষেপ লোৱা প্ৰত্যক্ষ নহ'ল। বৰ্তমানৰ বিজেপিৰ চৰকাৰে গুৱাহাটীক আটকধুনীয়া মহানগৰ হিচাপে গঢ়া হ'ব বুলি বাৰে বাৰে কৈ আহিছে। ইয়াৰ পাছতো মহানগৰবাসীয়ে পূৰ্বৰ দৰেই এজাক বৰষুণতে হাহাকাৰ কৰিবলগীয়া পৰিস্থিতি বাহাল আছে।

দৰাচলতে গুৱাহাটীৰ উন্নয়নক লৈ চৰকাৰে কেৱল ভেঁকোভাওনাহে প্ৰদৰ্শন কৰি আহিছে। সম্প্ৰতি মহানগৰখনৰ প্ৰায়বোৰ পথৰে অৱস্থা শোচনীয় হৈছে। জাবৰ নিষ্কাসনৰ ক্ষেত্ৰত পৌৰ নিগমে হেমাহি কৰাৰ ফলত এতিয়া পুনৰ মহানগৰৰ প্ৰায়বোৰ ব্যস্ত পথৰ দাঁতিত আৱৰ্জনাৰ পাহাৰৰ সৃষ্টি হৈছে। পুতিগন্ধময় পৰিৱেশে গুৱাহাটীক আকৌ গ্ৰাস কৰিবলৈ ধৰিছে। পৌৰ নিগমে গুৱাহাটীৰ ঘৰৰ পৰা আৱৰ্জনা সংগ্ৰহৰ বাবে ব্যক্তিগত কিছু প্ৰতিষ্ঠানক দায়িত্ব দিছিল, কিন্তু সম্প্ৰতি মহানগৰীৰ বহু অঞ্চলতে এইদৰে জাবৰ সংগ্ৰহ কৰা নহয় আৰু উপায়হীন হৈ বহু লোকে ঘৰৰ আৱৰ্জনা পথৰ দাঁতিত পেলাবলৈ বাধ্য হৈছে। ফলত মহানগৰখনৰ ঠায়ে ঠায়ে পুনৰ আৱৰ্জনাই দ'ম বান্ধিছে। ইফালে, নলা-নৰ্দমাৰ পৰিষ্কৰণৰ ক্ষেত্ৰতো পৌৰ নিগমে পূৰ্বৰ তৎপৰতা প্ৰদৰ্শন নকৰাত এজাক বৰষুণতে ৰাজপথত চৰম অস্বাস্থ্যকৰ পৰিৱেশ সৃষ্টি হৈছে। নলা-নৰ্দমা চাফা কৰাৰ ক্ষেত্ৰতো এইটো প্ৰায়ে প্ৰত্যক্ষ হয় যে নলাৰ পৰা আৱৰ্জনা আনি পথৰ দাঁতিতে দ'মাই ৰখা হয়। পৰিষ্কাৰ কৰাৰ লগে লগে আৱৰ্জনা নিষ্কাসন নকৰা হেতুকে এজাক বৰষুণ দিলেই পুনৰ সেই আৱৰ্জনাই নলাত প্ৰৱেশ কৰে। এইদৰেই নলা-নৰ্দমা পৰিষ্কাৰৰ নামত পৌৰ নিগমে কোটি কোটি টকাৰ অপচয় কৰি আহিছে। চৰকাৰে মহানগৰৰ পথচাৰীৰ বাবে পদপথ, পদদলং আদিৰ নিৰ্মাণ কৰিছে, কিন্তু বাস্তৱত আজি মহানগৰৰ প্ৰায়বোৰ পদপথে একাংশ ব্যৱসায়ীয়ে দখল কৰি লৈছে। ফলত পদপথ ব্যৱহাৰ কৰোঁতে মহানগৰবাসী নানা আহুকালৰ সন্মুখীন হৈছে। চলন্ত ছিৰিসহ কে'বাখনো পদদলং মুকলি কৰি চৰকাৰে চমক দিছিল, কিন্তু এতিয়া মহানগৰৰ কেইখন পদদলং সম্পূৰ্ণ সক্ৰিয়-সূচল হৈ আছে? দৰাচলতে প্ৰশাসনৰ হেমাহিতে গুৱাহাটী আজিও এখন পৰিষ্কাৰ-পৰিচ্ছন্ন, সুন্দৰ মহানগৰত পৰিণত হ'ব নোৱাৰিলে।

পৌৰ নিগম শাসকীয় দলটোৱে গঠন কৰাৰ পাছত স্বাভাৱিকতে মহানগৰবাসীয়ে পৰিস্থিতিৰ পৰিৱৰ্তন আশা কৰিছে। বিশেষকৈ কৃত্ৰিম বান, যান-জঁট, আৱৰ্জনা নিষ্কাসনৰ দৰে অতি পুৰণি মহানগৰীয়া সমস্যাৰ পৰা ৰাইজে পৰিত্ৰাণ পাবলৈ বিচাৰিব। বিজেপিয়ে পৌৰ নিগম দখল কৰাৰ পাছত গুৱাহাটীক অত্যাধুনিক আৰু আটকধুনীয়া মহানগৰ হিচাপে গঢ় দিব বুলি প্ৰতিশ্ৰুতি দিছে; কিন্তু চৰকাৰে এনে প্ৰতিশ্ৰুতি বহু দিলে, স্থিতাৱস্থাৰহে কোনো পৰিৱৰ্তন আজিলৈকে মহানগৰবাসীৰ প্ৰত্যক্ষ নহ'ল। চৰকাৰে মহানগৰখনৰ মূল সমস্যাসমূহক গুৰুত্ব সহকাৰে লৈ ইয়াৰ স্থায়ী সমাধানৰ বিজ্ঞানসন্মত উপায় অৱলম্বন কৰা জৰুৰী। অন্যথা এজাক বৰষুণতে নৰক সদৃশ পৰিৱেশৰ পৰা গুৱাহাটীক মুক্ত কৰাটো বাস্তৱত কেতিয়াও সম্ভৱ নহ'ব। পৌৰ নিগমে মহানগৰবাসীৰ পৰা বুজন পৰিমাণৰ কৰ সংগ্ৰহ কৰি আহিছে, কিন্তু ইয়াৰ পাছতো ৰাইজক প্ৰয়োজনীয় সেৱা-সুবিধা প্ৰদান কৰিব নোৱাৰাৰ কাৰণ কি? গুৱাহাটীক স্বচ্ছ-সুন্দৰ কৰি তুলিবলৈ হ'লে মহানগৰবাসীৰো সহযোগিতাৰ প্ৰয়োজন। ৰাইজে য'তে-ত'তে আৱৰ্জনা, পিক ইত্যাদি পেলাই মহানগৰীক অধিক কদৰ্য কৰাৰ পৰা বিৰত থাকিলে গুৱাহাটীক সুন্দৰ মহানগৰ হিচাপে গঢ় দিয়াত প্ৰশাসনৰ সুবিধা হ'ব।

# নাগৰিকৰ সাংবিধানিক দায়বদ্ধতা

## মৌলিক কৰ্তব্য বনাম মৌলিক অধিকাৰৰ প্ৰসংগত

বিক্ষিপ্ত চিন্তা



**ড° জয়কান্ত শৰ্মা**

দুটা দশক পূৰ্বে সংবিধানৰ কাৰ্যকাৰিতা সন্দৰ্ভত পৰ্যালোচনা কৰিবলৈ গঠিত ন্যায়াধীশ ৱাৰ্মা আয়োগে আদেশ জাৰি কৰি চৰকাৰক নিৰ্দেশ দিছিল যে নাগৰিকৰ মৌলিক কৰ্তব্য পালনৰ দায়বদ্ধতা সন্দৰ্ভত কঠোৰ নীতি গ্ৰহণ কৰিব লাগে। এইটো সঁচা যে ভাৰতৰ জনসাধাৰণ সততে মৌলিক অধিকাৰ সন্দৰ্ভত বেচ সচেতন; চৰকাৰৰ যিকোনো সংস্কাৰমূলক পদক্ষেপকে মৌলিক অধিকাৰৰ দোহাই দি ন্যায়ালয়ত প্ৰত্যাহ্বান জনোৱাটো এটা পৰম্পৰা সদৃশ হৈছেগৈ। এই ক্ষেত্ৰত ন্যায়পালিকাও উচিতভাৱেই বৰ সচেতন। ক'বলৈ গ'লে এনে ধৰণৰ সংখ্যাধিক আবেদনৰ বোজাৰে বিভিন্ন ন্যায়ালয় ভাৰাক্ৰান্ত। পিছে মৌলিক কৰ্তব্য পালন সন্দৰ্ভত অধিকাংশ ভাৰতীয় নাগৰিক উদাসীন, সেইটো কোনেও নজনা নহয়।

'National Commission to Review the working of the constitution' এ দিয়া বাৰ্তাটো আছিল, অধিকাৰৰ স'তে কৰ্তব্যৰ বিষয়টো ওতপ্ৰোতভাৱে সাঙোৰ খাই আছে; সেয়েহে সংবিধানৰ ৫১(ক) ধাৰাত সন্নিৱিষ্ট মৌলিক কৰ্তব্যসমূহ পালন কৰাটো নাগৰিকৰ বাবে বাধ্যতামূলক হোৱাকৈ চৰকাৰে আইন ৰচনা কৰা উচিত। পিছে আইন ৰচনা কৰা মানেই আইন ভংগকাৰীক শাস্তি প্ৰদানৰ ব্যৱস্থা আৰু সেইটো বলৱৎ কৰাৰ দায়িত্ব প্ৰকাৰান্তৰে ন্যায়পালিকাৰ। এতেকে এই স্থিতি অতি আহুকলীয়া। চৰকাৰৰ সিদ্ধান্তই নাগৰিকৰ মৌলিক অধিকাৰ ক্ষুণ্ণ কৰিলে ন্যায়পালিকাই নিশ্চয়কৈ হস্তক্ষেপ কৰিব; কিন্তু জনসাধাৰণে মৌলিক কৰ্তব্য উলংঘা কৰিলে জেল-জৰিমনা বিহাটো সহজসাধ্য নহয়। ভাৰতৰ জনসংখ্যা ১৩৫ কোটি, সেইটো মনত ৰাখিব লাগিব।

বিড়ম্বনাৰ কাৰণ হ'ল, মৌলিক কৰ্তব্যসমূহৰ দহদফীয়া সূচীত কি কি বিষয় আছেনো, সেই সম্পৰ্কে তথাকথিত অনেক সচেতন নাগৰিকেই সচেতন নহয়। প্ৰকৃততে সংবিধানৰ ৫১ (ক) ধাৰাত সন্নিৱিষ্ট দহদফীয়া মৌলিক কৰ্তব্যসমূহ পালন কৰাটো মুঠেও কষ্টসাধ্য নহয়। বৰঞ্চ সেইবোৰ সাধাৰণ শিষ্টাচাৰ তথা মূল্যবোধৰে ভিতৰুৱা বিষয়। মাথোন বিশ্বত আমাৰ দেশখনক সন্মানীয় স্থানত প্ৰতিষ্ঠিত কৰাৰ দৃষ্টিৰেই নহয়, এখন শৃংখলাৱদ্ধ আৰু সংস্কৃতিৱান সমাজ গঢ়ি তোলাৰ বাবেও মৌলিক কৰ্তব্যসমূহ পালন কৰাটো আৱশ্যকীয়।

যেনে- য'তে-ত'তে পিক পেলাই পদপথ, দেৱাল, ইলেভেটৰ আদিকে ধৰি ৰাজহুৱা স্থান লেতেৰা কৰিব নালাগে, জাবৰ-জোঁথৰ যথাস্থানত নেপেলাই নলা-নৰ্দমাত বা নৈ-বিলত পেলালে জনজীৱন বিধ্বস্ত হয়, গণতান্ত্ৰিক আন্দোলনৰ নামত ৰাজহুৱা সা-সম্পত্তিৰ হানি কৰাটো অন্যায়, তথ্যৰ বিকৃতকৰণ বা অপপ্ৰচাৰৰ জৰিয়তে সাম্প্ৰদায়িক বিদ্বেষ বা গোষ্ঠীগত সংঘাতৰ সৃষ্টি কৰা উচিত নহয়, গছ-বন কাটি তহিলং কৰিলে মানুহৰ জীৱনেই নহয়, পশু-পক্ষী, কীট-পতংগৰো জীৱন বিপন্ন হ'ব আদি কথাবোৰ বুজিবলৈ সংবিধান পঢ়িব লাগেনে?

সংবিধানত উল্লিখিত মৌলিক কৰ্তব্যসমূহ এনে ধৰণৰ, (১) সংবিধানৰ প্ৰতি আনুগত্য আৰু ৰাষ্ট্ৰীয় গীত তথা ৰাষ্ট্ৰীয় পতাকাৰ প্ৰতি সন্মান প্ৰদৰ্শন, (২) স্বতন্ত্ৰ সংগ্ৰামত উদগনি দিয়া আদৰ্শৰ প্ৰতি শ্ৰদ্ধা, (৩) ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষাৰ সংকল্প, (৪) দেশৰ সুৰক্ষা ব্যৱস্থাত সহযোগ, (৫) সকলো ভাৰতীয়ৰ মাজত সমন্বয় আৰু ভাতৃত্ববোধ গঢ়ি তোলা আৰু মহিলাৰ মৰ্যাদা ৰক্ষা, (৬) আমাৰ ঐতিহ্য আৰু সাংস্কৃতিক পৰম্পৰাৰ মূল্যায়ন তথা সংৰক্ষণ, (৭) প্ৰাকৃতিক পৰিৱেশৰ সংৰক্ষণ আৰু সংবৰ্ধন, (৮) বৈজ্ঞানিক মানসিকতা আৰু অনুসন্ধিৎসা গঢ়ি তোলাৰ প্ৰয়াস, (৯) ৰাজহুৱা সম্পত্তিৰ সুৰক্ষা আৰু হিংসাত্মক কাৰ্যকলাপ পৰিহাৰ, (১০) ব্যক্তিগত পাৰদৰ্শিতা বৃদ্ধি তথা ৰাষ্ট্ৰীয় উন্নয়নৰ উদ্যম। এইবোৰৰ মাজত নাগৰিকে পালন কৰিব নোৱাৰা বিষয় কি আছে? এই ক্ষেত্ৰত মূল আঁসোৱাহ দুটা— (১) ৰাইজৰ মাজত সজাগতাৰ অভাৱ আৰু (২) এচাম পক্ষপাতদুষ্ট সামাজিক কৰ্মীৰ ৰাজনৈতিক কুচকাৱাজ।

আইন ৰচনা কৰি দায় সৰাটোৱেই মৌলিক কৰ্তব্য পালনৰ বিকল্প হ'ব নেকি? লক্ষ্যণীয় যে সামাজিক শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত নাগৰিকৰ দায়বদ্ধতা সন্দৰ্ভত ন্যায়পালিকাই সময়ে সময়ে তাৎপৰ্যপূৰ্ণ ৰায় প্ৰদান কৰি আহিছে। বিভিন্ন দল বা সংগঠনে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰে। এই ধৰণৰ আন্দোলনে কোনো কাৰণতে নাগৰিকৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰিব নোৱাৰিব বুলি খোদ সৰ্বোচ্চ ন্যায়ালয়েই আদেশ জাৰি কৰিছিল; কিন্তু তালৈ কোনোবাই কৰ্ণপাত কৰিছেনে? শ্বাহিন বাগত কা-বিৰোধী আন্দোলনে কেনে ভয়াবহ সমস্যাৰ সৃষ্টি কৰিছিল সকলোৰে মনত আছে। আকৌ কৃষি আইনবিৰোধী আন্দোলনৰ নামত এমুঠিমান কৃষকে দিনৰ পাছত দিন ধৰি দিল্লী মহানগৰী অৱৰোধ কৰি ৰাখিছিল। এই ক্ষেত্ৰতো সৰ্বোচ্চ ন্যায়ালয়ে হস্তক্ষেপ নকৰাকৈ থকা নাছিল; কিন্তু কাৰ্যতঃ ন্যায়পালিকাৰ ভূমিকা এলাগী হৈ ৰ'ল। এনে ধৰণৰ অনেক দৃষ্টান্ত আছে। এতেকে সংবিধানৰ প্ৰতি আনুগত্যৰ বিষয়টোহে বিচাৰ্য।



> **মৌলিক অধিকাৰ ভোগ কৰাৰ দৰেই মৌলিক কৰ্তব্যসমূহ পালন কৰাটোও নাগৰিকৰ এৰাব নোৱাৰা দায়িত্ব। পিছে মনত ৰাখিব লাগিব, ৰাষ্ট্ৰই ইতিমধ্যে স্বতন্ত্ৰতাৰ 'অমৃত মহোৎসৱ' পালন কৰিবলৈ ল'লেও ভাৰতত নিৰক্ষৰতা এতিয়াও দূৰ হোৱা নাই। নাগৰিকৰ মৌলিক কৰ্তব্যই সাংবিধানিক মৰ্যাদা পাবৰো ৪৫ বছৰ পাৰ হৈ গ'ল**

গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচীত হিংসাত্মক ঘটনাৰ সূত্ৰপাত হ'লে সেই বিষয়ে আন্দোলনৰ নেতাসকলে তৎকালেই নিকটতম আৰক্ষী থানাত জনাব লাগিব; অন্যথা তেওঁলোকক জগৰীয়া কৰা হ'ব। এই আদেশো দিছিল দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে; কিন্তু তথাকথিত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰা কোনোবা এজন নেতায়ো এই আদেশলৈ ভ্ৰূক্ষেপ কৰাৰ কথা আজিকোপতি শুনা নাই। বৰঞ্চ শেহতীয়াভাৱে একোটা আন্দোলনজীৱীৰ দলে সংসদত গৃহীত আইন ৰাজপথত বাতিল কৰোৱাৰ কাৰ্যসূচীহে লৈছে। আকৌ এচাম স্বয়ম্ভূ সংবিধান বিশেষজ্ঞই কয়— সাংবিধানিক বিধি-ব্যৱস্থাতকৈও হেনো ধৰ্মীয় পৰম্পৰাৰ গুৰুত্বহে অধিক। ভাৰতৰ অনেক মাদ্ৰাছাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা নহয়, সেইটোও লক্ষ্যণীয়। দেশখন ভাঙি টুকুৰা-টুকুৰ কৰিবলৈ আফজল গুৰুৰ দৰে দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী ঘৰে ঘৰে গঢ়ি তুলিবলৈ সংকল্প লোৱা কানহায়া কুমাৰ এতিয়া কংগ্ৰেছ দলৰ প্ৰভাৱশালী সদস্য। অৰ্থাৎ সাংবিধানিক কৰ্তব্যৰ পৰিপন্থী শক্তি ৰাজনীতিৰ মূল সুঁতিত জাহ গৈছে।

এনে বাস্তৱ পৰিস্থিতিৰ পৰ্যালোচনা নকৰাকৈ নাগৰিকৰ মৌলিক কৰ্তব্য পালনৰ দায়বদ্ধতা আইন ৰচনা কৰিবলৈ চৰকাৰক নিৰ্দেশ দিয়াটো ন্যায়পালিকাৰ আত্মপ্ৰতাৰণাহে হ'বগৈ। চাৰি এপ্ৰিলৰ শুনানিত সৰ্বোচ্চ ন্যায়ালয়ৰ দুজনীয়া খণ্ডপীঠৰ আদালতত এটৰ্ণী জেনেৰেল বেণু গোপালে যুক্তি দাঙি ধৰিছে যে আইন ৰচনা কৰাৰ পূৰ্বে এই সন্দৰ্ভত সমাজত সজাগতা সৃষ্টি কৰাটোহে মূল প্ৰত্যাহ্বান। চৰকাৰে বিভিন্ন মাধ্যমত বিষয়টো সমাজৰ বিভিন্ন স্তৰলৈ আগবঢ়াই নিছে। মৌলিক কৰ্তব্য বিষয়ক পাঠ পাঠ্যপুথিত অন্তৰ্ভুক্ত হৈছে, তদুপৰি নাগৰিকৰ মৌলিক কৰ্তব্য সূচীৰ বিষয়ে প্ৰচাৰ কৰিবলৈ চৰকাৰী বিজ্ঞপ্তি টেলিভিছনৰ কাৰ্যসূচী, আলোচনাচক্ৰ, কৰ্মশালা, মত বিনিময় কাৰ্যসূচীকে ধৰি বিভিন্ন মঞ্চ ব্যৱহাৰ কৰা হৈছে।

লক্ষ্যণীয় যে প্ৰায় প্ৰতিখন জনসভাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বিষয়টো উত্থাপন কৰি কয়— মৌলিক অধিকাৰ ভোগ কৰাৰ দৰেই মৌলিক কৰ্তব্যসমূহ পালন কৰাটোও নাগৰিকৰ এৰাব নোৱাৰা দায়িত্ব। পিছে মনত ৰাখিব লাগিব, ৰাষ্ট্ৰই ইতিমধ্যে স্বতন্ত্ৰতাৰ 'অমৃত মহোৎসৱ' পালন কৰিবলৈ ল'লেও ভাৰতত নিৰক্ষৰতা এতিয়াও দূৰ হোৱা নাই। নাগৰিকৰ মৌলিক কৰ্তব্যই সাংবিধানিক মৰ্যাদা পাবৰো ৪৫ বছৰ পাৰ হৈ গ'ল। তৎসত্ত্বেও বিষয়টো সন্দৰ্ভত সচেতনতাৰ সৃষ্টি নোহোৱাৰ কাৰণ নিৰক্ষৰতা। এনে প্ৰেক্ষাপটত চৰকাৰৰ সচেতনতা তথা সজাগতা সৃষ্টিৰ কাৰ্যসূচী সফল কৰি তুলিবলৈ ন ন কৌশল উদ্ভাৱন কৰাৰহে আৱশ্যকতা আছে, ন ন আইনৰ প্ৰয়োজন নাই।

তাৎপৰ্যপূৰ্ণ যে গণতান্ত্ৰিক দেশবোৰৰ ভিতৰত মাথোন জাপানৰ সংবিধানতহে নাগৰিকৰ মৌলিক কৰ্তব্যৰ বিষয়ে সামান্য উল্লেখ আছে; আনবোৰ গণতান্ত্ৰিক ৰাষ্ট্ৰত বিষয়টো নাগৰিকৰ সদিচ্ছা আৰু সুবিবেচনাৰ ওপৰতে এৰি দিয়া হৈছে। অথচ দৈনন্দিন জীৱন-যাত্ৰাৰ সকলো স্তৰতে এইবোৰ দেশৰ নাগৰিকসকলে সদ্ আচৰণ আৰু ভাল পৰম্পৰা ৰক্ষা কৰাত অভ্যস্ত। অৱশ্যে কমিউনিষ্ট ৰাষ্ট্ৰবোৰৰ সংবিধানত নাগৰিকৰ মৌলিক কৰ্তব্যবোৰ কঠোৰভাৱে বলৱৎ কৰাৰ ব্যৱস্থা আছে। পূৰ্বৰ ছোভিয়েট ৰাছিয়াৰ সংবিধানতো মৌলিক কৰ্তব্যৰ বিষয়টোৱে বেচ গুৰুত্ব পাইছিল।

ভাৰততো ১৯৭১ ৰ জৰুৰীকালীন শাসনতহে ইন্দিৰা গান্ধীয়ে সংবিধানত ৫১ (ক) ধাৰাটো অন্তৰ্ভুক্ত কৰিছিল। পৰৱৰ্তী মোৰাৰজী দেশাইৰ জনতা চৰকাৰে ইন্দিৰা গান্ধীয়ে প্ৰৱৰ্তন কৰা সকলোবোৰ স্বৈৰচাৰী আইন প্ৰত্যাহাৰ কৰিলেও মৌলিক কৰ্তব্যৰ ৫১ (ক) ধাৰাটো অক্ষুণ্ণ ৰাখিছিল; কিন্তু মন কৰিবলগীয়া কথাটো হ'ল, কমিউনিষ্ট ৰাষ্ট্ৰৰ সংবিধানত মৌলিক কৰ্তব্যৰ লগতে কাম কৰাৰ অধিকাৰো সন্নিৱিষ্ট আছে; কিন্তু ভাৰতৰ সংবিধানত নাগৰিকৰ কাম কৰাৰ অধিকাৰ দিয়া হোৱা নাই।

নাগৰিকৰ মৌলিক কৰ্তব্য বলৱৎ কৰাৰ প্ৰাথমিক চৰ্তটোৱেই হ'ল এই বিষয়ে সকলো নাগৰিকে ভালদৰে জানিব লাগিব। এতেকে শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সচেতনতা সৃষ্টিৰ ৰূপৰেখা প্ৰস্তুত কৰাটো অতি আৱশ্যকীয়। মৌলিক কৰ্তব্যৰ বিষয়ে পাঠ সকলো শ্ৰেণীৰ পাঠ্যপুথিতে অন্তৰ্ভুক্ত কৰাৰ উপৰি বিদ্যালয় প্ৰাংগণতে বিষয়বোৰৰ বিভিন্ন অনুশীলন চলাব পৰা যায়। সময়ে সময়ে স্থানীয় লোক আৰু অভিভাৱকসকলক জড়িত কৰিলে মৌলিক কৰ্তব্যৰ ধাৰণাটোৱে অতি সোনকালে বিস্তৃতি লাভ কৰিব। নিশ্চিতভাৱে এই গধূৰ দায়িত্ব বহন কৰিব লাগিব শিক্ষক সমাজে। ভাৰতৰ শিক্ষকসকলে বিভিন্ন ৰাষ্ট্ৰীয় অভিযান তথা কল্যাণমূলক আঁচনিত বহুমূলীয়া সেৱা আগবঢ়াই আহিছে; এই ক্ষেত্ৰতো তেওঁলোকে নিশ্চয় সহযোগ কৰিব।

পিছে ৰাজনৈতিক আন্দোলনৰ নামত যিসকল আন্দোলনজীৱী নেতাই সততে নাগৰিকৰ মৌলিক কৰ্তব্যৰ দিশটো উপেক্ষা কৰি আহিছে আৰু প্ৰকাৰান্তৰে সমাজত অৰাজকতা সৃষ্টিৰ কুট-কৌশলহে চলাই আছে, তেওঁলোকক নাকী লগাব কোনে? নক'লেও হয় যে সাধাৰণ আইনৰ আধাৰতে তেনে লোকক কঠোৰ শাস্তি প্ৰদান কৰিব পৰা যায়। এনে পটভূমিত ন্যায়পালিকাই নাগৰিকৰ মৌলিক কৰ্তব্য আইন ৰচনা কৰাত গুৰুত্ব দিয়াৰ সলনি কৰ্তব্যৰ পৰিপন্থী কাৰ্যসূচী ৰূপায়িত কৰা নেতাসকলৰ বিৰুদ্ধেহে কঠোৰ স্থিতি গ্ৰহণ কৰাটো উচিত হ'ব।

*ফোন : ৯৪৩৫৫-৫৪২০৫*

## খোলা মঞ্চ

### ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ



**আধ্যাত্মিকভাৱে** আমি চিন্তা-চৰ্চা কৰিলে মানসপটত জিলিকি উঠে যুগ বিৱৰ্তনৰ অধ্যায়। যুগাধ্যায় আমি পাওঁ চাৰি প্ৰকাৰ, যেনে— সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলিযুগ। সত্যযুগৰ মানুহবোৰ হেনো সকলোৱেই আছিল সত্যবাদী আৰু সৎ স্বভাৱৰ, কোনেও কাৰো অপকাৰ সাধন নকৰিছিল; কোনেও কাকো হিংসা নকৰিছিল, অহিংসাই আছিল পৰম ধৰ্ম। সেয়েহে উক্ত যুগৰ ব্যক্তিয়ে আনকি দেৱশক্তি দেৱতাৰ লগতো মুখামুখি হৈ বাৰ্তালাপ কৰিব পাৰিছিল। সেই সময়ৰ ৰজাই জনসাধাৰণৰ উপকাৰৰ বাবেহে সেৱা আগবঢ়াইছিল। ফলস্বৰূপে জনসাধাৰণৰ মাজত ঐক্য-প্ৰগতি আৰু প্ৰশান্তিয়ে বিৰাজ কৰিছিল। সম্প্ৰতি সত্য, ত্ৰেতা, দ্বাপৰ যুগৰ অৱসান ঘটি কলিযুগৰ আৱিৰ্ভাৱ হৈছে। বৰ্তমান ৰামো নাই, অযোধ্যাও নাই। বিজ্ঞলোকৰ উক্তি মৰ্মে কলিযুগত হেনো মানুহৰ মাজত অন্যায়, অত্যাচাৰ, দুৰ্নীতি, ভ্ৰষ্টাচাৰ, অসত্য আৰু হিংসাই বিৰাজ কৰিব; সত্যবাদী লোকৰ অভাৱ পৰিলক্ষিত হ'ব। ওপৰোক্ত বাক্যবোৰৰ সত্যতা আপাত কালছোৱাত বাস্তৱায়িত নোহোৱাকৈ যেন থকা নাই। সম্প্ৰতিত বুনিয়াদ স্তৰ অৰ্থাৎ গাঁও সমাজকে আদি কৰি ৰাজ্য বা দেশৰ যি প্ৰশাসনীয় চৰকাৰ গঠন হৈছে উক্ত প্ৰশাসনীয় চৰকাৰৰ মাজতো যেন গণতন্ত্ৰৰ অনবদ্যতাৰ স্খলন ঘটিছে। জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত জনপ্ৰতিনিধি প্ৰায়ভাগৰে যেন মানৱতাবোধ, স্বচ্ছতা আৰু সততাৰ গুণাগুণ-মানও যেন উচ্ছৃংখল হৈছে। প্ৰায়বোৰ জনপ্ৰতিনিধিয়ে ৰাইজক ছলাহী বাক্যৰে গণভোটবোৰ আদায় কৰি, ৰাজপাটত আৰোহণ কৰি ব্যক্তিস্বাৰ্থত জড়িত হৈ, ৰাইজৰ বিকাশৰ ফালে পিঠি দিয়ে। ফলশ্ৰুতিত ৰাইজৰ মাজত আৰ্থ-সামাজিক দিশত বিভ্ৰান্তিৰ সৃষ্টি হয়। নিৰ্বাচন যোৱাৰ পাছত জনপ্ৰতিনিধিয়ে কোনোপধ্যে নিজ সমষ্টিলৈ ঘূৰি চোৱাৰ আহৰিয়ে নাপায়। যিকোনো প্ৰকাৰে নিজৰ গাদী ৰক্ষাৰ প্ৰাচীৰ নিৰ্মাণৰ ফান্দ পাতি ৰাইজৰ গণতন্ত্ৰত কলংকৰ দাগ সানিবলৈ কুণ্ঠাবোধ নকৰে। যাৰ পৰিণতিত আঢ্যৱন্ত শ্ৰেণী ধনী হৈ গৈ আছে আৰু দৰিদ্ৰ শ্ৰেণী সদায় দৰিদ্ৰৰ স্তৰলৈ গৈ আছে। আৰু অদূৰ ভৱিষ্যতলৈয়ো যে উক্ত ব্যৱস্থা অব্যাহত নাথাকিব তাৰ কি নিশ্চয়তা আছে! দেশত গণতন্ত্ৰ আছে সঁচা, কিন্তু গণতন্ত্ৰৰ বৈধতা আছেনে? সাংবিধানিক নিয়ম-নীতি আছে, কিন্তু নিয়ম-নীতিয়ে ব্যক্তিক পৰিচালনা কৰিব পৰা নাই; সময় সাপেক্ষে দগাবাজ ব্যক্তিৰ মুনাফাৰ বাবে নীতি-নিয়ম ব্যৱহাৰ কৰিছে চতুৰ ৰাজনৈতিক নেতা, পালিনেতাসৰেহে। সম্প্ৰতি ভ্ৰষ্টাচাৰী বা দুৰ্নীতিপৰায়ণ ব্যক্তিৰ বাহিৰে চৰিত্ৰবান বা অপৰাধমুক্ত নেতা বিচাৰি পোৱাটো অতি টান হৈছে। ৰাইজৰ উত্তৰণ সাধনাৰ্থে যিয়ে লংকালৈ গৈছে, তেৱেঁই ৰাৱণৰ ভূমিকা গ্ৰহণ কৰিছে। তদুপৰি দেশত যে সৎ ব্যক্তিৰ অভাৱ হৈছে সেইটো নহয়; নিঃস্বাৰ্থ, স্বচ্ছ বা সততা থকা ভাল মানুহ আছে; কিন্তু ৰাজনীতিৰ পথ বৰ পংকিলময় বুলি চিন্তি উক্ত পথৰ যাত্ৰী হ'ব প্ৰায়ভাগে ইচ্ছা প্ৰকাশ নকৰে। নামত গণতন্ত্ৰ যদিও সম্প্ৰতি ধনতন্ত্ৰৰহে যুগ বিৰাজমান। 'বল যাৰ মলুক তাৰ' বুলি প্ৰবচন এফাকি নাই জানো? দেশত প্ৰভূতমান ব্যক্তিয়ে শৈক্ষিক দিশত অগ্ৰসৰ হৈ শিক্ষা অৰ্জন কৰিছে যদিও প্ৰকৃতাৰ্থত শিক্ষিত হ'বলৈ আৰু বহুতো বাকী আছে। মানুহ হ'লেও নহ'ব, থাকিব লাগিব মানৱতা; বিগত একত্ৰিশ মাৰ্চ, ২০২২'ৰ ৰাজ্য- সভাৰ নিৰ্বাচনৰ ফলাফলে অসমৰ ৰাইজক বিষয়সূচী গণতন্ত্ৰৰ বৈধতা সম্পৰ্কে যি চমক প্ৰদান কৰিলে, সিয়ে আগন্তুক ৰাজনৈতিক ভৱিষ্যন্দ্ৰৰ ইংগিত বহন কৰা নাই জানো? আপাত কালছোৱাত ৰাজনীতি দুষ্ট ব্যক্তিৰ চক্ৰবেহুত আৱদ্ধ।

**কিৰণ চন্দ্ৰ দাস**, লেখক

## কংগ্ৰেছৰ এই দশা কিয়?



**ভাৰতবৰ্ষই** স্বাধীনতা লাভ কৰাৰ আগৰে পৰা কংগ্ৰেছৰ এক সুকীয়া স্থান আছিল। কংগ্ৰেছ কৰা মানুহখিনিয়ে দেশৰ বাবে ছহিদ হ'বলৈ আগবাঢ়ি গৈছিল। সেই কংগ্ৰেছ দলে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে দিল্লীৰ মছনদতো কে'বা দশক ধৰি চৰকাৰ গঠন কৰি দেশ শাসন কৰিছিল। আজি সেই কংগ্ৰেছ দলৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে হৈছে । কিয় হৈছে? দল দুৰ্বল হ'লনে নে দলটোৰ বাঘজৰী ধৰি ৰখা নেতাসকল দুৰ্বল হ'ল। নে ক্ষমতাৰ বাবে লালায়িত হ'ল। নে আগৰ সেই পুৰণিকলীয়া নীতিৰ বাবে দলটো দুৰ্বল হ'ল। আচলতে বৰ্তমান সময়ত দলটোক চাৰিওফালৰ পৰা শনিয়ে আগুৰি ধৰাৰ দৰে আগুৰি ধৰিছে। ইয়াৰ ভিতৰত আছে এচাম কংগ্ৰেছীৰ দুৰ্বল মন। লতাজাতীয় উদ্ভিদৰ দৰে দলটোৰ এচামে আন দললৈ ঢাপলি মেলিছে। নিজৰ গাটো বটবৃক্ষৰ দৰে থিয় হ'ব পৰা নাই। আজি কিছুদিনৰ পৰা কংগ্ৰেছ দলটোৰ বাবে নিৰ্বাচন মানে পৰাজয়বৰণ কৰা। ক'ৰবাত কেতিয়াবা জিকিলেও টকাৰ লোভত নিজকে বিক্ৰী কৰি দিয়ে। সদ্য সমাপ্ত ৰাজ্যসভাৰ নিৰ্বাচনত নিজ দলৰেই কোনে কাক ভোট দিলে ক'বই নোৱাৰে। অথচ দলটোৱে নিজ দলৰ বিধায়কসকলৰ ওপৰত কিছুমান নীতি-নিৰ্দেশনা জাৰি কৰিছিল। কোনেও কাৰো কথা নামানিলে। লাহে লাহে ইজনৰ পাছত সিজন আন দললৈ গুচি গৈছে। কংগ্ৰেছ দলটো যেন কিবা এটি নকৰিবলগীয়া দললৈ পৰিৱৰ্তন হৈছে। আচলতে দলটোৰ বৰ্তমান নাই কোনো এজন বলিষ্ঠ নেতা। যিসকল নেতা আছে কংগ্ৰেছ কৰিব লাগে বুলি ব'ঠাটো ধৰি আছে। হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰী থকা সময়তো আলফাৰ ভয়ত অনেকেই কংগ্ৰেছ ত্যাগ কৰিছিল। সেই সময়ত কিন্তু লোভত দল ত্যাগ কৰা নাছিল। দল ত্যাগ কৰিছিল ভয়ত। এতিয়া দল ত্যাগ কৰি আছে লোভত।

তাৰমানে কংগ্ৰেছ এতিয়া খালী থাল। চেলেকিলে একো পোৱা নাযায়। যি কংগ্ৰেছ দলৰ মানুহে দেশ আৰু দহৰ বাবে জীৱন দিবলৈকে কাৰ্পণ্য কৰা নাছিল আৰু কৰা নাছিল ভয়, সেই কংগ্ৰেছ দলৰ আজিৰ অৱস্থা মাত্ৰ ধন লাগে ধন। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সময়ত যদি কংগ্ৰেছ দলৰ বাবে ধনেই সৰ্বস্ব হ'লহেঁতেন তেতিয়াহ'লে এই বিশাল ভাৰতে স্বাধীনতা নাপালেহেঁতেন; কিন্তু হায় আজিৰ কংগ্ৰেছ দল আৰু তেতিয়াৰ কংগ্ৰেছ দল দিন-ৰাতি পাৰ্থক্য। তদুপৰি কংগ্ৰেছ দলে সেই পুৰণিকলীয়া দৃষ্টিভংগীৰে নিৰ্বাচন খেলিলে বিপৰ্যয় সদায় থাকিব। মাত্ৰ তোষামোদকাৰী থাকিলে নিৰ্বাচনত জিকিব নোৱাৰে। নিৰ্বাচনত জিকিবলৈ হ'লে দলটোৰ পৰিৱৰ্তন অৱশ্যে বিশেষ জৰুৰী।

দিল্লীত আম আদমী দলটোৱে দুবাৰকৈ জিকি এতিয়া পঞ্জাৱতো জিকিল। অথচ কংগ্ৰেছ দলটোৱে সেই ৰাজ্যত চৰকাৰ গঠন কৰি আছিল, কিন্তু নিৰ্বাচনত চৰকাৰ গঠন কৰিব নোৱাৰিলে। তাৰমানে দলটো এতিয়া ৰাইজৰ মাজত এলাগীনে নে ৰাইজে দলটোৰ শাসন ব্যৱস্থা ভালপোৱা নাই। যদিহে কংগ্ৰেছৰ শাসন ব্যৱস্থা ৰাইজে ভালপোৱা নাই বা ৰাইজৰ আশা পূৰণ কৰিব পৰা নাই তেন্তে কি কৰিব লাগিব বা ক'ত কেণাটো লাগিল তাৰ বাবে ৰণনীতি প্ৰস্তুত কৰা দৰকাৰ বা নিৰ্বাচনত হাৰিল কিয় সেয়াও ফহিয়াই চোৱা দৰকাৰ। এখন ৰাজ্যৰ ৰাইজে কি বিচাৰে বা সেইখন ৰাজ্যৰ অভাৱ কি তাৰ বাবে নজৰ দিয়া একান্ত দৰকাৰ। মাত্ৰ আন দলক সমালোচনা কৰিলেই ৰাইজে ভোট নিদিয়ে বা কোনো এটা জাতিক মূৰৰ ওপৰত তুলি ল'লেও চৰকাৰ গঠন কৰিব পৰা জোখাৰে আসন নাপায়। যি কংগ্ৰেছ দলৰ মানুহে দেশৰ বাবে জীৱন আহুতি দিব পাৰে সেই দলটোৰ নিৰ্বাচন বিপৰ্যয় কিয়? দোষ কাৰ? নে আগতে দেশ শাসন কৰাত বৃহৎ ভুল কৰি গৈছে। যিয়েই নকৰক কিয়। বৰ্তমান কিন্তু কংগ্ৰেছ দলটো ৰাইজৰ মাজত সোমাব পৰা নাই আৰু যিখিনিয়ে কংগ্ৰেছক বিশ্বাস কৰিছিল বা কৰি আছে সেইসকলৰো বিশ্বাস নাইকিয়া হ'বলৈ ধৰিছে এচাম কংগ্ৰেছ দলৰ মানুহৰ কাৰু-কাৰ্য দেখি। মাত্ৰ ক্ষমতা লাগে বুলি ক'লেই ৰাইজে ক্ষমতা নিদিয়ে। কংগ্ৰেছ কৰা মানুহখিনিয়ে বৰ্তমান ৰাইজৰ মাজত সোমাব পৰা নাই আৰু দৰকাৰো অনুভৱ কৰা নাই। সময় এতিয়াও আছে। বিৰোধিতা কৰিব লাগে বুলিয়েই বিৰোধ নকৰি হাতেকামে লাগি যাব পৰা মানুহৰ অভাৱ। ক্ষমতাৰ খঁকটো পাছত পেলাই থৈ সঠিক ৰণনীতি তৈয়াৰ কৰক।

ৰাইজে আঁকোৱালি ল'ব; কিন্তু লোভ ত্যাগ কৰিব লাগিব আৰু লতাজাতীয় উদ্ভিদ নহৈ বটবৃক্ষ হ'বলৈ চেষ্টা কৰক। তেতিয়াহে সুদিন আহিব। নিজ দলৰ মানুহখিনি ধৰি ৰাখিবলৈ সঠিক ব্যৱস্থা গ্ৰহণ কৰক। এইদৰে যদি কংগ্ৰেছ দলটোৰ অৱস্থা থাকি যায় তেন্তে কাইলৈ পৰহিলৈ দলৰ মূল মূল ব্যক্তিসকল যে আন দলত নাযাব তাৰ কোনো গ্যাৰাণ্টি নাই। গতিকে কংগ্ৰেছ দলটোৱে সঠিক ৰণনীতি তৈয়াৰ কৰি সঠিকভাৱে আগুৱাই যাওক।

উত্থান-পতন আছে কিন্তু তাত ভয় খাবলগীয়া একো নাই। আন দলে কেনেকৈ শাসন কৰে অলপ শিকক। অকল নিজৰ সেই পুৰণা নীতি ধৰি ৰাখিলে নহ'ব ।

**আব্দুল হালিম আহমেদ**
লংকা, হোজাই, ফোন-৮৬৩৮৯৪৬৬৪৮

আমাৰ মাজৰ বহু মানুহে জাতিধ্বংসী, ভাষাধ্বংসীৰ কামত নীৰৱ ভূমিকা পালন কৰি থকা কাৰো নিশ্চয় অৱগত নোহোৱাকৈ থকা নাই

## নিজৰ দোষ-ত্ৰুটিবোৰৰ সংশোধন কৰো আহক

অভিমত

**আমি** অসমীয়া মানুহে আমাৰ সকলো বিষয়ৰে সংকটকাল চপায় অনা বাস্তৱ সত্য। আমাৰ নিজৰ অস্তিত্ব আমি নিজে ধ্বংস কৰিবলৈ ওলাইছো। ভালদৰে লক্ষ্য কৰা হওক, কোনজন মানুহৰ শৰীৰত বা দেহত অসমীয়া জাতিৰ চিন আছে বাৰু? অগ্ৰজসকলৰ ভিতৰৰ দুই-এজনক বাদ দি। প্ৰত্যেকৰ নিজৰ ঘৰখনৰ ওপৰত অৰ্থাৎ ঘৰখনৰ স্থিতিত আমাৰ জাতীয় আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, সা-সঁজুলি, শোভা বৰ্ধনৰ কলা-কৌশলৰ প্ৰয়োগ, খাদ্য-সম্ভাৰ আৰু সিবোৰৰ প্ৰস্তুত প্ৰণালীৰ চিন-চাপ আছেনে? আমাৰ চখৰ চিন্তাই কোন দিশে বা কাৰ ফালে ধাৱিত হৈছে? আমি কিহৰ প্ৰতি আকৰ্ষিত হৈছো? বজাৰত উলিওৱা কোনবিধ বস্তুৰ ওপৰত আমাৰ চকু পৰে? কাৰ বস্তু লাগী আৰু কাৰ বস্তু এলাগী কৰো? তেনেকৈ আমি উদ্‌যাপন কৰা উৎসৱ-পাৰ্বণ, বিয়া-সবাহত পৰিৱৰ্তিত ৰূপটো কাৰ ৰূপ? এখন জাক্‌জমকীয়া মঞ্চ সজাই বিয়াৰ কইনাক তাত বহাই ৰখাৰ কিবা প্ৰয়োজনেই আছে নে আন কিবা তাৎপৰ্যই আছে বাৰু? এটকা বস্তুৰ দাম বৃদ্ধি পালে আমাৰ গা-ফৰফৰোৱা দেখুৱাই প্ৰতিবাদ কৰিবলৈ ৰাজপথলৈ (ৰাজপথ নামকৰণ কিয়?) ওলাই গৈ উত্তাল কৰা আমি বিয়াৰ ৰভাখন আটক ধুনীয়া কৰাৰ কাৰণ কি? তাত হোৱা ব্যয় অতিৰিক্ত ব্যয় হোৱাৰ স্থানপ্ৰাপ্ত নহয় নেকি? আগতে আমাৰ মাজত তামোল-পাণেৰে বিয়াৰ নিমন্ত্ৰণ কৰা প্ৰথা আছিল। আজি তামোল-পাণৰ মোনাখন কঢ়িয়াই নিবলৈ অপ্ৰস্তুত হোৱা বা তাৰ প্ৰতি এটা অৱহেলাৰ ভাৱ পোষণ কৰা হোৱা বুলি বিশ্বাস কৰিবলগীয়া নহয়নে? তেনেকৈ বিয়াত চিৰা দৈ, গুড় লাৰু পিঠাৰ ব্যৱহাৰৰ দিন উকলিল। আমাৰ মাজৰ বহুতৰ সিবোৰ খাদ্য অপ্ৰিয় আৰু হজম কৰিব নোৱাৰা হ'ল। বিভিন্ন মছলা প্ৰয়োগ কৰি তৈয়াৰ কৰা, শৰীৰৰ ক্ষতিসাধন হোৱা খাদ্যবোৰহে আজিৰ প্ৰজন্মৰ প্ৰিয় খাদ্য হ'ল।

আমাৰ আয়তীসকলে গোৱা বিয়া গীতবোৰৰ প্ৰচলন লোপ পাই আহিল। বিয়া গীতবোৰৰ নান্দনিক সৌন্দৰ্য, জীপাল কৰি ৰখা বিয়া স্থলী, মানুহৰ হৃদয় মন জোকাৰি যোৱা ভাবাবেগবোৰ হেৰাই গ'ল। আধুনিক বাদ্য যন্ত্ৰৰ কোৰ্হালত শব্দ-প্ৰদূষণৰ সৃষ্টি কৰাৰ প্ৰতিহে আজিৰ প্ৰজন্মৰ উৎসাহ-উদ্দীপনা বৃদ্ধি পাই আহিল। বিয়াত উছৰ্গিত উপহাৰবোৰৰ পিনে লক্ষ্য কৰো আহক। আগতে উপহাৰৰ সামগ্ৰী আছিল টকা-পইচা, কিতাপ, বস্ত্ৰ, কাঁহ-পিতলৰ বাচন-বৰ্তন ইত্যাদি। আজি বিদেশী খেদা আমি বিদেশত প্ৰস্তুত কৰা চৌখিন বস্তু উপহাৰ দিবলৈ আমাৰ আগ্ৰহ আৰু দায়িত্ব পালন সমানে প্ৰবাহিত নহৈছেনে?

বিদেশী বহিষ্কাৰ আন্দোলনৰ নেতাসকলৰ পিনে লক্ষ্য কৰো আহক। তেওঁলোকৰ মুখ মণ্ডলত ৰখা নব্য-ষ্টাইলৰ দাড়ি-গোঁফবোৰে কাৰ সংস্কৃতি বহন কৰিছে? পোছাকবোৰে একা? আন্দোলন কৰা নেতাৰ বহুতে কোটিপতি হ'ল ক'ৰ পৰা, কেনেকৈ? আমি জাতি আৰু ভাষাৰ সংকটত ভোগাবোৰৰ বহুতে আমাৰ সতি-সন্ততিবোৰক অসমীয়া বনাইছো নে চাহাব-বিবি বনোৱাৰ প্ৰতি উৎসাহী হৈছো তালৈ লক্ষ্য কৰা হওক। শ্লোগানবোৰক শ্লো কৰা হওক। প্ৰথমে নিজৰ দোষ-ত্ৰুটিবোৰৰ সংশোধন কৰো আহক। আমাৰ মাজত কোন শ্ৰেণীৰ মানুহে মাতৃভাষাৰ অস্তিত্বত হেঙাৰ বা প্ৰতিবন্ধক বা গুপ্ত ঘাতকৰ ৰূপত থিয় দিছে তাক জৰিপ কৰাৰ ব্যৱস্থা কৰা হওক। আমাৰ মাতৃভাষাৰ প্ৰতি থাকিব লগা দায়বদ্ধতাক, আমাৰ মাজৰ গণ্যমান্য শ্ৰেণীৰ মানুহৰ ভিতৰৰ বহু মানুহে যে উপলুঙা কৰিছে, এই সত্যক অস্বীকাৰ কৰিব পৰা নাযায়। ভাষা-সাহিত্যৰ পূজাৰী শ্ৰেণীৰ বহুলোকে নিজৰ জীৱিকাৰ পথ মোকলাই, তেওঁলোকৰ সন্তানক মাতৃভাষাৰ সেৱাৰ পৰা আঁতৰাই ৰাখি কিহৰ নিদৰ্শন দেখুৱাইছে?

আমাৰ মাজৰ বহু মানুহে জাতিধ্বংসী, ভাষাধ্বংসীৰ কামত নীৰৱ ভূমিকা পালন কৰি থকা কাৰো নিশ্চয় অৱগত নোহোৱাকৈ থকা নাই। বিদেশী বস্তু নহ'লে এখন্তেক জীয়াই থাকিব নোৱাৰা আমি, বিদেশীক খেদিবলৈ আন্দোলন কৰিব লোৱাটো বিচাৰ্যৰ বিষয় হিচাপে গণ্য হোৱাৰ যোগ্য। সকলোৱে নিজৰ জাতীয় বৈশিষ্ট্যক আঁকোৱালি লোৱাটো আমাৰ দায়বদ্ধতা বুলি বিবেচিত হ'লে, বিদেশীয়ে স্থান লাভ কৰাৰ সুবিধাই মৰিব। বিদেশী বস্তু নহ'লে, জীয়াই থাকিব নোৱাৰা আমি আত্মনিৰ্ভৰশীল হ'ব পাৰিলে বিদেশী স্বয়ংক্ৰিয়ভাৱে উভতি যাবলৈ বাধ্য হ'ব বুলি আমাৰ ধাৰণা।

আমাৰ মাজত প্ৰচলিত হৈ থকা অসমীয়া মানুহৰ কাম ভাল নহয়, অসমীয়া মানুহে তৈয়াৰ কৰা বস্তু বেয়া, জাতিক আঘাত হনা এই কথাশাৰী আমি মচিবলৈ যত্ন কৰাটো আমাৰ এই মুহূৰ্তত প্ৰথম আৰু গুৰুত্বপূৰ্ণ বিষয় হিচাপে চিহ্নিত।

**কেশৱ শৰ্মা**
*ফোন : ৯৪০১৮৭৯৪০৮*



## বিল্যৈসনন্দন চ'ৰা



# তাজমহলৰ তলত মন্দিৰ

**তাজমহলৰ** ভিতৰত কি আছে? কাৰ মন্দিৰ আছে? বৰ্তমান দেছবাচীৰ কাৰণে আটাইতকৈ চিন্তা কৰিবলগীয়া কথা এইটোৱেই—তাজমহলত কি আছে? সমগ্ৰ দেছবাচীয়ে বাকী চিন্তা এৰি এই চিন্তাটো কৰিবলৈ আৰম্ভ কৰক যে তাজমহলৰ তলত কি আছে, কুতুবমিনাৰৰ তলত কি আছে! তলত মন্দিৰ-চন্দিৰ থকা যেন পালেই সেইবোৰ ভাঙি পেলাওক। ভঙাৰ সময়ত কোৰ্টৰ সহায় লওক। কোৰ্টে ক'ব ভাঙি পেলাবলৈ। সেই মতে ভাঙি পেলোৱা হওক। কোৰ্টৰ কথা নক'লে বিশ্ববাচীয়ে তালিবান বুলি ভাবিব। দেছবাচীয়ে মোটামুটি ধৰি ল'ব পাৰে যে আমাৰ দেছৰ আৰু কোনো বেলেগ সমস্যা নাই। যেনে ধৰক—মছজিদ ভাঙি ৰাম মন্দিৰ হ'ব। ৰাম মন্দিৰটো হৈ উঠাৰ লগে লগে আৰু কোনো কথাই নাই। লগালগ ৰামৰাজ্য প্ৰতিষ্ঠা হৈ যাব। ৰামে এবাৰ কিয়, দুই-তিনিবাৰলৈকে জনম ল'ব। ৰামৰাজ্য সুখ-শান্তিৰে ভৰি পৰিব। ৰামৰাজ্যৰ চুকে-কোণে সমৃদ্ধি আৰু প্ৰগতিৰ বতাহ বলিব। বজাৰত জুই জ্বলিলেও ৰামে তেওঁৰ কৃপাদৃষ্টিৰে সেই জুই নুমুৱাই পেলাব। মাৰ্কেট ডাউন হ'লে ৰামে আম্বানী-আদানীৰ কান্ধত উঠি শ্বেয়াৰ মাৰ্কেট আপ কৰি পেলাব। পাকঘৰবোৰত চুলা নজ্বলিব পাৰে, কেঁচা চবজী কেঁচাই কেঁচাই খোৱাৰ অভ্যাস প্ৰতিজন ৰামভক্তৰ মাজত গঢ়ি উঠিব। যিয়ে ৰামবিৰোধী শ্ল'গান গাব, সিয়ে 'হে ৰাম' বুলি কৈ মৰিব লাগিব। মুঠতে ৰাম মন্দিৰটো হৈ উঠিলে ৰামৰাজ্য প্ৰতিষ্ঠা হোৱাটো খাটাং।




তাজমহল খান্দি কি মন্দিৰ ওলাব সেয়া এতিয়াও খাটাং হোৱা নাই। কিন্তু দিল্লীৰ ৰাজসভাৰ সভাসদসকল গভীৰ চিন্তাত পৰিছে। এই বিষয়টোক লৈ গভীৰভাৱে আলোচনাও কৰিছে— 'কি বুলি ভাবে?'

এতিয়াৰে পৰা এই কথাটোত মাথা মাৰিবলৈ লওক। বাকী চিন্তা এৰক।

বয়-বস্তুৰ দাম ভয়ানক গতিত বাঢ়িছে। নিকিনিব। চিলিণ্ডাৰৰ দাম ১১০০ হ'ল। খৰিত ৰান্ধক। চাউলৰ দামো কুইণ্টলত বাঢ়ি গৈ আছে। ৰুটি খাওক। মিঠাতেলৰ দাম হোৱাহোৱে বাঢ়ি ডাবোল চেঞ্চুৰী কোবাই দিলে। সিজাই খাওক। ৮০ বা এশ টকাৰ তলত চবজী নাই। বাৰীৰ শাক তুলি খাওক। পেট্ৰ'ল-ডিজেলৰ দাম বাঢ়িয়ে আছে। চাইকেল চলাওক। মুঠতে পাব্লিকে যিবোৰ সমস্যাত ভুগি থকা বুলি কৈ আহিছে, সেইবোৰ কোনো সমস্যাই নহয়। সেইবোৰ সমস্যাৰ সমাধান মুখতে আছে। মূল নেছনেল সমস্যাটো হ'ল— তাজমহলৰ তলত কি আছে? তাজমহলৰ তলিখন খান্দি যদি তাৰ পৰা কেনেবাকৈ এটা মন্দিৰ উদ্ধাৰ কৰি আনিব পাৰি, তেতিয়া

ঃ কি?

ঃ নহয় মানে তাজমহলৰ তলত কিহৰ মন্দিৰ থকা বুলি ভাবে?

ঃ ৰামৰ মন্দিৰ থাকিব পাৰে।

ঃ মই কিন্তু শিৱৰ মন্দিৰ থকা বুলিহে ভাবো।

ঃ নাইবা বিষ্ণু মন্দিৰো থাকিব পাৰে।

ঃ দুৰ্গা মন্দিৰ থাকিব পাৰে।

ঃ হ'ব পাৰে।

ঃ নাইবা হনুমান মন্দিৰো থাকিব পাৰে।

ঃ যাৰেই নহওক কিয়, মন্দিৰ এটা কেনেবাকৈ ওলাই আহিলেই হয় আৰু!

ঃ মন্দিৰটো ওলাই আহিলে কি হ'ব?

ঃ কি হ'ব আৰু? পূজা-অৰ্চনা হ'ব।

ঃ তাৰ পৰা দেছবাচীৰ কি লাভ হ'ব?

ঃ ফেমিলীক লৈ তাজমহল চাবলৈ যোৱাৰ খৰচটো কমিব। আজিৰ দিনত খৰচ কমাটো ডাঙৰ কথা।

# জনজাতিসকলে সংৰক্ষিত চিন্তাধাৰা সলনি কৰিলেহে উত্তৰ-পূব আগুৱাই যাব

অগ্রদূত বাৰ্তা

**কোকৰাঝাৰ, ১৩ মে' ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ বলিষ্ঠ নেতা তথা লোকসভাৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত পি এ চাংমাৰ সোঁৱৰণত 'উত্তৰ-পূৱ ভাৰতৰ জাতি, ধৰ্ম, সংস্কৃতি আৰু ইয়াৰ বৈচিত্ৰ্যৰ পুনৰীক্ষণ' শীৰ্ষক প্ৰথম বক্তৃতা-আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰ আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে কোকৰাঝাৰৰ দেৱৰগাঁওস্থিত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত আৰম্ভ হৈছে। এই উপলক্ষে আজি আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ প্ৰথম দিনা বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে আমন্ত্ৰিত মুখ্য অতিথিৰূপে উপস্থিত থকা মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই। অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰীজনক সহযোগ আগবঢ়াই বিটিআৰৰ মুখ্য ১১ পৃষ্ঠাত চাওক

## বড়োলেণ্ড বিশ্ববিদ্যালয়ত প্ৰথম পি এ চাংমা সোঁৱৰণী আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰত পুত্ৰ কনৰাড চাংমা



# বিদ্যালয়ৰ পৰা সহকাৰী আয়ুক্তই আটক কৰিলে প্ৰধান শিক্ষকক

অগ্রদূত বাৰ্তা

**নাজিৰা, ১৩ মে' ঃ** পবিত্ৰ শিক্ষকতাৰ বৃত্তিক কেৱল ধন ঘটাৰ অৱলম্বন বুলি গ্ৰহণ কৰি নিতৌ মদ সেৱন কৰা নাজিৰা শিক্ষাখণ্ডৰ এজন প্ৰধান শিক্ষকক কালি নাজিৰা মহকুমা প্ৰশাসনৰ দণ্ডাধীশ তথা সহকাৰী আয়ুক্তই বিদ্যালয়ৰ পৰাই আটক কৰাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নামতিৰ গাহৰিচোৱা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিভুজ্যোতি গগৈ (৪৮)-এ প্ৰাৰম্ভিক গুণোৎসৱৰ দিনা নিজ বিদ্যালয়ত উপস্থিত হোৱাৰ সময়তো লাগ-বান্ধ নোহোৱা কথা কৈ ঢলং-পলংকৈ খোজ কঢ়াৰ লগতে মুখৰ উৎকট মদৰ গোন্ধ বিলাই ফুৰা অৱস্থাতে বিদ্যালয়খনত উপস্থিত হয় নাজিৰাৰ সহকাৰী আয়ুক্ত প্ৰীতম গগৈ। শিক্ষকজনৰ চূড়ান্ত মাতলামিৰ অভিযোগ পোৱাৰ সময়ত নাজিৰাৰ খণ্ড শিক্ষা বিষয়া দেৱজ্যোতি গগৈও বিদ্যালয়খনত উপস্থিত হয়। সহকাৰী আয়ুক্তই প্ৰথমে নামতিৰ স্থানীয় স্বাস্থ্যকেন্দ্ৰ আৰু পাছত শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ লৈ যোৱাৰ সময়ত চিকিৎসকৰ আগত একেই আচৰণ প্ৰদৰ্শন কৰি নিজৰ কলংকিত চৰিত্ৰ প্ৰকাশ কৰে প্ৰধান শিক্ষকজনে। উল্লেখ্য যে প্ৰধান শিক্ষকৰ এনে ভূমিকা বিদ্যালয়ৰ মাতৃগোটে দীৰ্ঘদিন ধৰি লক্ষ্য কৰি আহিছিল আৰু শিৱসাগৰ জিলাৰ উপায়ুক্তৰ হাতত এই সন্দৰ্ভত অভিযোগ পত্ৰ দাখিল কৰিছিল। এই অভিযোগৰ ভিত্তিতেই উপায়ুক্তই উপযুক্ত নজৰ ৰাখি গুণোৎসৱৰ দিনাই শিক্ষকজনক আটক কৰোৱায়। শিক্ষকজনৰ বিৰুদ্ধে বিধিগত ব্যৱস্থা কালিলৈ আৰোপ হোৱাৰ সম্ভাৱনা আছে। নাজিৰাৰ সচেতন লোক আৰু অভিভাৱক সমাজ আন আন বিদ্যালয়তো তেনে মদাহী শিক্ষকে শ্ৰেণীত অনুপস্থিত থকা, মদ খাই ছাত্ৰ-ছাত্ৰীৰ ওচৰলৈ যোৱা, মদ খাই বিদ্যালয় অনুশাসনক ভেঙুচালি কৰা এচাম শিক্ষকৰ বিৰুদ্ধে জাণ্ডুৰ খাই উঠিছে। তেনে শিক্ষককো তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

# কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয় চাৰে চাৰিলাখ টকা ধাৰ্য

**ডিফু, ১৩ মে' ঃ** সকলো জল্পনা-কল্পনাৰ ওৰ পেলাই কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ দিন ঘোষণা কৰিলে ৰাজ্যিক নিৰ্বাচন আয়োগে। আজি গুৱাহাটীত সংবাদমেল আয়োজন কৰি নিৰ্বাচনৰ আনুষ্ঠানিক দিন ঘোষণা কৰে। এই লৈ আজি ডিফু নিৰ্বাচনী জিলাৰ নিৰ্বাচনী বিষয়া তথা জিলা উপায়ুক্ত দিবাকৰ নাথে সংবাদমেলত সদৰী কৰা অনুসৰি, ৰাজ্যিক নিৰ্বাচন আয়োগে ১২ মে'ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰে। মনোনয়নপত্ৰ দাখিলৰ অন্তিম দিন ২৩ মে', দিনৰ ১১ বজাৰ পৰা তিনি বজালৈ, মনোনয়নপত্ৰ পৰীক্ষাৰ দিন ২৪ মে', মনোনয়নপত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ২৪ মে' আৰু বৈধ মনোনয়ন পত্ৰ প্ৰকাশৰ অন্তিম তাৰিখ ২৪ মে'। আঠ জুনত অনুষ্ঠিত হ'ব নিৰ্বাচন। ভোট পুনৰ গ্ৰহণৰ দিন ১০ জুন আৰু ভোট গণনা অহা ১২ জুনত অনুষ্ঠিত হ'ব বুলি জিলা নিৰ্বাচনী বিষয়াই সদৰী কৰে। নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ লগে লগে কাৰ্বি আংলং জিলাত তাৎক্ষণিকভাৱে প্ৰযোজ্য হোৱাকৈ নিৰ্বাচনী আচৰণ বিধি বলৱৎ হোৱা বুলি উপায়ুক্তই সদৰী কৰিছে। আনহাতে, প্ৰাৰ্থীসকলে মনোনয়নপত্ৰ দাখিল কৰিবলৈ ডিফু নিৰ্বাচনী জিলাৰ অন্তৰ্গত মুঠ ১০ টা পৰিষদীয় সমষ্টিৰ বাবে কৰ্তৃত্বশীল বিষয়া নিয়োগ কৰা হৈছে বুলি কয়। উক্ত বিষয়াসকলৰ সমষ্টি ক্ৰম অনুসৰি ক্ৰমে, ১০ নম্বৰ হাওৰাঘাট পৰিষদীয় সমষ্টিৰ বাবে অতিৰিক্ত উপায়ুক্ত ৰাজেশন টেৰণক উপায়ুক্ত কাৰ্যালয়ৰ ২০ নম্বৰ কোঠাত নিয়োগ কৰাৰ লগতে ১১ নম্বৰ লাংফেৰৰ বাবে অতিৰিক্ত ১১ পৃষ্ঠাত চাওক

# মৰাণত পুখুৰীত পৰি বৃদ্ধাৰ মৃত্যু

অগ্রদূত বাৰ্তা

**মৰাণ, ১৩ মে' ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত মৰাণৰ খেলমাটি গাঁওত আজি পুৱা লক্ষী বেদিয়া (৭০) নামৰ এগৰাকী বৃদ্ধাৰ পুখুৰীত পৰি মৃত্যু হয়। ঘটনাৰ পাছতে মৰাণ আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। বৃদ্ধাগৰাকীয়ে তিনি কন্যাক ইহসংসাৰত এৰি গৈছে।

# ৰূপহীহাটত শিক্ষকৰ প্ৰহাৰত গুৰুতৰভাৱে অসুস্থ ছাত্ৰী ঃ গোচৰ

অগ্রদূত বাৰ্তা

**ৰূপহীহাট, ১৩ মে' ঃ** নগাঁও জিলাৰ লাওখোৱা প্ৰাথমিক শিক্ষাখণ্ড ৰ অন্তৰ্গত কোচগাঁও হাজী আব্দুল জব্বাৰ মোক্তাব স্কুলৰ শিক্ষক ছাইফুল ইছলামৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উঠিছে। মেহফুজ মোকাৰিমা নামৰ ছাত্ৰীগৰাকীক কিছুদিন পূৰ্বে প্ৰহাৰ কৰাৰ অভিযোগ উঠিছে প্ৰধান শিক্ষক ইছলামৰ বিৰুদ্ধে। ইতিমধ্যে ৰূপহীহাট আৰক্ষীৰ থানাত শিক্ষক ইছলামৰ বিৰুদ্ধে অসুস্থ ছাত্ৰীগৰাকীৰ পৰিয়ালে এজাহাৰ দাখিল কৰিছে। সম্প্ৰতি গুৰুতৰভাৱে অসুস্থ ছাত্ৰীগৰাকীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা বুলি ছাত্ৰীগৰাকীৰ মাতৃয়ে প্ৰকাশ কৰিছে। দিন বাগৰাৰ লগে লগে অতি দৰিদ্ৰ ছাত্ৰীগৰাকীৰ স্বাস্থ্যৰ চূড়ান্ত অৱনতি ঘটিছে। ইপিনে, ভূক্তভোগী ছাত্ৰীগৰাকীৰ পৰিয়ালক একাংশ সতীৰ্থ শিক্ষকৰ সহযোগত বিষয়টো মীমংসাৰ বাবে তীব্ৰ চাপ সৃষ্টি কৰাৰ গুৰুতৰ অভিযোগ তুলিছে ছাত্ৰীগৰাকীৰ পৰিয়ালে। মাত্ৰ ৩০ হেজাৰ টকাৰ বিনিময়ত আহত ছাত্ৰীগৰাকীৰ পিতৃৰ পৰা বিভিন্ন ধৰণে হেঁচা প্ৰয়োগ কৰি মীমাংসা পত্ৰত চহী লোৱাৰ অভিযোগ উত্থাপিত হৈছে। আনহাতে, শিক্ষা বিভাগে গুণোৎসৱ আয়োজন কৰাৰ সময়ত আজি নগাঁৱৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াই স্কুলখনত উপস্থিত হৈ ঘটনাটোৰ বুজ লয়। বিষয়াজনৰ সন্মুখতেই শিক্ষকজনে ছাত্ৰীগৰাকীক বেত্ৰাঘাত কৰা কাণ্ড স্বীকাৰ কৰে। শিক্ষা বিষয়াজনে 'চেকনিৰ আগত বিদ্যা প্ৰথা' নিষিদ্ধ কৰা বুলি প্ৰকাশ কৰি জনায় যে এনে কাণ্ড এক অপৰাধ। আনপিনে ছাত্ৰীগৰাকীৰ পৰিয়ালে দাখিল কৰা এজাহাৰ অনুসৰি গোচৰ ৰুজু কৰাৰ ক্ষেত্ৰত হোহোকা-পিছলা নীতি লোৱা ৰূপহীহাটৰ আৰক্ষীয়ে আজি গোচৰ ৰুজু কৰিছে যদিও অদ্যপিও অভিযুক্ত শিক্ষকজনক গ্ৰেপ্তাৰ কৰা নাই।

# নগাঁৱৰ নৱৰূপ জাতীয় বিদ্যাপীঠত 'জনস্বাস্থ্য আৰু অন্ধবিশ্বাস' শীৰ্ষক বক্তৃতানুষ্ঠান

বিশেষ সংবাদদাতা

**নগাঁও, ১৩ মে' ঃ** ইলোৱা বিজ্ঞান মঞ্চৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি নগাঁও চহৰৰ নৱৰূপ জাতীয় বিদ্যাপীঠত ইলোৱা বিজ্ঞান মঞ্চ নগাঁও শাখাৰ উদ্যোগত এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। 'জনস্বাস্থ্য আৰু অন্ধবিশ্বাস' শীৰ্ষক বিষয়বস্তুক লৈ অৱসৰপ্ৰাপ্ত অধ্যাপক গুণ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত বক্তৃতানুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে চিকিৎসক ডাঃ অঞ্জনজ্যোতি শইকীয়াই। ডাঃ শইকীয়াই আলোচনাৰ বিষয়বস্তুৰ ওপৰত নিজৰ বক্তব্য দাঙি ধৰি কয় যে ছাত্ৰীসকলৰ মাহেকীয়াৰ লগত হৰমনৰহে সম্পৰ্ক, এই ক্ষেত্ৰত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ প্ৰভাৱ থাকিব নোৱাৰে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত অধ্যাপক অমৰেন্দ্ৰ শৰ্মাই ইলোৱা বিজ্ঞান মঞ্চৰ প্ৰতিষ্ঠা, লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে বক্তব্য দাঙি ধৰে। ইয়াৰ উপৰি সমাজত প্ৰচলিত কেতবোৰ অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ ফলত কি দৰে সমাজখন ক্ষতিগ্ৰস্ত হৈছে তাৰো এক চমু অৱলোকন তুলি ধৰে। বক্তৃতানুষ্ঠান মুকলি কৰে জ্যেষ্ঠ শিক্ষক নাৰায়ণ বিশ্বাসে। উল্লেখ্য যে বক্তৃতানুষ্ঠানত অংশগ্ৰহণ কৰা নৱৰূপ জাতীয় বিদ্যাপীঠৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ ভিতৰত মনালি শইকীয়া আৰু অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী সুনয়না শ্বেখে বিষয়বস্তুৰ ওপৰত চমু বক্তব্য দাঙি ধৰাৰ লগতে শিক্ষাৰ্থীসকলে নিজৰ নিজৰ প্ৰশ্ন উত্থাপন কৰি মুখ্য অতিথিৰ পৰা সমাধান লাভ কৰিবলৈ সক্ষম হয়।

## কংগ্ৰেছৰ সাধাৰণ সম্পাদকসহ ৮৪২ জনৰ বিজেপিত যোগদান

# পাহাৰীয়া অঞ্চলৰ উন্নয়নক লৈ সচেষ্ট চৰকাৰ ঃ কলিতা

**ডিফু, ১৩ মে' ঃ** প্ৰদেশ কংগ্ৰেছৰ সম্পাদক ডাঃ মংবে ৰংপিসহ বিভিন্ন ৰাজনৈতিক দলৰ প্ৰায় আঠ শতাধিক কৰ্মীয়ে আজি ডিফুত শাসনাধিষ্ঠ দল বিজেপিত যোগদান কৰে। অহা আঠ জুনত অনুষ্ঠিত হ'বলগীয়া কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনক কেন্দ্ৰ কৰি ইতিমধ্যে শাসকীয় দল বিজেপিয়ে ব্যাপক তৎপৰতা আৰম্ভ কৰা পৰিলক্ষিত হৈছে। নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পাছতেই দুদিনীয়া ভ্ৰমণসূচীৰে কাৰ্বি আংলং জিলাত উপস্থিত হৈছে ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা। সভাপতি কলিতাই আজি ডিফু আৰু বোকাজানত দুখন দলীয় সভাত অংশগ্ৰহণ কৰাৰ বিপৰীতে কাইলৈ হাওৰাঘাট আৰু পশ্চিম কাৰ্বি আংলং জিলাত দুখনকৈ দলীয় সভাত অংশগ্ৰহণ কৰিব। আজি ডিফুত দলীয় সভাত অংশগ্ৰহণ কৰি সভাপতি কলিতাই কয়, 'তিনিটা ইঞ্জিনৰ দিল্লী, দিছপুৰ আৰু ডিফুত বিজেপিৰ নেতৃত্বত ব্যাপক উন্নয়ন হোৱাৰ বাবেই দলটোৰ প্ৰতি ৰাইজৰ আস্থা বৃদ্ধি পাইছে।' পাহাৰীয়া জিলাখনত বিগত সময়ছোৱাত ভালেখিনি উন্নয়নমূলক কাম-কাজ হোৱা বুলি মন্তব্য কৰি তেওঁ কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা পাহাৰীয়া অঞ্চলৰ উন্নয়নক লৈ সচেষ্ট। কাৰ্বি আংলঙৰ উন্নয়নক মুখ্যমন্ত্ৰীয়ে এক মিছন হিচাপে লোৱা বুলি উল্লেখ কৰি যোৱা পাঁচটা বছৰত সকলো জাতি-জনগোষ্ঠীৰ সম বিকাশ আৰু সম উন্নয়নৰ বাবে বিজেপি চৰকাৰে কাম কৰি অহা বুলি তেওঁ কয়। কৰ'নাৰ সংকটৰ সময়ত চৰকাৰখনে ১১ পৃষ্ঠাত চাওক

# সদৌ চুতীয়া জাতি সন্মিলনৰ প্ৰধান সম্পাদক হৰেণ চুতীয়াৰ বিয়োগ



অগ্রদূত বাৰ্তা

**বিহপুৰীয়া, ১৩ মে' ঃ** সদৌ চুতীয়া জাতি সন্মিলনৰ প্ৰধান সম্পাদক হৰেণ চুতীয়া (৬৩)ৰ যোৱা নিশা মৃত্যু হয়। অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি ৰূপেও কাৰ্যনিৰ্বাহ ৰখা চুতীয়াৰ মৃত্যুত শোক ঘোষণা কৰিছে অসম জাতীয় পৰিষদে। পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই এক বিবৃতিত চুতীয়াৰ মৃত্যুত জাতীয় পৰিষদৰ প্ৰতিটো কাৰ্যালয়তে দলীয় পতাকা তিনিদিনৰ বাবে অৰ্ধনমিত কৰি ৰখাৰ লগতে এইকেইদিন কোনো ধৰণৰ বিনোদনমূলক কাৰ্যসূচী গ্ৰহণ কৰা নহয় বুলি উল্লেখ কৰে। উল্লেখ্য যে বিহপুৰীয়া মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা উপাধ্যক্ষ চুতীয়াই চিকিৎসাৰ বাবে গুৱাহাটীলৈ গৈ তেওঁৰ বৰ জীয়ৰী তথা নলবাৰী জিলাৰ তথ্য আৰু জনসংযোগ বিভাগ বিষয়া চুম্পী চুতীয়াৰ গৃহত নিশাৰ আহাৰ খাই শোৱাৰ পাছত মৃত্যু হয়। মধুমেহ ৰোগত আক্ৰান্ত হৈ মৃত্যুক আঁকোৱালি লোৱা চুতীয়াৰ নশ্বৰদেহ আজি দুপৰীয়া নলবাৰীৰ পৰা বিহপুৰীয়াৰ বাসগৃহ আহি পোৱাৰ লগে লগে বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁৰ নশ্বৰদেহ বাসগৃহৰ পৰা বিহপুৰীয়া শাখা সাহিত্য সভাৰ কাৰ্যালয় চৌহদলৈ নি অসম সাহিত্য সভাৰ পতাকাৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ১১ পৃষ্ঠাত চাওক

# পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষামন্ত্ৰী ডাঃ পেগু

অগ্রদূত বাৰ্তা

**দুনী, ১৩ মে' ঃ** প্ৰথম পৰ্যায়ৰ গুণোৎসৱ ২০২২ৰ স'তে সংগতি ৰাখি কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু দৰঙৰ পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ক উপস্থিত হয়। শিক্ষামন্ত্ৰী ডাঃ পেগুক সংগ দিয়ে স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। মন্ত্ৰী ডাঃ পেগুৱে বিদ্যালয়ক উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীৰ লগত শৈক্ষিক দিশৰ ওপৰত মত বিনিময় কৰাৰ লগতে বিদ্যালয়খনৰ অভাৱ-অভিযোগৰ বুজ লয়। ১৪০ গৰাকী কৃষক ছহিদৰ সমাধিস্থান পথৰুঘাটৰ গাতে লাগি থকা এই বিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ তেওঁ আশ্বাস দিয়ে। ইপিনে, মন্ত্ৰী ডাঃ পেগু বিদ্যালয়ত উপস্থিত হোৱাৰ পাছতে পাথৰিঘাট আঞ্চলিক ছাত্ৰ সন্থাই অঞ্চলটোৰ শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনি শক্তিশালী কৰা আৰু ঐতিহ্যমণ্ডিত পথৰুঘাটৰ অঞ্চলৰ উন্নয়নকে ধৰি কে'বাটাও দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰদান কৰে।

# মৰিয়নিত আন্তৰ্জাতিক নাৰ্ছ দিৱস পালন

অগ্রদূত বাৰ্তা

**মৰিয়নি, ১৩ মে' ঃ** মৰিয়নিৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কালি আন্তৰ্জাতিক নাৰ্ছ দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে স্বাস্থ্য কেন্দ্ৰৰ চৌহদত অনুষ্ঠিত আন্তঃৰ্জাতিক নাৰ্ছ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে 'লেডী উইথ দ্য লেম্প' ফ্ল'ৰেন্স নাইটিংগেলৰ ওপৰত সাৰুৱা বক্তব্য প্ৰদান কৰে অৱসৰপ্ৰাপ্ত স্বাস্থ্য শিক্ষাকৰ্মী অৱনী বৰাই। আনহাতে, শিক্ষাবিদ- সমাজকৰ্মী নেকিবুল ইছলামে স্বাস্থ্য সেৱিকাসকলৰ উৎসৰ্গিত সেৱাই সমাজ উত্তৰণত এক সাৱলীল ভূমিকা গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি এই সেৱাৰ দ্বাৰাই ভেল্লৰৰ খ্ৰীষ্টিয়ান মেডিকেল কলেজৰ প্ৰতিষ্ঠাপক ইদা স্কুডাৰৰ প্ৰসংগও মনলে আহে বুলি উল্লেখ কৰে। ইয়াৰ পূৰ্বে মৰিয়নি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ জ্যেষ্ঠ চিকিৎসা বিষয়া ডাঃ ৰূপজ্যোতি ফুকনে কেক্ কাটি কাৰ্যসূচী মুকলি কৰে। আনহাতে, জ্যেষ্ঠা স্বাস্থ্য সেৱিকা সুমিত্ৰা দলেই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানটোত বিউটি মাৰিয়াই শপত বাক্য পাঠ কৰোৱায়। বন সংগীতা বৰাই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত বিশিষ্ট অতিথিবৃন্দৰ লগতে জ্যেষ্ঠা স্বাস্থ্য সেৱিকা নিৰুপমা হাজৰিকা, সহকাৰী খণ্ড আঁচনি বিষয়া গগন কলিতা, জ্যেষ্ঠ স্বাস্থ্যকৰ্মী ভানু মজুমদাৰ, অজিত বৰা, মৰিয়নি পৌৰসভাৰ ছয় নম্বৰ ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ কস্তুৰী আগৰৱালা আদিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।


ADVERTISEMENT NOTICE

**THE GAUHATI HIGH COURT AT GUWAHATI**
(The High Court of Assam, Nagaland, Mizoram and Arunachal Pradesh)

Online applications are invited from eligible candidates (w.e.f. 23/05/2022 to 07/06/2022) for filling up of **13 (thirteen)** vacant posts in connection with direct recruitment to **Grade-I of Assam Judicial Service**. Details are available in the official website of the High Court at **www.ghconline.gov.in**.

Sd/-
Registrar (Vigilance)-cum-
In-Charge, Recruitment Cell
Gauhati High Court,Guwahati-1

Janasanyog/D/3327/22


# যোৰহাটত আপৰ শক্তি প্ৰদৰ্শন গুজৰাট মডেল তলি ফুটা কলহ সঁচা দিল্লী মডেলে পৰিৱৰ্তন কৰিব দেশ ঃ লক্ষ্মীকান্ত ডুবে

অগ্রদূত বাৰ্তা

**চিনামৰা, ১৩ মে' ঃ** 'বিগত আঠ বছৰে দেশক এক ভুৱা উন্নয়নৰ মডেলৰ নামত চূড়ান্ত প্ৰতাৰণা কৰা হ'ল। জনগণে বিগত আঠ বছৰে পালে কেৱল ভুৱা প্ৰতিশ্ৰুতি। যি গুজৰাট মডেলৰ উন্নয়ন দেখুওৱা হ'ল সি যে প্ৰকৃততে এক তলি ফুটা কলহ সেই কথা এতিয়া ভাৰতবৰ্ষৰ প্ৰতিজন নাগৰিকে বুজি উঠিছে। সেয়ে এতিয়াৰ পৰা ভুৱা উন্নয়নৰ মডেল নহয় দিল্লীৰ সঁচা উন্নয়নৰ মডেলে দেশ পৰিৱৰ্তন কৰিব।' এই মন্তব্য আম আদমী পাৰ্টিৰ ৰাজ্যিক যুটীয়া সমন্বয়ক লক্ষ্মীকান্ত ডুবে। আজি যোৰহাটত আম আদমী পাৰ্টিৰ জিলা কাৰ্যালয় উন্মোচনী অনুষ্ঠানত অংশ লৈ ডুবে কয় যে সকলো দল-সংগঠনে দেশক লুটিপুটি খোৱাৰ পাছত এতিয়া একমাত্ৰ আপেই জনসাধাৰণক পৰিত্ৰাণ দিব পাৰিব। আজি কাৰ্যালয় উন্মোচনৰ পূৰ্বে যোৰহাট ষ্টেডিয়ামৰ পৰা যোৰহাটৰ মাজেৰে আম আদমী পাৰ্টিয়ে এক সমদল উলিয়ায়। আনহাতে, ষ্টেডিয়ামতে বিভিন্ন দলৰ পৰা আপত অৰ্ধশতাধিক পুৰুষ-মহিলাই যোগদান কৰে। জিলা কাৰ্যালয়ৰ দ্বাৰ উন্মোচন কৰে লক্ষ্মীকান্ত ডুবে আৰু জিলা সমন্বয়ক ভৈৰৱ গগৈয়ে। ইয়াৰ পাছতে হোৱা সভাত সভাপতিত্ব কৰে সমন্বয়ক ভৈৰৱ গগৈয়ে। জিলা সম্পাদক ধ্ৰুৱজ্যোতি মহন্তই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত দিব্যজ্যোতি শৰ্মা, নাওচিন ৰহমান, মহেশ্বৰ নেওগ, দিলীপ বৰা, গৌতম মহন্ত, মানস শইকীয়া আদিয়ে অংশগ্ৰহণ কৰে।

# মৰিগাঁৱত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস

অগ্রদূত বাৰ্তা

**মৰিগাঁও, ১৩ মে' ঃ** সদৌ অসম ছাত্ৰ সন্থাই কেন্দ্ৰীয়ভাৱে বিষ্ণু ৰাভা দিৱস এইবাৰ মৰিগাঁও আছুৰ উদ্যোগত আৰু সদৰ আছুৰ লগতে মৰিগাঁওবাসী ৰাইজৰ সহযোগত মৰিগাঁওত ব্যাপক কাৰ্যসূচীৰে অনুষ্ঠিত কৰিব। মৰিগাঁও স্কুল খেলপথাৰত অহা ১৯ জুনৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত হ'বলগীয়া বিষ্ণু ৰাভা দিৱসৰ সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাই কেন্দ্ৰীয়ভাৱে বিষ্ণু ৰাভা দিৱসটি মৰিগাঁও জিলাত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱাত সুখী হৈছো বুলি মত প্ৰকাশ কৰি মৰিগাঁও আছুৰ সভাপতি দিপুল কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক ১১ পৃষ্ঠাত চাওক

# বিহু, লোকবাদ্য নৃত্যৰে উজলিল বৰভাগৰ ছহিদ মুকুন্দ কাকতি বিদ্যাপীঠ

অগ্রদূত বাৰ্তা

**বৰভাগ, ১৩ মে' ঃ** অসমীয়া জাতিৰ বাপতি সাহোন ৰঙালী বিহুটি আজি দিনজোৱা কাৰ্যসূচীৰে পালন কৰে নলবাৰী জিলাৰ বৰভাগৰ ৰণাকুছিস্থিত শ্বহীদ মুকুন্দ কাকতি বিদ্যাপীঠ হাইস্কুলত। উল্লেখ্য যে বিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ লগত সংগতি ৰাখি বিদ্যালয় প্ৰাংগণত শ্ৰীশ্ৰীশ্যামৰায় সাংস্কৃতিক দলৰ শিল্পীসকলে পৰিবেশন কৰা লোককৃষ্টি উপভোগ কৰি আপ্লুত হৈ পৰে শ্ৰোতা, দৰ্শক ৰাইজ। বৰভাগ আঞ্চলিক পঞ্চায়তৰ সভাপতি মহেন্দ্ৰ নাথ শৰ্মাই উদ্বোধন কৰা উক্ত কাৰ্যসূচীৰ পৰিচালনা কৰে বিদ্যালয়ৰ শিক্ষক মুকুল লহকৰে। আনহাতে, বিদ্যালয়ৰ বিভিন্ন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্য আদি পৰিবেশন কৰে। বিদ্যালয়খনত সৃষ্টি হোৱা এক উৎসৱ মুখৰ পৰিৱেশে সকলোকে আপ্লুত কৰি তোলা পৰিলক্ষিত হয়। আনহাতে, বিদ্যালয়ৰ প্ৰধান শিক্ষক বিকুল চন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত নৱাগত আদৰণি সভাত নৱাগত শিক্ষাৰ্থীসকলক আদৰণি জনোৱা হয়।

# ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ পৰা মূল পথৰ সংযোগী পথ পুনৰ নিৰ্মাণৰ দাবী

অগ্রদূত বাৰ্তা

**ৰঙিয়া, ১৩ মে' ঃ** ৰঙিয়া মহাবিদ্যালয় বিভিন্ন সমস্যাত ভাৰাক্ৰান্ত হৈছে। এই মহাবিদ্যালয়ত ৰঙিয়াৰ উপৰি নলবাৰী, বাগ্‌সা, তামুলপুৰ আৰু দৰং জিলাৰ বহু ছাত্ৰ-ছাত্ৰী শিক্ষা গ্ৰহণৰ বাবে ঢাপলি মেলে। প্ৰতি বছৰে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাইছে যদিও কিছুমান সমস্যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে জীয়াতু ভুগিবলগীয়া হৈছে। বিশেষকৈ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ নিবাসৰ পৰা মূল পথৰ সংযোগী (মহাবিদ্যালয়ৰ পিছফালৰ) পথটো বছৰৰ অধিকাংশ সময়তে বোকাপানীৰে ভৰি থাকে। উক্ত পথছোৱা বিধ্বস্ত হোৱাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই পথটোৰে যাতায়াত কৰোতে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। উক্ত পথছোৱা মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ সুবিধাৰ্থে অনতিপলমে পকীকৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ লগতে স্থানীয় ৰাইজৰ যাতায়াত সুগম কৰিবলৈ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাই দাবী উত্থাপন কৰিছে। এই ক্ষেত্ৰত খৰতকীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈও ছাত্ৰ সন্থাৰ তৰফৰ পৰা ৰঙিয়া লোকনিৰ্মাণ পথ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাক এখন স্মাৰকপত্ৰ প্ৰদান কৰা হয়। কাৰ্যবাহী অভিযন্তা দীপক বৈশ্যই ছাত্ৰ সন্থাৰ প্ৰতিনিধিবৰ্গৰ স'তে এক আলোচনাত মিলিত হোৱাত তেওঁ অতি শীঘ্ৰে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়ে। মহাবিদ্যালয়খনৰ ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলটোক নেতৃত্ব দিয়ে সাধাৰণ সম্পাদক ধীৰাজ কলিতাই।


Tender No. DJD.02/2019/Ten/2/701

**NOTICE INVITING e-TENDER**

The Superintendent, District Jail, Dhubri invites e-Tenders in two Bid System (Technical Bid & Financial Bid) affixing Court Fee Stamp of Rs.8.25 from the Supplier / Firms / Dealer for supply of dietary and non-dietary articles (i.e. Group-A, B, C, D & E) required District Jail, Dhubri for the Financial Year 2022-23 through the e-Tender portal on or before **26-05-2022 up-to 4.00 PM.**

The tender documents/Bid indicating the details of specification of the dietary and non-dietary articles, term and condition etc. can be downloaded from the Govt. website

The participating bidders should have to deposit non-refundable Rs.500/- through online portal as cost of tender processing fee.

The participating bidders should have valid Digital Signature Certificate of Class-II (minimum) & have to register in the portal

Last Date & Time for online submission Tenders **26-05-2022 up-to 4.00 PM**

Last Date & Time for submission of Hard Copy of Tender **26-05-2022 up-to 4.00 PM**

Date & Time of opening e-Tenders **27-05-2022 at 11.00 AM**

Sd/-
Superintendent,
District Jail, Dhubri

Janasanyog/C/2477/22



## দেশত দৈনিক সংক্ৰমণ সামান্য হ্ৰাস, মৃত্যুও কমিল

**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৩ মে’ ঃ** যোৱা ২৪ ঘণ্টাত ভাৰতত ক’ভিডৰ দৈনিক সংক্ৰমণ আৰু মৃত্যু হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বিগত এদিনত দেশৰ বিভিন্ন ৰাজ্যত ২,৮৪১ জন লোক কৰ’নাত সংক্ৰমিত হ’ল। বৰ্তমানে দেশত ১৮,৬০৪ জন সক্ৰিয় ক’ভিড ৰোগী আছে। কালিৰ তুলনাত আজি দেশত সক্ৰিয় ৰোগীৰ সংখ্যাও হ্ৰাস পালে। আনহাতে, বিগত ২৪ ঘণ্টাত পুনৰ নজন ক’ভিড ৰোগীৰ মৃত্যু হ’ল।

## কৰ’নাত প্ৰথম মৃত্যু উত্তৰ কোৰিয়াত, মাস্ক পিন্ধিলে কীমে



**নিউজ ব্যুৰ’, পিয়ংইয়ং, ১৩ মে’ ঃ** ক’ভিড অতিমাৰীৰ আগমনৰ আঢ়ৈ বছৰ অতিক্ৰম হয়। বিগত আঢ়ৈ বছৰত সমগ্ৰ বিশ্ববাসীয়ে ক’ভিড প্ৰতিৰোধৰ বাবে মাস্ক পৰিধানৰ লগতে অন্যান্য ক’ভিড বিধি পালন কৰিবলৈ বাধ্য হৈছিল। কিন্তু এই সময়ছোৱাত উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনে এবাৰো মাস্ক পৰিধান কৰাৰ প্ৰত্যক্ষ হোৱা নাছিল। কিন্তু অৱশেষত মাস্ক পৰিধান কৰিলে এইজন একনায়ক শাসকে। কালি প্ৰথমবাৰলৈ উত্তৰ কোৰিয়াত কৰ’নাৰ সংক্ৰমণৰ কথা স্বীকাৰ কৰিছিল দেশখনৰ চৰকাৰী সংবাদ মাধ্যম কে চি এন এয়ে। ৰাজধানী পিয়ংইয়ঙত এজন ব্যক্তিৰ শৰীৰত কৰ’নাৰ অ’মিক্ৰন প্ৰজাতিৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল। দেশত ক’ভিড সংক্ৰমণ হোৱাৰ কথা চৰকাৰী সংবাদ মাধ্যমে স্বীকাৰ কৰাৰ পাছতে মাস্ক পৰিধান কৰিলে কীমে। ইফালে, বৰ্তমানলৈকে অজানা জ্বৰত ছজন লোকৰ দেশখনত মৃত্যু হোৱা বুলি এক বাতৰি প্ৰকাশ পাইছে। অৱশ্যে উত্তৰ কোৰিয়াই আনুষ্ঠানিকভাৱে স্বীকাৰ কৰা অনুসৰি, বৰ্তমানলৈকে কৰ’নাত আক্ৰান্ত হোৱাৰ ফলত দেশখনত এজন লোকৰ মৃত্যু হৈছে।

## সুব্ৰত ৰায়ৰ গ্ৰেপ্তাৰত স্থগিতাদেশ ন্যায়ালয়ৰ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৩ মে’ ঃ** ছাহাৰা ইণ্ডিয়াৰ মুৰব্বী সুব্ৰত ৰায়ৰ বিৰুদ্ধে আজি পাটনা উচ্চ ন্যায়ালয়ে জাৰি কৰা গ্ৰেপ্তাৰী পৰোৱানাত স্থগিতাদেশ জাৰি কৰিলে উচ্চতম ন্যায়ালয়ে। সৰ্বোচ্চ ন্যায়ালয়ৰ হস্তক্ষেপৰ ফলত ন্যায়ালয়ে পৰৱৰ্তী নিৰ্দেশ জাৰি নকৰালৈকে ৰায়ক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব নোৱাৰিব। উল্লেখ্য যে বিনিয়োগকাৰীসকলক ধন ওভতাই নিদিয়াৰ গোচৰত ছাহাৰা ইণ্ডিয়াৰ স্বত্বাধিকাৰী ৰায়ৰ বিৰুদ্ধে আজি পাটনা উচ্চ ন্যায়ালয়ে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। এই গোচৰৰ শুনানিত পাটনা উচ্চ ন্যায়ালয়ত আজিও ৰায় উপস্থিত নথকাত ন্যায়াধীশে তেওঁৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। উচ্চ ন্যায়ালয়ৰ এই নিৰ্দেশনাৰ পাছতে ৰায়ৰ অধিবক্তাই উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয় আৰু ন্যায়াধীশ এ এম খানউইলকৰৰ বিচাৰপীঠে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত স্থগিতাদেশ জাৰি কৰে।

## চত্তিছগড়ত হেলিকপ্টাৰ দুৰ্ঘটনাত দুই বৈমানিকৰ মৃত্যু



**নিউজ ব্যুৰ’, ৰাইপুৰ, ১৩ মে’ ঃ** যোৱা নিশা চত্তিছগড়ৰ ৰাইপুৰত মাজ আকাশত এখন হেলিকপ্টাৰে উৰণ আৰম্ভ কৰাৰ কিছু সময়ৰ পাছতে দুৰ্ঘটনাত ভূপতিত হৈছিল। এই ঘটনাত দুই বৈমানিকৰ মৃত্যু হ’ল। প্ৰকাশিত বাতৰি অনুসৰি ৰাইপুৰৰ স্বামী বিবেকানন্দ বিমানকোঠত চত্তিছগড় চৰকাৰৰ এখন হেলিকপ্টাৰে উৰণ আৰম্ভ কৰাৰ পাছতে ভূপতিত হৈছিল। হেলিকপ্টাৰখনত হঠাতে সংঘটিত হোৱা অগ্নিকাণ্ডৰ ঘটনাত হেলিকপ্টাৰ চালনাৰ অনুশীলনত অংশ লোৱা দুজন বৈমানিকৰ মৃত্যু হয়।

## কাশ্মীৰত দুদিনত সন্ত্ৰাসৰ বলি দুজন, কাশ্মীৰী পণ্ডিতৰ পাছত প্ৰাণহানি আৰক্ষীৰ



**নিউজ ব্যুৰ’, শ্ৰীনগৰ, ১৩ মে’ ঃ** কালি কাশ্মীৰৰ বদগাঁৱত চৰকাৰী কাৰ্যালয়ত প্ৰৱেশ কৰি সন্ত্ৰাসবাদীয়ে এজন কাশ্মীৰী পণ্ডিতক হত্যা কৰাৰ পাছত আজি পুলৱামাত সন্ত্ৰাসবাদীৰ গুলিত প্ৰাণ হেৰুৱালে এজন আৰক্ষীয়ে। মৃত আৰক্ষীজনৰ নাম ৰিয়াজ আহমেদ থ’কাৰ। গুৰুতৰভাৱে আহত অৱস্থাত ৰিয়াজক চিকিৎসালয়লৈ নিয়া হৈছিল যদিও চিকিৎসালয়ত তেওঁ শেষ নিশ্বাস কৰে। কালি সন্ত্ৰাসবাদীৰ গুলিত প্ৰাণ হেৰুৱাইছিল ৰাহুল ভাট নামৰ কাশ্মীৰী পণ্ডিত এজনে। এই ঘটনাত চাঞ্চল্য মাৰ নৌযাওঁতে পুনৰ কাশ্মীৰ উপত্যকাত প্ৰাণ হেৰুৱালে আৰক্ষীয়ে।

### ৰাছিয়াৰ পৰা তেল আৰু গেছ ক্ৰয় বন্ধ কৰিলে আমেৰিকাসহ পশ্চিম বিশ্বৰ বিভিন্ন দেশে

# নিষেধাজ্ঞাই ৰাছিয়াতকৈ ইউৰোপক অধিক ক্ষতিগ্ৰস্ত কৰিব ঃ দাবী পুটিনৰ

**নিউজ ব্যুৰ’ মস্কো, ১৩ মে’ ঃ** যোৱা ২৪ ফেব্ৰুৱাৰীত ৰাছিয়াই প্ৰতিবেশী ৰাষ্ট্ৰ ইউক্ৰেইনত আক্ৰমণ আৰম্ভ কৰাৰ পাছৰে পৰা আমেৰিকাসহ পশ্চিম বিশ্বৰ বিভিন্ন দেশে মস্কোৰ বিৰুদ্ধে একাধিক নিষেধাজ্ঞা আৰোপ কৰিছে। ইতিমধ্যে ইউক্ৰেইনেও দেশখনৰ মাজেদি ইউৰোপলৈ গেছৰ সৰবৰাহ বন্ধ কৰি দিছে। ইউৰোপৰ কে’বাখনো দেশে ৰাছিয়াৰ পৰা তেল আৰু গেছ ক্ৰয় বন্ধ কৰিছে। পশ্চিম বিশ্বৰ এনে মস্কোবিৰোধী নিষেধাজ্ঞাৰ প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে আজি দাবী কৰি কয় যে এনে নিষেধাজ্ঞাৰ ফলত ৰাছিয়া নহয়, পশ্চিম বিশ্বহে সৰ্বাধিক প্ৰভাৱিত হ’ব। পুটিনে কয় যে ইউক্ৰেইনত ৰাছিয়াই গ্ৰহণ কৰা পদক্ষেপৰ পাছত পশ্চিমৰ দেশসমূহে মস্কোৰ বিৰুদ্ধে যি



ঐতিহাসিক নিষেধাজ্ঞা আৰোপ কৰিছে, ইয়াৰ ফলত স্বয়ং পশ্চিমৰ দেশসমূহহে সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে। আৰ্থিক বিষয়ক এখন বৈঠকত অংশ লোৱাৰ সময়ত মস্কোত ৰুছ ৰাষ্ট্ৰপতিয়ে এইদৰে কয়, ‘কে’বাখনো দেশত পূৰ্বৰে পৰা ক্ষুধাৰ সমস্যা আছে আৰু ৰাছিয়াৰ বিৰুদ্ধে যদিহে নিষেধাজ্ঞা অব্যাহত ৰখা হয় তেন্তে ইউৰোপীয় সংঘই ইয়াৰ পৰিণতি ভুগিব লাগিব। ইয়াৰ ফলত ইউৰোপৰ পৰিস্থিতি জটিল হ’ব। আমাৰ বিৰুদ্ধে আৰোপ কৰা নিষেধাজ্ঞাই প্ৰকৃততে পশ্চিম বিশ্বৰ ক্ষতি কৰিব।’

## বিস্ফোৰণত কঁপি উঠিল কৰাচীৰ বজাৰ অঞ্চল, নিহত এজন



**নিউজ ব্যুৰ’ কৰাচী, ১৩ মে’ ঃ যোৱা নিশা পাকিস্তানৰ ব্যস্ত চহৰ কৰাচীত বোমা বিস্ফোৰণৰ ঘটনাত এজন লোক নিহত হোৱাৰ লগতে আন ১৩ জন লোক গুৰুতৰভাৱে আহত হ’ল। ইছলামাবাদত সন্ত্ৰাসবাদীৰ আত্মঘাতী আক্ৰমণত তিনিজন চীনা নাগৰিকসহ চাৰিজন লোক নিহত হোৱাৰ ঘটনাৰ দুসপ্তাহ পাছত এইবাৰ কৰাচীত সন্ত্ৰাসবাদীয়ে বৃহৎ আক্ৰমণ সংঘটিত কৰিলে। কৰাচীৰ ব্যস্ততম ছাদ্দাৰ বজাৰ অঞ্চলত বৃহৎ বিস্ফোৰণটো এখন চাইকেলত থকা বোমাৰ জৰিয়তে সংঘটিত কৰা হৈছিল। আৰক্ষীৰ তথ্য অনুসৰি মৃতকৰ সংখ্যা অধিক বৃদ্ধিৰ শংকা আছে।**

## সেনা প্ৰধানৰ দায়িত্ব লাভৰ পাছত প্ৰথম লাডাখ ভ্ৰমণ মনোজ পাণ্ডেৰ



**নিউজ ব্যুৰ’, শ্ৰীনগৰ, ১৩ মে’ ঃ** তিনিদিনীয়া লাডাখ খণ্ড ভ্ৰমণৰ কাৰ্যসূচীৰে ভাৰতৰ সেনাপ্ৰধান জেনেৰেল মনোজ পাণ্ডেয়ে বৃহস্পতিবাৰে লেহত উপস্থিত হৈছিল। সেনাপ্ৰধানে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ পৰিস্থিতিৰ খতিয়ান ল’ব। উল্লেখ্য যে সেনাপ্ৰধান হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছত পাণ্ডেৰ এইটোৱে হৈছে প্ৰথম লাডাখ ভ্ৰমণ। সেনা বাহিনীয়ে আজি এক বিবৃতিত এই কথা প্ৰকাশ কৰি কয়, ‘পূব লাডাখৰ ওপৰত বিশেষভাৱে দৃষ্টি ৰখা হৈছে। ইয়াৰ লগতে বিশেষ অভিযান বাহিনীৰ মনোবল বৃদ্ধিতো এই ভ্ৰমণৰ জৰিয়তে গুৰুত্ব আৰোপ কৰা হ’ব।’ পাণ্ডেৰ স’তে লেফটেনেণ্ট জেনেৰেল উপেন্দ্ৰ দ্বিবেদী আৰু লেফটেনেণ্ট জেনেৰেল এ সেনগুপ্তয়েও লাডাখ ভ্ৰমণত উপস্থিত আছে। তিনিদিনীয়া ভ্ৰমণসূচীত দেশৰ সেনাপ্ৰধানে লাডাখৰ বিস্তীৰ্ণ অঞ্চল নিৰীক্ষণ কৰিব আৰু প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত নিয়োজিত সেনাসকলকো সাক্ষাৎ কৰিব।

## দলবিৰোধী কাৰ্যত জড়িত থকাৰ অভিযোগত কংগ্ৰেছৰ পৰা বহিষ্কৃত প্ৰাক্তন মন্ত্ৰী থমাছ



**নিউজ ব্যুৰ’, তিৰুঅনন্তপুৰম, ১৩ মে’ ঃ** কেৰালাৰ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কে ভি থমাছক দলবিৰোধী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত বহিষ্কৃত কৰিলে কংগ্ৰেছে। অলপতে কোচিৰ থিৰিক্কাকাৰ বিধানসভাৰ উপ-নিৰ্বাচনত কেৰালাৰ বামপন্থী মুখ্যমন্ত্ৰী পিনাৰাই বিজয়নৰ স’তে প্ৰচাৰত একেখন মঞ্চত থমাছক প্ৰত্যক্ষ হৈছিল। আজি কেৰালা প্ৰদেশ কংগ্ৰেছৰ সভাপতি কে সুধাকৰণে থমাছৰ বিৰুদ্ধে দলবিৰোধী কাৰ্যকলাপৰ অভিযোগ উত্থাপন কৰি প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীজনক দলৰ পৰা বহিষ্কাৰ কৰাৰ কথা ঘোষণা কৰে। যোৱা মাহতো কান্নুৰত চি পি এমৰ দলীয় কংগ্ৰেছত আমন্ত্ৰিত বক্তা হিচাপে থমাছে অংশ লৈছিল।

## পুনৰ এটা মছজিদ হেৰুৱাব নিবিচাৰো ঃ জ্ঞানবাপীক লৈ উদ্বেগ ওৱেইছিৰ



**নিউজ ব্যুৰ’, হায়দৰাবাদ, ১৩ মে’ ঃ** কাশীৰ জ্ঞানবাপী মছজিদক লৈ সৃষ্টি হোৱা বিতৰ্কৰ প্ৰসংগত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে এ আই এম আই এমৰ মুৰব্বী তথা হায়দৰাবাদৰ সাংসদ আছাদুদ্দিন ওৱেইছিয়ে। জ্ঞানবাপী মছজিদ সন্দৰ্ভত বাৰাণসীৰ আদালতৰ ৰায়ত অসন্তুষ্ট সাংসদজনে আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, ‘এয়া স্পষ্টভাৱে আইনৰ লংঘন। আমি আশা কৰো অল ইণ্ডিয়া মুছলিম পাৰ্চনেল ল ব’ৰ্ড আৰু মছজিদ কমিটীয়ে আদালতলৈ যাব। আমি এটা বাবৰি মছজিদ হেৰুৱালো, পুনৰ এটা মছজিদ হেৰুৱাব নিবিচাৰো।’ উল্লেখ্য যে কালি বাৰাণসীৰ এখন আদালতে নিৰ্দেশ দি কৈছিল যে জ্ঞানবাপীৰ মছজিদ সম্পৰ্কত সমীক্ষা চলাই সবিশেষ প্ৰতিবেদন আদালতত ১৭ মে’ৰ ভিতৰত দাখিল কৰিব লাগিব।

## কেদাৰনাথত ভি আই পিয়ে সাধাৰণ দৰ্শনাৰ্থী হিচাপে কৰিব লাগিব প্ৰৱেশ

**নিউজ ব্যুৰ’, ডেৰাডুন, ১৩ মে’ ঃ** উত্তৰাখণ্ডৰ কেদাৰনাথ ধামত সম্প্ৰতি তীৰ্থযাত্ৰীয়ে যথেষ্ট ভিৰ কৰিছে। তীৰ্থযাত্ৰীৰ ভিৰ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে আজিৰে পৰা কেদাৰনাথত ভি আই পিৰ প্ৰৱেশ ব্যৱস্থা বন্ধ কৰিলে। উত্তৰাখণ্ডৰ আৰক্ষী সঞ্চালক প্ৰধানে আজি প্ৰকাশ কৰা অনুসৰি এতিয়াৰে পৰা সকলো ভি আই পিয়ে সাধাৰণ দৰ্শনাৰ্থীৰ দৰে কেদাৰনাথ দৰ্শন কৰিব লাগিব। উল্লেখ্য যে তীৰ্থযাত্ৰাত অংশ লোৱা ২৮ জন লোকৰ ইতিমধ্যে নানা কাৰণত মৃত্যু হৈছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ ধামীয়ে স্বাস্থ্যজনিত সমস্যাত ভোগা ব্যক্তিক সম্প্ৰতি তীৰ্থযাত্ৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। কৰ’না কালত চাৰধাম যাত্ৰা দুবছৰ ধৰি বন্ধ হৈ থকাৰ পাছত এইবাৰ চাৰধাম যাত্ৰাত অভিলেখসংখ্যক তীৰ্থযাত্ৰীয়ে অংশ লৈছে। বিগত ছদিনত এক লাখ ৩০ হেজাৰৰো অধিক ভক্তই তীৰ্থযাত্ৰাত অংশ ল’লে।



## নীট-স্নাতকোত্তৰ প্ৰৱেশ পৰীক্ষা পিছুৱাৰ আবেদন নাকচ কৰিলে উচ্চতম ন্যায়ালয়ে



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৩ মে’ ঃ** চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ প্ৰৱেশ পৰীক্ষা নিৰ্ধাৰিত সময়তে অনুষ্ঠিত হ’ব। সৰ্বভাৰতীয় মেডিকেল প্ৰৱেশ পৰীক্ষা স্থগিত ৰখাৰ আবেদন প্ৰত্যাখ্যান কৰিলে উচ্চতম ন্যায়ালয়ে। আজি দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে পৰীক্ষা পিছুৱাবলৈ দাখিল কৰা আবেদন প্ৰত্যাখ্যান কৰি কয় যে নীট-স্নাতকোত্তৰ পৰীক্ষা ২১ মে’ৰ পৰিৱৰ্তে আন দিনত অনুষ্ঠিত হ’লে বিশৃংখলতা আৰু অনিশ্চয়তা সৃষ্টি হ’ব। ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় আৰু সূৰ্য কান্তৰ বিচাৰপীঠে চিকিৎসা বিজ্ঞানৰ প্ৰৱেশ পৰীক্ষা স্থগিত ৰখাৰ আবেদনৰ শুনানি গ্ৰহণ কৰি নিৰ্ধাৰিত দিনত নীট-স্নাতকোত্তৰ প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হ’ব বুলি ঘোষণা কৰে।

## তাজমহল বিবাদ সন্দৰ্ভত মেহবুবাই ক’লে ঃ মোগলৰ ঐতিহাসিক স্মৃতিচিহ্নক লক্ষ্য হিচাপে লৈছে কেন্দ্ৰৰ চৰকাৰে

**নিউজ ব্যুৰ’ শ্ৰীনগৰ, ১৩ মে’ ঃ** পিপ’লছ ডেম’ক্ৰেটিক পাৰ্টিৰ মুৰব্বী তথা জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মেহবুবা মুফতীয়ে কেন্দ্ৰৰ বিজেপি চৰকাৰৰ বিৰুদ্ধে অভিযোগ কৰি কয় যে চৰকাৰে সুপৰিকল্পিতভাৱে মোগলৰ ঐতিহ্যমণ্ডিত স্মাৰকক ধ্বংস কৰাৰ অভিযান চলাইছে। তাজমহল বিতৰ্কৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি পি ডি পি নেত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয়, ‘আজি সমগ্ৰ দেশত মুছলমানক নিৰ্যাতন কৰা হৈছে। মছজিদক লক্ষ্য হিচাপে লোৱা হৈছে। এতিয়া তাজমহলক মন্দিৰলৈ সলনি কৰিব বিচাৰিছে। ইয়াতকৈ দুৰ্ভাগ্যজনক আন কি হ’ব পাৰে? আজিৰ হিন্দুস্তানত সংবিধানক অৱমাননা কৰি এইখন



দেশৰ ভেটি কঁপাই তোলা হৈছে। কেন্দ্ৰৰ চৰকাৰখনে সুপৰিকল্পিত পদ্ধতিৰে মুছলমানৰ ধৰ্মীয় স্থান আৰু মোগলৰ ঐতিহাসিক স্মাৰকক ধ্বংস কৰাৰ অপচেষ্টা চলাইছে। পূৰ্বে এইসকল লোকে অযোধ্যাৰ বিবাদিত মছজিদ ধ্বংস কৰিছিল আৰু এতিয়া বাৰানসী আৰু তাজমহলক লক্ষ্য হিচাপে লৈছে।’

## মানুহে নাটক নিবিচৰা হেতুকে বাইডেন ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছিল ঃ মাস্ক

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১৩ মে’ ঃ** টেছলা আৰু স্পেচ এক্সৰ মুখ্য কাৰ্যবাহী বিষয়া তথা বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি এলন মাস্কে শেহতীয়াভাৱে একাধিক বিতৰ্কিত মন্তব্যৰে সংবাদ মাধ্যমত বিশেষ চৰ্চা লাভ কৰিছে। এইবাৰ বিশ্বৰ সবাতোকৈ ধনী ব্যক্তিজনে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ’ বাইডেনৰ প্ৰসংগত টুইটাৰত বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিলে। মাৰ্কিন ৰাষ্ট্ৰপতিক কটাক্ষ কৰি মাস্কে কয় যে আমেৰিকাৰ বাসিন্দাসকলে নাটক পছন্দ নকৰা হেতুকে জ’ বাইডেন ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছিল। টুইটত মাস্কে কয়, ‘বাইডেনে এইদৰে ভবাটো ভুল হ’ব যে তেওঁক আমেৰিকালৈ পৰিৱৰ্তন অনাৰ বাবে ৰাইজে নিৰ্বাচন কৰিছিল। তেওঁ ট্ৰাম্পৰ বিৰুদ্ধে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত এই কাৰণত জয়লাভ কৰিছিল কিয়নো মানুহে অধিক নাটক বিচৰা নাছিল।’ উল্লেখ্য যে ইয়াৰ পূৰ্বেও মাস্কে আমেৰিকাত অনুষ্ঠিত হ’বলগীয়া ২০২৪ৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ প্ৰসংগত টুইট কৰিছিল। মাস্কে কৈছিল, ‘২০২৪ৰ নিৰ্বাচনত কম বিভাজনকাৰী প্ৰাৰ্থী উপযুক্ত হ’ব।’ ইফালে, মাস্কে আকৌ এবাৰ আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ টুইটাৰ হেণ্ডেল নিষিদ্ধ



কৰাৰ পদক্ষেপক ভুল আখ্যা দিলে। মাস্কে কয়, ‘মই ভাবো যে ট্ৰাম্পৰ টুইটাৰ একাউণ্ট পুনৰ সক্ৰিয় কৰি তোলা উচিত।’ কিছুদিন পূৰ্বেও টুইটাৰ ক্ৰয় কৰা মাস্কে ট্ৰাম্পৰ টুইটাৰ একাউণ্ট বন্ধ কৰাৰ সিদ্ধান্তক ভুল পদক্ষেপ বুলি অভিহিত কৰিছিল। মাস্কে কৈছিল যে টুইটাৰ ক্ৰয়ৰ প্ৰক্ৰিয়াটো সম্পন্ন হোৱাৰ পাছত তেওঁ ট্ৰাম্পৰ একাউণ্টৰ বিৰুদ্ধে মাইক্ৰ’ ব্ল’গিং ছাইটটোৱে আৰোপ কৰা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিব। স্মৰ্তব্য যে যোৱা বছৰত আমেৰিকাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ পাছত সংঘটিত হোৱা হিংসাকাণ্ডৰ বাবে ট্ৰাম্পৰ সমৰ্থকক জগৰীয়া কৰা হৈছিল। কেপিটল হিলত ট্ৰাম্পৰ একাংশ সমৰ্থকে হিংসাত্মক ঘটনাত লিপ্ত হৈছিল আৰু ট্ৰাম্পে টুইটাৰৰ জৰিয়তে তেওঁৰ সমৰ্থকসকলক এনে অপকৰ্মত লিপ্ত হ’বলৈ উচটনি যোগোৱাৰ অভিযোগ উত্থাপিত হৈছিল। এনে অভিযোগৰ পাছতে মাইক্ৰ’ ব্ল’গিং ছাইটটোৱে ট্ৰাম্পৰ টুইটাৰ একাউণ্ট ‘ব্লক’ কৰি দিছিল। মাস্কে টুইটাৰ ক্ৰয় কৰাৰ পাছত ৰিপাব্লিকান পাৰ্টিয়ে ট্ৰাম্পৰ টুইটাৰ একাউণ্টৰ বিৰুদ্ধে আৰোপ কৰা নিষেধাজ্ঞা বাতিল কৰিবলৈ দাবী জনাইছে। অৱশ্যে নিষেধাজ্ঞা বাতিল কৰিলেও ট্ৰাম্পে পুনৰ টুইটাৰ ব্যৱহাৰ নকৰে বুলি অলপতে মন্তব্য কৰিছিল। ট্ৰাম্পে ইতিমধ্যে ‘ট্ৰুথ ছ’চিয়েল’ নামৰে নিজা এক সামাজিক মাধ্যম মুকলি কৰিছে।

## বেইজিঙত পুনৰ বৃদ্ধি ক’ভিড সংক্ৰমণ, কঠোৰ নিষেধাজ্ঞা আৰোপ



**নিউজ ব্যুৰ’, বেইজিং, ১৩ মে’ ঃ** চীনৰ ৰাজধানী বেইজিঙত ক’ভিডৰ সংক্ৰমণ প্ৰতিদিনে বৃদ্ধি পাইছে। চীনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য আয়োগে আজি প্ৰকাশ কৰা তথ্য অনুসৰি বৃহস্পতিবাৰে দেশখনত পুনৰ ৩১২ জন ক’ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। সম্প্ৰতি দেশৰ ভিতৰতে ছাংঘাইত সৰ্বাধিক সংখ্যক ক’ভিড ৰোগীক চিনাক্ত কৰা হৈছে। চীনৰ বিত্তীয় ৰাজধানী হিচাপে পৰিচিত ছাংঘাইত যোৱা ২৪ ঘণ্টাত ২২৭ জন লোক ক’ভিড সংক্ৰমিত হ’ল। চীনত এতিয়ালৈকে ২,১৪০ জন উপসৰ্গযুক্ত ক’ভিড ৰোগীক চিনাক্ত কৰা হৈছে। আনহাতে, ছাংঘাইত ১,৮৬৯ জন ৰোগী ক’ভিডত আক্ৰান্ত হৈছে যদিও এওঁলোকৰ শৰীৰত তেনে বিশেষ উপসৰ্গ প্ৰত্যক্ষ হোৱা নাই। বেইজিঙত বৰ্তমানলৈকে ৪২ জন আৰু হেনানত ১৫ জন লোকৰ শৰীৰত ক’ভিডৰ সংক্ৰমণৰ তথ্য নিশ্চিত হৈছে। কৰ’না প্ৰতিৰোধৰ বাবে প্ৰশাসনে বেইজিং আৰু ছাংঘাইত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ছাংঘাইত তলাবন্ধ অব্যাহত আছে আৰু সংক্ৰমণ প্ৰতিৰোধৰ বাবে ৰাজধানী বেইজিঙত সকলো বাসিন্দাৰ ক’ভিড পৰীক্ষণ প্ৰশাসনে বাধ্যতামূলক কৰিছে। চীন চৰকাৰে ইতিমধ্যে পুনৰ দেশজুৰি ‘ক’ভিড শূন্য’ নীতি বলৱৎ কৰিছে।

## ধনাঢ্য ব্যক্তিৰ তালিকাত সপ্তম স্থানলৈ অৱনমিত আদানী, শীৰ্ষ ১০ৰ পৰা বাহিৰ আম্বানী

**নিউজ ব্যুৰ’, নতুন দিল্লী, ১৩ মে’ ঃ** চলিত বৰ্ষত ধন উপাৰ্জনৰ ক্ষেত্ৰত বিশ্বৰ সকলো শীৰ্ষ ধনাঢ্য ব্যক্তিক পৰাভূত কৰা ভাৰতীয় উদ্যোগপতি গৌতম আদানী শেহতীয়াভাৱে একাধিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। আদানী গোষ্ঠীৰ শ্বেয়াৰ মূল্য বিগত কে’বাদিন ধৰি অৱনমিত হোৱাৰ ফলত আদানীৰ সম্পত্তিৰ পৰিমাণো হ্ৰাস পাবলৈ ধৰিছে। বিশ্বৰ সবাতোকৈ ধনাঢ্য ১০ অৰ্বুদপতিৰ তালিকাত সম্প্ৰতি আদানীৰ স্থান সপ্তমলৈ অৱনমিত হ’ল। উল্লেখ্য যে এদিন পূৰ্বে এইজন ভাৰতীয় উদ্যোগপতিয়ে ধনাঢ্য ব্যক্তিৰ তালিকাত ষষ্ঠ স্থান লাভ কৰিছিল। আদানীৰ দুটা কোম্পানীৰ শ্বেয়াৰ মূল্য শেহতীয়াভাৱে হ্ৰাস পাইছে। বিলিয়নেৰ ইনডেক্সৰ তথ্য অনুসৰি যোৱা ২৪ ঘণ্টাত আদানীৰ



সম্পত্তিৰ পৰিমাণ ৫.৮৪ বিলিয়ন ডলাৰ হ্ৰাস পোৱাৰ ফলত সম্প্ৰতি তেওঁৰ মুঠ সম্পত্তিৰ পৰিমাণ ১০২ বিলিয়ন ডলাৰলৈ অৱনমিত হ’ল। ইফালে, আনজন ভাৰতীয় ধনাঢ্য অৰ্বুদপতি ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ মুৰব্বী মুকেশ আম্বানীৰো সম্পত্তিৰ পৰিমাণ যোৱা ২৪ ঘণ্টাত হ্ৰাস পালে। শুকুৰবাৰে আম্বানীৰ সম্পত্তিৰ পৰিমাণ পুনৰ ১.৮৭ বিলিয়ন হ্ৰাস পোৱাত তেওঁৰ মুঠ সম্পত্তিৰ পৰিমাণ ৮৭.৭ বিলিয়ন ডলাৰলৈ অৱনমিত হ’ল। দীৰ্ঘদিন ধৰি ধনাঢ্য ব্যক্তিৰ তালিকাত আম্বানীয়ে দশম স্থান নিজৰ দখলত ৰাখিছিল যদিও শুকুৰবাৰে তেওঁ এই তালিকাৰ পৰা বাহিৰ হ’ল। উল্লেখ্য যে বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত সম্প্ৰতি ২১৫ বিলিয়ন ডলাৰৰ সম্পত্তিৰে প্ৰথম স্থানত আছে টেছলা আৰু স্পেচ এক্সৰ মুৰব্বী এলন মাস্ক। ১৩১ বিলিয়ন ডলাৰৰ সম্পত্তিৰে জেফ বেজছে দ্বিতীয় স্থান আৰু ১২২ বিলিয়ন ডলাৰৰ সম্পত্তিৰে বৰ্ণাৰ্ড অৰ্ণাল্ট তৃতীয় স্থানত আছে।

# তিনিমাহে খোৱাপানীৰ পৰা বঞ্চিত দুশ পৰিয়াল

## ■ আমগুৰি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদাসীনতা ■ ৰাইজৰ ক্ষোভ




*যোৰহাটত আপৰ জিলা কাৰ্যালয় মুকলি উপলক্ষে উলিওৱা সমদল, শুকুৰবাৰে।*

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ১৩ মে' ঃ** ৰাজ্য চৰকাৰে উন্নয়নৰ খতিয়ান লৈ এবছৰীয়া বৰ্ষপূৰ্তি উদ্‌যাপন কৰাৰ সময়তে শিৱসাগৰ জিলাৰ আমগুৰি জনস্বাস্থ্য কাৰিকৰী বিভাগত পানী যোগান আঁচনি ৰূপায়ণৰ নামত ঠিকাদাৰ প্ৰতিষ্ঠানৰ হেমাহিৰ অভিযোগ উত্থাপিত হৈছে। উত্থাপিত অভিযোগ অনুসৰি, লালিম ছিগা (খণ্ড ২) পানী যোগান আঁচনি ৰূপায়ণৰ নামত ঠিকাদাৰ প্ৰতিষ্ঠানৰ হেমাহিৰ বাবে দুই শতাধিক পৰিয়ালে যোৱা তিনিমাহ ধৰি বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈ আহিছে। উল্লেখ্য যে শিৱসাগৰৰ ব্ৰহ্মপুত্ৰ কমাৰ্চ এণ্ড ট্ৰেড কোম্পানীয়ে ৰূপায়ণ কৰা জল জীৱন আঁচনিখনত ব্যাপক বিসংগতিৰ অভিযোগ উত্থাপিত হৈছে। লালিম ছিগা (খণ্ড ২) পানী যোগান আঁচনিৰ পানী পাইপৰ বিভিন্ন অংশত ফাঁট মেলাৰ লগতে বহু ঠাইত মাটিৰ এফুট ওপৰতে পানী পাইপ পুতি সংশ্লিষ্ট ঠিকাদাৰ প্ৰতিষ্ঠানে লুণ্ঠন চলাইছে। এই সন্দৰ্ভত আমগুৰি জনস্বাস্থ্য বিভাগৰ লগত যোগাযোগ কৰাত বিভাগটোৱে জল জীৱন আঁচনিখন ৰূপায়ণৰ নামত ৭০ লক্ষাধিক টকা আবন্টন হোৱা বুলি উল্লেখ কৰে। বিভাগটোৱে ব্ৰহ্মপুত্ৰ কমাৰ্চ এণ্ড ট্ৰেড কোম্পানীৰ কৰ্মসম্পাদনত কামটো লেহেমীয়া হোৱাৰ কথা স্বীকাৰ কৰাৰ লগতে পানী যোগান আঁচনিখন সম্পাদন কৰোতে কিমান মাহ লাগিব সেই কথা স্পষ্টকৈ প্ৰকাশৰ পৰা বিৰত থাকে। উল্লেখ্য যে লালিম ছিগা (খণ্ড ২) পানী যোগান আঁচনিখন ৰূপায়ণত হেমাহিৰ বাবে স্থানীয় লোকসকলে আইৰনযুক্ত লেতেৰা পানী সেৱন কৰা লগতে বহু পৰিয়ালত খোৱা পানীটুপিৰ বাবে হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। চৰকাৰে জল জীৱন আঁচনিৰ যোগেদি ঘৰে ঘৰে নল আৰু ঘৰে ঘৰে জল গান দিছে যদিও আমগুৰি জনস্বাস্থ্য বিভাগত ব্যাপক লুণ্ঠন হোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। লালিম ছিগা (খণ্ড ২) পানী যোগান আঁচনিখন ৰূপায়ণত একাংশ মধ্যভোগীৰ হস্তক্ষেপত ঠিকাদাৰ প্ৰতিষ্ঠানক দুৰ্নীতি কৰিবলৈ বৰপীৰা পাৰি দিয়াৰো অভিযোগ উঠিছে। যি সময়ত ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে প্ৰতিটো পৰিয়ালক বিশুদ্ধ খোৱাপানী যোগানৰ বাবে জল জীৱন মিছন আঁচনি ৰূপায়ণ কৰিছে তেনে সময়তে আমগুৰি লালিম ছিগা (খণ্ড ২) পানী যোগান আঁচনিখন ৰূপায়ণত ব্যাপক বিসংগতি আৰু হেমাহিৰ অভিযোগ উঠা কাৰ্যই সকলোৰে চকু কপালত তুলিছে। স্থানীয় ৰাইজে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উচ্চপদস্থ বিষয়াৰ হস্তক্ষেপ বিচৰাৰ লগতে এই ক্ষেত্ৰত তদন্তৰ দাবী জনাইছে। ইপিনে, স্থানীয় লোকে শীঘ্ৰে আঁচনিখন ৰূপায়ণ সম্পূৰ্ণ কৰিবলৈ দাবী জনাইছে।

## হোজাই গাৰ্লছ কলেজত ৰবীন্দ্ৰ নাথ ঠাকুৰৰ জন্মদিন উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**হোজাই, ১৩ মে' ঃ** হোজাই গাৰ্লছ কলেজৰ বাংলা বিভাগৰ উদ্যোগত আৰু নিখিল ভাৰত বংগ সাহিত্য সন্মিলনৰ হোজাই শাখাৰ সৌজন্যত যোৱা ন মে'ত হোজাইৰ গাৰ্লছ কলেজত 'ৰবীন্দ্ৰ প্ৰণাম' শীৰ্ষক এক অনুষ্ঠানৰ আয়োজন কৰা হয়। কলেজখনৰ বাংলা বিভাগৰ প্ৰৱক্তা ড° পীযূষ নন্দীয়ে পৰিচালনা কৰা অনুষ্ঠানৰ আৰম্ভণিতে নিখিল ভাৰত বংগ সাহিত্য সন্মিলনৰ হোজাই শাখাৰ সভাপতি প্ৰমোদ দাসে কবিগুৰুজনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰি মালা পৰিধান কৰে। সভাপতিজনে নিজৰ উদ্বোধনী ভাষণত ৰবীন্দ্ৰ নাথ কেৱল বাংলা ভাষাৰ সাহিত্যিক নাছিল তেওঁৰ সৃষ্টিত বিশ্বৰ মানৱতাৰ ধ্বনি প্ৰতিষ্ঠিত হৈছিল। তেওঁৰ এই মানৱতাৰ ভাষা আছিল বাংলা। উদ্বোধনী ভাষণৰ পাছত ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰাণকৃষ্ণ কৰে ৰবীন্দ্ৰ সাহিত্যৰ ওপৰত তত্ত্বগধুৰ বক্তব্য ৰাখে। অনুষ্ঠানত আশীৰ্বানী কৰ, ড° জয়ন্ত বিশ্বাস বিশ্বজিৎ দেৱনাথ, ৰশ্মি দে আদিয়ে ৰবীন্দ্ৰ সংগীত, কলেজখনৰ কে'বাগৰাকী ছাত্ৰীয়ে ৰবীন্দ্ৰ নৃত্য আৰু ড° পীযুষ নন্দীয়ে ৰবীন্দ্ৰ সাহিত্যৰ বিশেষকৈ গীতাঞ্জলিৰ কবিতাৰ ওপৰত তত্ত্বগধুৰ ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত নিখিল ভাৰত বংগ সাহিত্য সন্মিলনৰ হোজাই শাখাৰ বিষয়ববীয়াসকলৰ উপৰি কলেজখনৰ ছাত্ৰী-শিক্ষয়িত্ৰীসকলে বিভিন্ন বিভাগত অংশগ্ৰহণ কৰি জীপাল কৰি তোলে।

## বৰমাত ৩০ ব'হাগত কেন্দ্ৰীয় ব'হাগী উৎসৱ

**বৰমা, ১৩ মে' ঃ** বৰমাত কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰা হ'ব ব'হাগী উৎসৱ। এই উপলক্ষে গঠন কৰা পৰিচালনা সমিতিখনে বৰ্ণাঢ্য কাৰ্যসূচী গ্ৰহণ কৰিছে। ৩০ ব'হাগৰ পুৱা পতাকা উত্তোলন কৰিব উৎসৱ পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ শৰ্মাই। বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰিব ক্ৰমে নিতুমণি কলিতা আৰু নৰেন্দ্ৰ বড়োই। বৃক্ষৰোপণ আৰু খেল-ধেমালিৰ পাছত বিহু, বৈশাগু আৰু একক আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাসমূহৰ ভিতৰত কবিতা আবৃত্তি, আকস্মিক বক্তৃতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আবেলি চৌবা সিং ৰুক্মিণী দেৱী আৰু কৌশল্যা কলিতা, দীপাংকৰ কলিতা সোঁৱৰণী মঞ্চ উদ্বোধন কৰিব বৰমা থানাৰ আৰক্ষী বিষয়া দিতুমণি গোস্বামীয়ে। সন্ধিয়া বঁটা বিতৰণী আৰু সম্বৰ্ধনা সভাত সভাপতিত্ব কৰিব দিলীপ কুমাৰ শৰ্মাই। সভাত বিশিষ্ট অতিথি হিচাপে বাগ্‌সা জিলাৰ উপায়ুক্ত আয়ুস গাৰ্গ, আৰক্ষী অধীক্ষক ৰাজেন সিং, অতিৰিক্ত উপায়ুক্ত আশ্ৰাফুল আমিন উপস্থিত থাকিব। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত গীতাশ্ৰী লাচিতে। সভাত কে'বাজনো বিশিষ্ট লোকক সম্বৰ্ধনা জনোৱা হ'ব। ইয়াৰ পাছতে সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব নাট্যশিল্পী হেমন্ত তালুকদাৰে। সাংস্কৃতিক সন্ধিয়াত ৰিছা ভৰদ্বাজ, মেঘ দ্বীপকে ধৰি কে'বাজনো শিল্পীয়ে অংশগ্ৰহণ কৰিব।

## কামৰূপ জিলা ন্যায়িক আদালতত অনুষ্ঠিত ক'ভিডৰ সতৰ্কতামূলক শিবিৰ



অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ১৩ মে' ঃ** যোৱা ১০ মে'ত জিলা আইন সেৱা প্ৰাধিকাৰী, কামৰূপ, আমিনগাঁৱৰ উদ্যোগত কামৰূপ জিলা ন্যায়িক আদালতত সতৰ্কতামূলক তৃতীয় পালি ক'ভিড-১৯ প্ৰতিষেধক প্ৰদানৰ এটা শিবিৰ অনুষ্ঠিত হয়। জিলা তথা সত্ৰ ন্যায়াধীশ আৰু কামৰূপ জিলা আইন সেৱা প্ৰাধিকাৰীৰ অধ্যক্ষ ডাৰাক উল্লাহ, সচিব প্ৰণামী গোস্বামীৰ নেতৃত্বত তথা মুখ্য প্ৰশাসনিক বিষয়া তফিকুৰ ৰহমান আৰু জিলা টিকাকৰণ বিষয়া যুগল দাসৰ তত্বাৱধানত অনুষ্ঠিত এই শিবিৰত কামৰূপ জিলা ন্যায়িক আদালত, কামৰূপ জিলা প্ৰশাসন, জিলা শিশু সুৰক্ষা বিষয়াৰ কাৰ্যালয় আদিকে ধৰি জিলাখনৰ গুৰুত্বপূৰ্ণ কাৰ্যালয়সমূহৰ প্ৰায় ডেৰ শতাধিক কৰ্মচাৰী সমন্বিতে ভালেসংখ্যক অধিবক্তাক ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হয়।

## ক্ষুদ্ৰবিষ্টুপুৰ প্ৰাথমিক বিদ্যালয়ত বৃক্ষৰোপণ-স্বচ্ছ অভিযান সম্পন্ন

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৩ মে' ঃ** নলবাৰী জিলাৰ (ঘগ্ৰাপাৰ) বড়িগোগ বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত ১৯৫১তে স্থাপিত আগশাৰীৰ চৰকাৰী খণ্ডৰ বিদ্যালয় ক্ষুদ্ৰবিষ্টুপুৰ প্ৰাথমিক বিদ্যালয়ৰ ইক' আৰু ইয়ুথ ক্লাবৰ উদ্যোগত আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সহযোগত যোৱা ১০ মে'ত বৃক্ষৰোপণ, স্বচ্ছ অভিযান আৰু সজাগতা সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ শিক্ষক তথা ইক' আৰু যুথ ক্লাবৰ তত্বাৱধায়ক গৌতম গোস্বামীয়ে সদৰী কৰা মতে, প্ৰথমে ক্ষুদ্ৰবিষ্টুপুৰ প্ৰাথমিক বিদ্যালয়ৰ চৌহদ, অঞ্চলটোৰ ধৰ্মীয় অনুষ্ঠান ঘগ্ৰাপাৰৰ সমীপৰ ক্ষুদ্ৰবিষ্টুপুৰ বাৰগোপাল নামঘৰ, গোপালথান গোসাঁইঘৰ (সাহানবিষ্টুপুৰ-ঘোঁহকুছি), ক্ষুদ্ৰবিষ্টুপুৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰ প্ৰাংগণ, কোচতলা চ'ক চাফ-চিকুন কৰে ব্যিদালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে। ইয়াৰ পাছতে ফলমূলকে ধৰি বহুকেইটা মূল্যবান গছপুলি ৰোপণ কৰে ক্ৰমে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰমনী কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক সত্য ৰাজবংশী আৰু পবিন কলিতাই।

## ডেৰ লক্ষাধিক টকাৰ চোৰাং কাঠসহ গাড়ী জব্দ পাৰ্কুপ পাহাৰত

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ১৩ মে' ঃ** নগাঁও আৰু কাৰ্বি আংলং জিলাৰ সীমামুৰীয়া চামগুৰিৰ নিকটৱৰ্তী কঠালগুৰি মেজি গাঁৱত যোৱা ১১ মে'ৰ নিশা কাৰ্বি আংলং জিলাৰ উত্তৰ পশ্চিম পাৰ্কুপ পাহাৰ আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ বন কৰ্মচাৰীয়ে চোৰাং কাঠ বেপাৰীৰ বিৰুদ্ধে অভিযান চলাই মূল্যবান চোৰাং কাঠসহ দুখন গাড়ী জব্দ কৰে। শাল আৰু খকন কাঠৰ ফাণ্টা কড়িয়াই অনা গাড়ী দুখনৰ দ্বাৰা চোৰাং কাঠ বেপাৰীয়ে নগাঁও জিলাৰ কোনো অজ্ঞাত স্থানলৈ চোৰাং কাঠখিনি সৰবৰাহ কৰাৰ চেষ্টা কৰিছিল। বন বিভাগৰ অভিযানৰ বিষয়ে চোৰাং কাঠ বেপাৰীয়ে গাড়ী দুখন লৈ পলায়নৰ চেষ্টা কৰিছিল যদিও অভিযানকাৰী দলটোৱে নিশা বহু দূৰ খেদি খেদি জব্দ কৰে বাহনসমূহ।

## টুপামাৰীত বাট-পথৰ পুতৌলগা অৱস্থাৰ বাবে ঠেলাৰে কড়িয়ালে মৃতদেহ

**আলোপতি, ১৩ মে' ঃ** কামৰূপ জিলৰা বকো সমষ্টিৰ সংখ্যালঘু বসতিপূৰ্ণ অঞ্চলৰ বাট-পথৰ উন্নয়ন নোহোৱাৰ অভিযোগ উত্থাপিত হৈছে। অঞ্চলটোৰ বাট-পথৰ পুতৌলগা অৱস্থাৰ বাবে পৰহি এগৰাকী লোকৰ মৃতদেব ঠেলাৰে কড়িয়াই নিয়া এক কৰুণ দৃশ্যই সকলোকে মৰ্মাহত কৰে। কালি দুই নম্বৰ টুপামাৰী গাঁৱৰ আবু বক্কৰ নামৰ লোকজন স্থানীয় টুপামাৰী বজাৰলৈ বজাৰ কৰিবলৈ আহি হঠাৎ উচ্চ ৰক্তচাপজনিত কাৰণত মৃত্যু হয়। পাছত মৃত লোকজনক নিজ ঘৰলৈ নিবলৈ নাপালে গাড়ী মটৰ, কিম্বা এম্বুলেন্স। কিয়নো অঞ্চলটোৰ বাট-পথৰ পয়ালগা অৱস্থাৰ বাবে নাযায় কোনো চাৰিচকীয়া বাহন অথবা এম্বুলেন্স। সেয়ে উপায়ন্তৰ হৈ পৰিয়ালৰ লোকে ঠেলা এখনেৰে মৃতদেহটো ঘৰলৈ নিয়ে। বৃহত্তৰ অঞ্চলটোৰ বাট-পথৰ দুৰৱস্থাৰ বাবে প্ৰায়ে ৰোগী কিম্বা মৃতদেহ নিয়াৰ বাবে সাঙী, ঘোঁৰা গাড়ী নতুবা ঠেলা গাড়ী ব্যৱহাৰ কৰিবলগা হয়। বাট-পথৰ বিধ্বস্ত অৱস্থাৰ বাবে অঞ্চলটোৰ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিবলগা হৈছে যদিও চৰকাৰে এই ক্ষেত্ৰত কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই।

## মৰাণত অবৈধ সুৰাৰ ঘাটি উচ্ছেদ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১৩ মে' ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষীয়ে কালি সন্ধিয়া খুমটাই চাহ বাগিচা অঞ্চলত অবৈধ দেশীয় সুৰাৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীয়ে বৃহৎ পৰিমাণৰ লালী গুড় আৰু দেশীয় সুৰা জব্দ কৰে। আৰক্ষীৰ দলটোৱে খুমটাইৰ নিবাসী মেঘনাদ কন্দ নামৰ লোকজনৰ ফাৰ্ম হাউছৰ পৰা পাঁচশ কিলোগ্ৰাম লালীগুড় আৰু ১৫০ লিটাৰ দেশীয় সুৰা জব্দ কৰে। কিন্তু আৰক্ষীৰ অভিযানৰ উমান পাই অসাধু ব্যৱসায়ী মেঘনাদ কন্দে পলায়ন কৰে।

## অৱসৰপ্ৰাপ্ত শিক্ষক জগত চন্দ্ৰ নাথৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**দুনী, ১৩ মে' ঃ** পশ্চিম দৰঙৰ জয়পুৰ নিবাসী তথা বোনমাঝা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জগত চন্দ্ৰ নাথ(৬৩)ৰ যোৱা ১১ মে'ৰ নিশা গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। তেওঁ হৃদজনিত ৰোগৰ বাবে বিগত কিছুদিন ধৰি চিকিৎসাধীন হৈ আছিল। বোনমাঝা হাইস্কুলত প্ৰতিষ্ঠাপক সহকাৰী শিক্ষক হিচাপে যোগদান কৰি পৰৱৰ্তী সময়ত প্ৰধান শিক্ষকৰূপে সেৱা আগবঢ়ায়। ২০২০ৰ ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰা শিক্ষকজন সামাজিক ক্ষেত্ৰত ওতঃপ্ৰোতভাৱে জড়িত আছিল। বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰ, এৰি যায়। বোনমাঝা হাইস্কুল, বিষ্ণুজ্যোতি হাইস্কুল, সেউজ প্ৰগতি যুৱ সংঘৰ, পশ্চিম দৰং প্ৰেছ ক্লাব, দক্ষিণ মালিবাৰীটাৰী হৰিমন্দিৰ উন্নয়ন সমিতি, প্ৰয়াস যুৱ মঞ্চ আদি অনুষ্ঠানৰ লগতে ছিপাঝাৰৰ প্ৰাক্তন বিধায়ক বিনন্দ শইকীয়া, বোনমাঝা পঞ্চায়ত সভাপতি উদ্ধৱ ডেকা, প্ৰাক্তন ছাত্ৰ নেতা গজেন বড়া, প্ৰমুখ্যে বহুজনে শোক প্ৰকাশ কৰিছে।

## টিহুত বিশিষ্ট সমাজকৰ্মী চাণক্য চৰণ কলিতাক ৰাজহুৱা স্মৰণ




অগ্ৰদূত বাৰ্তা

**টিহু, ১৩ মে' ঃ** টিহু জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি, টিহু নগৰ অগপৰ সভাপতি, টিহু সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, টিহু শাস্ত্ৰীয় সংগীত মহাবিদ্যালয়ৰ প্ৰাক্তন সভাপতি, টিহু ৰাজহুৱা পুথিভঁড়াল সমিতিৰ উপ-সভাপতি আদিকে ধৰি টিহুৰ বিভিন্ন অনুষ্ঠানৰ গুৰি ধৰোতা বিশিষ্ট জাতীয়তাবাদী নেতা তথা অৱসৰী জিলা শিক্ষা বিষয়া চাণক্য চৰণ কলিতাক পৰহি টিহুৰ বিদ্যানগৰত ৰাজহুৱাভাৱে স্মৰণ কৰা হয়। এই উপলক্ষে টিহু সাহিত্য সভা আৰু টিহু জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত অনুষ্ঠিত স্মৃতিচাৰণ সভাত সভাপতিত্ব কৰে টিহু সাহিত্য সভাৰ সভাপতি শংকৰ কুমাৰ দাসে। টিহু সাহিত্য সভাৰ সম্পাদক হেমেন ৰাজবংশীয়ে আঁত ধৰা আৰু শলাগ জ্ঞাপন কৰা অনুষ্ঠানটোত শিল্পী-গীতিকাৰ হেমন্ত তালুকদাৰৰ ভক্তিমূলক গীতেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ৰূপায়ণ কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অৰ্ধশতাধিক দল-সংগঠন-অনুষ্ঠানৰ প্ৰতিনিধিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উপৰি শিক্ষাবিদ ক্ৰমে কৰুণা কান্ত কলিতা, সোমনাথ ডেকা, ভৱেশ চন্দ্ৰ দাস, ড° জ্যোতিষ চন্দ্ৰ ভাগৱতী, ড° সুৰজিত বৰ্মন আৰু ড° মুকুন্দ শৰ্মা, সাংবাদিক অজিত কুমাৰ শৰ্মা আৰু পংকজ বেজবৰুৱা, সমাজকৰ্মী ক্ৰমে কুলেশ শৰ্মা, দুলাল দাস, উদ্ধৱ চৌধুৰী, সৰ্বেশ্বৰ ডেকা, অগপ নেতা হৰেকৃষ্ণ মেধি, জিন্টু চৌধুৰী, কেশৱ ডেকা আৰু কৃপা ঠাকুৰীয়া, জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক গুণেশ্বৰ দাস আৰু সহ সম্পাদক লক্ষ্মীকান্ত শৰ্মা, লেখিকা কনিকা বৰ্মন আৰু চন্দ্ৰপ্ৰভা হুজুৰী বৰ্মন, আত্মীয় অক্ষয় তালুকদাৰ আৰু বসন্ত কলিতা, প্ৰয়াত কলিতাৰ সহধৰ্মিণী বীণাপানি বড়ো কলিতাই স্মৃতিচাৰণ কৰি প্ৰয়াত কলিতাৰ কালোত্তীৰ্ণ কৰ্মৰাজি আলোকপাত কৰে। সভাৰ পূৰ্বে প্ৰয়াত কলিতাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সহধৰ্মিণী বীণাপানি বড়ো কলিতাই আৰু মাল্যাৰ্পণ কৰে পুত্ৰ প্ৰাঞ্জল কলিতাই।

## শৰৎ চন্দ্ৰ গোস্বামীক সাহিত্য সভাই উপযুক্ত সন্মান দিয়া নাই

### ■ নলবাৰীত জন্মজয়ন্তীত ক্ষোভ শিক্ষাবিদৰ

অগ্ৰদুত বাৰ্তা

**নলবাৰী, ১৩ মে' ঃ** 'অসম সাহিত্য সভা প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত শৰৎ চন্দ্ৰ গোস্বামীয়ে যি অহোপুৰুষাৰ্থ কৰিছিল ই অসমীয়া সমাজ জীৱনত চিৰদিন স্মৰণীয় হৈ থাকিব। একেৰাহে সাতটাকৈ কাৰ্যকাল সম্পাদকৰ দায়িত্ব লৈ অসম সাহিত্য সভাক এক গতিশীল ৰূপ দিছিল শৰৎ চন্দ্ৰ গোস্বামীয়ে। সাহিত্যৰ পথাৰখনত শৰৎ চন্দ্ৰ গোস্বামীয়ে এখন সাঁকোৰ ভুমিকা গ্ৰহণ কৰিছিল।' এই মন্তব্য বিশিষ্ট গৱেষক তথা শিক্ষাবিদ ড° উপেন্দ্ৰজিৎ শৰ্মাৰ। শৰৎ চন্দ্ৰ গোস্বামী ফাউণ্ডেচনৰ উদ্যোগত আৰু নলবাৰী জিলা সাহিত্য সভাৰ সহযোগত কালি সাহিত্য সভা কাৰ্যালয়ত অনুষ্ঠিত কৰা অসম হিতৈষী শৰৎ চন্দ্ৰ গোস্বামীৰ জন্ম দিনটোৰ স্মৃতিচাৰণ অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি শিক্ষাবিদ তথা অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই আক্ষেপেৰে কয় শৰৎ চন্দ্ৰ গোস্বামীৰ ৰচনাৱলী এতিয়াও প্ৰকাশ হোৱা নাই। অসম সাহিত্য সভাই শৰৎ চন্দ্ৰ গোস্বামীক যিদৰে সন্মান দিব লাগিছিল তেনে সন্মান আজিলৈ দিয়া নাই বুলিও তেওঁ কয়। তেওঁ পুনৰ ভাষণত কয়, সাহিত্য সৃষ্টিত শৰৎ চন্দ্ৰ গোস্বামীয়ে যিমান আত্মনিয়োগ হৈ আছিল তাৰ বিপৰীতে বহু সময় একনিষ্ঠভাৱে অসম সাহিত্য সভাৰ সাংগঠনিক দিশক গুৰুত্ব দিছিল। শৰৎ চন্দ্ৰ গোস্বামী ফাউণ্ডেচনৰ সভাপতি ড° ৰবীন দাসৰ সভাপতিত্বত বিয়লি তিনি বজাত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই। শৰৎ চন্দ্ৰ গোস্বামী ফাউণ্ডেচনৰ সহকাৰী সম্পাদক কিশোৰ দাসে আঁত ধৰা আৰু ৰমেন তালুকদাৰে সহযোগ কৰা অনুষ্ঠানটিত স্মাৰক বক্তাৰূপে উপস্থিত থাকি নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই শৰৎ চন্দ্ৰ গোস্বামীৰ সাহিত্য, জীৱন আৰু কৰ্ম ব্যাখ্যা কৰে। অসম সাহিত্য সভা জীয়াই থকালৈ শৰৎ চন্দ্ৰ গোস্বামী জীয়াই থাকিব বুলিও শৰ্মাই কয়। আন এজন স্মৃতিচাৰক হিচাপে উপস্থিত থাকি বিশিষ্ট লেখক ডাঃ চন্দন কুমাৰ বৰুৱাই শৰৎ চন্দ্ৰ গোস্বামীৰ সাহিত্য সৃষ্টি আৰু কৰ্মৰাজিক নতুন প্ৰজন্মলৈ লৈ যাব লাগে বুলি মন্তব্য কৰে। অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক গোবিন্দ কলিতাই শৰৎ চন্দ্ৰ গোস্বামীৰ জীৱন আৰু কৰ্মৰ ওপৰত স্মৃতি ৰোমন্থন কৰে। ইয়াৰ পূৰ্বে শৰৎ চন্দ্ৰ গোস্বামীৰ আৱক্ষ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° ৰীতামণি দাস আৰু সমাজসেৱক মুকুল গোস্বামীয়ে। শিক্ষাসেৱক মহেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে বিশিষ্ট সমাজকৰ্মী নৃপাল বৰ্মনে।

## হতাশাত ভুগি বহু যুৱক আলফালৈ গৈছে

### ■ মুছলপুৰত শিক্ষকৰ ৰূপত মন্ত্ৰী ইউ জি ব্ৰহ্ম



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১৩ মে' ঃ** শিক্ষকৰ ৰূপত দেখা গ'ল ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মক। বাগ্‌সা জিলাৰ জালাহ প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত আঙুলিয়া প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক পৰহি পাঠ দান কৰে মন্ত্ৰী ব্ৰহ্মই। বিদ্যালয়খনত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলক মন্ত্ৰীজনে বড়ো ভাষাত পাঠদান কৰে। ইয়াৰ পাছত তেওঁ আন-আন ছাত্ৰ-ছাত্ৰীৰ স'তে মত বিনিময় কৰে। উল্লেখ্য যে বাগ্‌সা জিলাৰ অভিভাৱক মন্ত্ৰীজনে বিটিচিৰ ২২ নম্বৰ কোকলাবাৰী পৰিষদীয় সমষ্টিৰ অন্তৰ্গত মুঠ ১১ টা স্থানত নিৰ্মাণ কৰিব লগা আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ আধাৰশিলা একেলগে আঙুলিয়া প্ৰাথমিক বিদ্যালয় চৌহদত স্থাপন কৰে। আধাৰশিলা স্থাপন কৰি মন্ত্ৰীজনে আঙুলিয়া প্ৰাথমিক বিদ্যালয়ত কিছু সময় ছাত্ৰ-ছাত্ৰীক পাঠদান কৰি উপস্থিত সাংবাদিকক কয়, 'শিক্ষকসকলে এটা নিৰ্দিষ্ট লক্ষ্য লৈ ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিব লাগে। তেতিয়াহে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লক্ষ্যত উপনীত হ'বলৈ সক্ষম হ'ব। শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক সুনাগৰিক হিচাপে গঢ়ি তুলিব লাগে। কাৰণ শিক্ষকসকলে সুস্থ সমাজ গঠনত সহায় কৰে আৰু আজিৰ ছাত্ৰ কাইলৈৰ নাগৰিক হ'ব।' শেহতীয়াভাৱে ৰাজ্যখনৰ একাংশ যুৱক-যুৱতী আলফা (স্বাঃ) ত যোগদান কৰা কাৰ্যৰ ওপৰতো গুৰুত্বপূৰ্ণ মন্তব্য কৰে মন্ত্ৰীজনে কয়, 'আলফাৰ জন্মৰ সময়ত সদস্য ভৰ্তিৰ লক্ষ্যৰ লগত বৰ্তমানৰ লক্ষ্যৰ কোনো মিল নাই। বহু সংখ্যক যুৱক-যুৱতী হতাশাত ভুগি আলফালৈ গৈছে। ইয়াৰ বাবে নিবনুৱা সমস্যাক কেৱল দায়ী কৰিব নোৱাৰি। এফালে চৰকাৰৰ স'তে আলফাৰ শান্তি আলোচনাৰ বাবে চৰকাৰক পৰিৱেশ ৰচনা কৰিবলৈ কৈ পৰেশ বৰুৱাই আলফাত নতুনকৈ সদস্য ভৰ্তি কৰাটো দুৰ্ভাগ্যজনক।'

আনহাতে, বিটিচিত হাগ্ৰামাৰ নেতৃত্বত পুনৰ বিটিচি পৰিষদ গঠন কৰিব বুলি চৰ্চা চলা বিষয়ক মন্ত্ৰী ব্ৰহ্মই কয় যে হাগ্ৰামাই চেষ্টা কৰাটো বেয়া নহয়। চেষ্টা কৰি থাকক, কিন্তু সেইখিনিলৈ যাওতে নিজৰ ভেটিটো চাব লাগে। আছে না নাই। হাগ্ৰামাই আকাশত চাং পাতিছে। সপোন দেখাটো বেয়া হয়। কিন্তু হাগ্ৰামাৰ সপোন কাৰ্যকৰী নহয়। সংবাদ মাধ্যমত এই সন্দৰ্ভত আগতীয়াকৈ বহু বেছি চৰ্চা হৈছে। হাগ্ৰামাৰ অংক মই অলপ অলপ বুজি পাওঁ। কিন্তু সাংসদ নৱ কুমাৰ শৰণীয়াৰ অংক বুজি নাপাঁও। সাংসদ শৰণীয়াই হাগ্ৰামাৰ লগত ২৭ জন বিটিচিৰ পাৰিষদ থকা বুলি কৰা মন্তব্যটো অযুক্তিকৰ বুলি কয়।

## পঞ্চায়ত প্ৰতিনিধিৰ স্বজন-তোষণৰ বাবে বঞ্চিত হিতাধিকাৰী

### ■ খুমটাইত অনাময় আঁচনি ৰূপায়ণত অনিয়ম



**খুমটাই, ১৩ মে' ঃ** গোলাঘাট জিলাৰ খুমটাই বিধানসভা সমষ্টিৰ অন্তৰ্গত খুমটাই গাঁও পঞ্চায়তত কে'বাটাও ৱাৰ্ডত চৰকাৰী অনাময় আঁচনি ৰূপায়ণত অনিয়ম সংঘটিত হৈছে। উল্লেখ্য যে খুমটাই গাঁও পঞ্চায়তৰ ১০ নম্বৰ ৱাৰ্ডৰ উপৰি পঞ্চায়তৰ বহুকেইটা ৱাৰ্ডত আজি পৰ্যন্ত প্ৰকৃত হিতাধিকাৰী বঞ্চিত হৈছে চৰকাৰী অনাময় আঁচনিৰ সুবিধাৰ পৰা। ফলত খুমটাইত একাংশ দৰিদ্ৰ পৰিয়ালে আজিও হাবি জংঘল, একাংশই তামোলৰ বেৰা, বস্তাৰ বেৰা আদি দি শৌচাগাৰ হিচাপে ব্যৱহাৰ কৰিবলগীয়া হৈছে। ইফালে, বঞ্চিত হিতাধিকাৰীসকলে পঞ্চায়তটোত আবেদন-নিবেদন কৰি আহিছে যদিও কোনো গুৰুত্ব প্ৰদান কৰা নাই পঞ্চায়ত প্ৰতিনিধি অথবা চৰকাৰী বিষয়া-কৰ্মচাৰীসকলে। উল্লেখ্য যে দৰিদ্ৰ পৰিয়ালসমূহে পঞ্চায়তটো জনপ্ৰতিনিধিক বিষয়সমূহ অৱগত কৰিলে গা এৰা দি অহাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী হিতাধিকাৰীসকলে। আনহাতে, পঞ্চায়তটো একাংশ কৰ্মচাৰী আৰু একাংশ জনপ্ৰতিনিধিৰ স্বজন-তোষণ নীতিৰ বাবে একাংশ হিতাধিকাৰীয়ে একেটা বাসগৃহতে দুটা তিনিটাকৈ চৰকাৰী শৌচালয় লাভ কৰা উপৰি পঞ্চায়তখনৰ বহু চৰকাৰী আঁচনি একাংশ জনপ্ৰতিনিধিয়ে নিজৰ মাজতে ভাগ বতৰা কৰাৰ অবিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে।

## গোৱালপাৰাত সত্ৰীয়া সাংস্কৃতিক কৰ্মশালাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**মাটিয়া ১৩ মে' ঃ** অসম সত্ৰ মহাসভাৰ উদ্যোগত তথা গোৱালপাৰাৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু মদন মোহন সত্ৰ সত্ৰীয়া সাংস্কৃতিক মহাবিদ্যালয়ৰ পৰিচালনাত কাইলৈ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে গোৱালপাৰা চহৰত সত্ৰীয়া সাংস্কৃতিক কৰ্মশালাৰ আয়োজন কৰা হৈছে। গোৱালপাৰাৰ শ্ৰীশ্ৰীশ্যামৰায় সত্ৰ নাট্য মন্দিৰ প্ৰাংগণত অহা মে'ৰ পৰা ১৭ মে'লৈকে প্ৰতি দিনে পুৱা নবজাৰ পৰা দুপৰীয়া ১২ বজালৈ আৰু আবেলি দুই বজাৰ পৰা পাঁচ বজালৈ অনুষ্ঠিত হ'বলগীয়া কৰ্মশালাখনত সম্পূৰ্ণ বিনামূলীয়াভাৱে সত্ৰীয়া নৃত্য আৰু বৰগীতৰ ওপৰতো প্ৰশিক্ষণ দিয়া হ'ব।

## আলফা স্বাধীনলৈ পুনৰ যুৱক-যুৱতী যোৱাটো অসমৰ বাবে চিন্তাৰ কাৰণ ঃ ডাঃ কলিতা

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ১৩ মে' ঃ** 'নিষিদ্ধ সংগঠন আলফা স্বাধীনলৈ ধাৰাবাহিকভাৱে অসমৰ যুৱক-যুৱতী যোৱাটো চিন্তাৰ কাৰণ হৈ পৰিছে। শান্তি আলোচনাৰ বাবে আলফা আৰু চৰকাৰৰ সদিচ্ছা থাকিব লাগিব।' এই মন্তব্য প্ৰাক্তন মন্ত্ৰী তথা অসম খাদী ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলা কলিতাৰ। পৰহি তেওঁ ৰঙিয়া তুলসীবাৰীত অনুষ্ঠিত এক চৰকাৰী কাৰ্যসূচীত তেওঁ এইদৰে মন্তব্য কৰে। উগ্ৰবাদ সমস্যাটো কিছু পৰিমানে দূৰ হোৱাত অসমত এক উন্নয়নৰ পৰিৱেশ আহিবলৈ ধৰিছিল বুলি তেওঁ মন্তব্য কৰে।

তেওঁ পুনৰ কয় যে শেহতীয়াভাৱে আলফা স্বাধীনে দুজনকৈ অসমীয়া ল'ৰাক মৃত্যুদণ্ড দিয়া ঘটনাটোৰ পৰা আলফা আৰু চৰকাৰৰ আলোচোনা প্ৰক্ৰিয়াত কোনো বাধা নহয়। আলোচনা হ'ব লাগিলে চৰকাৰ আৰু আলফা স্বাধীনৰ সমানে সদিচ্ছা থাকিব লাগিব। ৰঙিয়া বৈদ্যগড়ত অনুষ্ঠিত হোৱা অসম চৰকাৰৰ খাদী গ্ৰামোন্নয়ন বিভাগৰ এখন স্বনিৰ্ভৰশীল সজাগতা সভাত ডাঃ কলিতা মুখ্য অতিথিৰূপে উপস্থিত থাকে। ভাষণ প্ৰসংগত ডাঃ কলিতাই থলুৱা গামোচা ব্যৱহাৰৰ প্ৰতি সকলোৰে সজাগ হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে পূৰ্বতকৈ থলুৱা গামোচাৰ আদৰ যথেষ্ট বাঢ়িছে। অগপৰ ৰঙিয়া সমষ্টি সমিতিৰ সভাপতি লীলাধৰ শালৈৰ সভাপতিত্বত বৈদ্যগড় ছাত্ৰ সন্থাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত খাদী ব'ৰ্ডৰ স্বনিৰ্ভৰশীল আঁচনিৰ কৰ্মশালাত অগপৰ কেন্দ্ৰীয় সমিতিৰ অৰ্ণৱ ভৰালীসহ কে'বাগৰাকী অগপ নেতা উপস্থিত থাকে।




# ম'বাইল টাৱাৰত কৰ্মৰত ছয় শতাধিকক প্ৰৱঞ্চনা

## ■ অনিশ্চয়তাৰ দিশত জীৱন সংগ্ৰাম

**ডিগবৈ, ১৩ মে' ঃ** ৰাজ্যত ক্ৰমবৰ্ধমান হাৰত দ্ৰুত গতিত নিবনুৱা সমস্যাই এক ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ সময়তে ম'বাইল নেটৱৰ্ক এয়াৰটেল কোম্পানীৰ অধীনৰ বহুজাতিক কোম্পানীৰ দ্বাৰা প্ৰৱঞ্চনাৰ বলি হোৱাৰ দিশে গতি কৰিছে ৰাজ্যৰ ছয়শ থলুৱা শিক্ষিত নিবনুৱা যুৱক। অনিশ্চয়তাৰ দিশে গতি কৰা জীৱন সংগ্ৰামত যেন দিশহাৰা হৈ জীৱনলৈ অমানিশা নামি আহিছে । উল্লেখ্য যে নেটৱৰ্ক এয়াৰটেল কোম্পানীৰ অন্তৰ্গত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত অৱস্থিত টাৱাৰসমূহৰ চোৰাচিতা কৰাৰ দায়িত্বত ছয়শ থলুৱা নিবনুৱা যুৱক জড়িত হৈ আছে। উল্লেখ্য যে এয়াৰটেল কোম্পানীৰ অধীনত ইনডাচ নামৰ এটা বহুজাতিক কোম্পানীয়ে টাৱাৰৰ চোৰা-চিতা কৰাৰ দায়িত্বত নিয়োজিত কৰ্মচাৰীসকলক পৰোক্ষভাৱে জি ফৰ এছ ফেচিলিটি ছাৰ্ভিচেছ প্ৰাইভেট ইণ্ডিয়া লিমিটেড নামৰ এটা কোম্পানীৰ জৰিয়তে দৰমহা প্ৰদান কৰে। বিগত ২০০৪ ৰ পৰা নিয়োগ হৈ থকা টাৱাৰৰ চোৰাচিতাৰ দায়িত্বত থকা কৰ্মচাৰীসকলক ইনডাচ কোম্পানীয়ে কৌশলেৰে জি ফৰ এছ কোম্পানীটোৰ জৰিয়তে অতি নিম্ন মানৰ দৰমহাৰে পৰিচালিত কৰি অহাৰ লগতে সময়ে সময়ে উক্ত কোম্পানীটোৱে বিভিন্ন অজুহাত তথা অভিযোগ আনি কৰ্মচাৰী সকলক অব্যাহতি দি আহিছে । এই সন্দৰ্ভত সদৌ অসম মোবাইল 'কেয়াৰ টেকা'ৰ সংস্থাই বিভিন্ন সময়ত টাৱাৰৰ কেয়াৰটেকাৰ সকলে দায়িত্ব, কৰ্তব্য পালন কৰি অহাৰ পাছতো মনেসজা কথাৰে অব্যাহতি দিয়াৰ ক্ষেত্ৰত পূৰ্বতে ম'বাইল নেটৱৰ্ক অচলাৱস্থা কৰি দিছিল। পৰৱৰ্তী সময়ত কোম্পানীৰ শীৰ্ষ বিষয় ববীয়াৰ স'তে আলোচনাত মিলিত হৈ কেয়াৰটেকাৰসকলৰ চাকৰি সুৰক্ষিতৰ সন্দৰ্ভত মৌখিক ভাৱে আশ্বাস আদায় কৰিছিল। কিন্তু সময় বাগৰাৰ লগে লগে পূৰ্বৰ আশ্বাস পাহৰি বহুজাতিক ইনডাচ কোম্পানীয়ে কোনো কাৰণ নেদেখুৱাকৈ জি ফৰ এছ কোম্পানীৰ জৰিয়তে কেয়াৰ টেকাৰসকলক কৰ্মৰ পৰা অব্যাহতি দিয়াৰ বাবে অসমৰ বিভিন্ন প্ৰান্তৰ ম'বাইল টাৱাৰত কৰ্মৰত কেয়াৰটেকাৰ সকলক বহিৰাজ্যলৈ বাধ্যতামূলক বদলিকৰণৰ বাবে পত্ৰ প্ৰেৰণ কৰাত সদৌ অসম ম'বাইল কেয়াৰটেকাৰ সন্থাই তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। ফলত বৰ্তমান কৰ্মৰত কেয়াৰ টেকাৰসকলৰ জীৱনলৈ কাম অন্ধকাৰ নামি অহাৰ সম্ভাৱনা প্ৰৱল হৈ পৰিছে। সেয়েহে সদৌ অসম ম'বাইল কেয়াৰ টেকাৰ সন্থাই এয়াৰটেলৰ লগতে ইনডাচ কোম্পানীটোৰ উচ্চ পদসংস্থা বিষয়াক কিহৰ বাবে বৰ্তমান কৰ্মৰত থলুৱা নিবনুৱা যুৱকসকলক কৰ্মৰ পৰা অব্যাহতি দিয়াৰ গুণাগঁথা কৰিছে তাৰ স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনোৱাৰ লগতে তেওঁলোকৰ চাকৰি সুৰক্ষিত কৰিবলৈ দাবী জনাইছে। অন্যথা সমগ্ৰ ৰাজ্যত থকা বহুল সমাদৃত এয়াৰটেল নেটৱৰ্ক বন্ধ কৰি দিয়াৰ হুংকাৰ দিছে।

## কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ

*ছয় পৃষ্ঠাৰ পৰা* উপায়ুক্ত ছৈফুদুল্লা খান ২১ নম্বৰ কোঠা, ১২ নম্বৰ ফুলনিৰ বাবে হাওৰাঘাটৰ খণ্ড উন্নয়ন বিষয়া জিদিলি থাউছেন চাৰি নম্বৰ কোঠা, ১৩ নম্বৰ লাংহিঙৰ বাবে অতিৰিক্ত উপায়ুক্ত ধীৰাজ কুমাৰ জৈন ১২ নম্বৰ কোঠা, ১৪ নম্বৰ কৰকাণ্ঠিৰ বাবে অতিৰিক্ত উপায়ুক্ত পপুৰ বৰা ১৬ নম্বৰ কোঠা, ১৫ নম্বৰ মহামায়া সমষ্টিৰ বাবে কলুন্টলি জিমি ১৮ নম্বৰ কোঠা, ১৮ নম্বৰ লুম্বাজঙৰ বাবে শশীকান্ত তিমুং এক নম্বৰ কোঠা, ১৯ নম্বৰ ধনশিৰিৰ বাবে লোক নিৰ্মাণ বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তা জুৱেল তিমুং ছয় নম্বৰ কোঠা আৰু ২০ নম্বৰ সিংহাসন পৰিষদীয় সমষ্টিৰ বাবে জলসিঞ্চন বিভাগৰ অতিৰিক্ত অভিযন্তা ওংকাৰ বে'ক ১৫ নম্বৰ কোঠাত প্ৰাৰ্থীসকলৰ পৰা মনোনয়ন পত্ৰসমূহ গ্ৰহণ কৰিবলৈ নিয়োগ কৰা হৈছে বুলি উপায়ুক্তই সদৰী কৰিছে। তদুপৰি ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰতিগৰাকী প্ৰাৰ্থীক চাৰে চাৰিলাখ টকা নিৰ্বাচনত ব্যয় কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগৰ নিৰ্দেশনাৰ বিষয়ে উপায়ুক্তই অৱগত কৰাৰ লগতে জিলাখনৰ স্পৰ্শকাতৰ আৰু অতি স্পৰ্শকাতৰ নিৰ্বাচন কেন্দ্ৰসমূহ শীঘ্ৰে পৰ্যবেক্ষণ কৰি জনোৱা হ'ব বুলিও মন্তব্য কৰে উপায়ুক্তজনে। উল্লেখ্য যে কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ মুঠ ২৬ টা পৰিষদীয় নিৰ্বাচনৰ বাবে অনুষ্ঠিত হ'ব পৰিষদীয় নিৰ্বাচন। সংবাদমেলত ডিফু নিৰ্বাচনী জিলাৰ নিৰ্বাচনী বিষয়া তথা জিলা উপায়ুক্ত নাথে ডিফু নিৰ্বাচনী জিলাৰ অন্তৰ্গত ১০ টা পৰিষদীয় সমষ্টিৰ সবিশেষ সংবাদমেলত দাঙি ধৰে। বাকীবোৰ সমষ্টিৰ তথ্য এতিয়ালৈকে আহৰণ কৰিব পৰা হোৱা নাই।

## পাহাৰীয়া অঞ্চলৰ উন্নয়নক লৈ সচেষ্ট

*ছয় পৃষ্ঠাৰ পৰা* প্ৰদৰ্শন কৰা শক্তিশালী ভূমিকাৰ প্ৰসংগ উল্লেখ কৰি বিজেপি চৰকাৰে আগবঢ়োৱা বিভিন্ন কল্যাণকামী আঁচনিসমূহ সন্দৰ্ভত বিস্তৃত ব্যাখ্যা দাঙি ধৰে ৰাজ্যিক বিজেপিৰ সভাপতিজনে। বিজেপিৰ এনে কৰ্মসূচীৰ বাবে ভাৰত আজি বিশ্বগুৰুৰ স্থানলৈ ধাৱিত হোৱা বুলি দাবী কৰি বিজেপিৰ শাসনত বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম, উজনি-নামনি সকলোতে উন্নয়নৰ বন্যা বোৱা বুলি কয়। বিজেপিৰ এনে উন্নয়নৰ প্ৰতি আকৰ্ষিত হৈ বিভিন্ন দলৰ পৰাও ভালেসংখ্যক লোকে বিজেপিত যোগদানৰ বাবে আগবাঢ়ি অহা বুলি মত প্ৰকাশ কৰি তেওঁ সমাগত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত পৰিষদৰ ২৬ খন আসনৰ আটাইকেইখনতে বিজেপিৰ বিজয় নিশ্চিত বুলি দাবী কৰে। উল্লেখ্য যে আজিৰ এই সভাতে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক তথা দলটোৰ মুখপাত্ৰ ডাঃ মংৰে ৰংপিয়ে কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰে। ইয়াৰ উপৰি বিভিন্ন দলৰ পৰা মুঠ ৮৪২ জনে বিজেপিত যোগদান কৰে। ডিফুৰ সভাৰ পাছতে বোকাজান ক্ৰীড়া সন্থাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আন এখন দলীয় সভাত অংশগ্ৰহণ কৰি ৰাজ্যিক বিজেপিৰ সভাপতিজনে দলৰ নেতা-কৰ্মীসকলক উৎসাহিত কৰে। সভাত সাংসদ হৰেণছিং বে', বিধায়িকা নন্দিতা গাৰ্লোছা, বিজেপি নেতা বিজয় গুপ্তাকে ধৰি দলটোৰ ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে।

## সদৌ চুতীয়া জাতি সন্মিলনৰ প্ৰধান

*ছয় পৃষ্ঠাৰ পৰা* ইয়াৰ পাছত নশ্বৰদেহ লৈ যোৱা হয়। সতী সাধনী শিশু উদ্যানলৈ আৰু তাতে অগণন গুণমুগ্ধই শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ বিহপুৰীয়া শাখা সাহিত্য সভাৰ এজন সক্ৰিয় কৰ্মী তথা প্ৰাক্তন সম্পাদক আছিল। তেওঁ বিহপুৰীয়াৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুত বিহপুৰীয়া প্ৰেছ ক্লাব, বিহপুৰীয়া জ্যেষ্ঠ নাগৰিক সন্থা, বিহপুৰীয়া শাখা সাহিত্য সভা, বিহপুৰীয়া চুতীয়া জাতি সন্মিলন, অসম জাতীয় পৰিষদ, বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বিহপুৰীয়া আঞ্চলিক সমিতি, তাই আহোম যুৱ পৰিষদ, তাই আহোম ছাত্ৰ সন্থা, সদৌ অসম চুতীয়া ছাত্ৰ সন্থা, মটক যুৱ-ছাত্ৰ সন্থা, সদৌ অসম চুতীয়া মহিলা সন্মিলন, শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ নাহৰআটি থান সত্ৰ পৰিচালনা সমিতি, কল্পতৰু সংঘ আদিয়ে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে এজন পুত্ৰ আৰু দুগৰাকী কন্যা এৰি যায়।

**চুতীয়া জনগোষ্ঠী সংগঠনৰ তিনিদিনীয়া শোক দিৱস**

ইফালে, ২০০২ৰ পৰাই সদৌ চুতীয়া সন্মিলন, অসমৰ সম্পাদকৰ দায়িত্ব বহন কৰি অহা তথা জাতিটোৰ অভিভাৱকস্বৰূপ চুতীয়াৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে জনগোষ্ঠীটোৰ কেওটা সংগঠনে। আজি মহানগৰীস্থিত সতী সাধনীৰ ভৱনত চুতীয়া সন্মিলন, যুৱ সন্মিলন, চুতীয়া ছাত্ৰ সন্থাই পতাকা অৰ্ধনমিত কৰি তিনিদিনীয়া শোক দিৱস পালন কৰিব। চুতীয়া সন্মিলনৰ সভাপতি অমিয় বৰা, উন্নয়ন পৰিষদৰ অধ্যক্ষ কুলকমল বৰা, উপাধ্যক্ষ প্ৰাঞ্জল ৰাজ খনিকৰ, ছাত্ৰ সন্থাৰ সভাপতি মহেন বৰাই চুতীয়াৰ মৃত্যু জাতিটোৰ বাবে ক্ষতি বুলি মন্তব্য কৰি পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

## জনজাতিসকলে সংৰক্ষিত চিন্তাধাৰা

*ছয় পৃষ্ঠাৰ পৰা* কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিধায়ক লৰেন্স ইছলাৰী আদিয়ে। অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী চাংমাক এখন মানপত্ৰ, আৰনাই, এৰি কোট আৰু ফুলৰ থোপাৰে বিটিআৰ চৰকাৰৰ তৰফৰ পৰা আদৰণি জনায়। উল্লেখ্য যে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ৰাজনীতি আৰু বুৰঞ্জী বিভাগৰ উদ্যোগত আৰু বিটিআৰৰ শিক্ষা বিভাগৰ সহযোগত প্ৰথম পূৰ্ণ এ চাংমা সোঁৱৰণী বক্তৃতা আৰু আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰত মুখ্য অতিথিৰূপে মেঘালয়ৰ মুখ্যমন্ত্ৰীজনে তেওঁৰ পিতৃ প্ৰয়াত পি এ চাংমা কেৱল মেঘালয়ৰে নহয় তেওঁ লোকসভাৰ অধ্যক্ষৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনতাৰ আইকন নেতা আছিল। তেওঁ উত্তৰ-পূৰ্বাঞ্চলৰ কাৰণে এগৰাকী বলিষ্ঠ কণ্ঠ আছিল। সেয়ে তেওঁ আজি নাথাকিলেও তেওঁৰ আদৰ্শ আৰু নীতি আজিও আমাৰ মাজত বিৰাজমান হৈ আছে। বড়োলেণ্ড বিশ্ববিদ্যালয়ে আজি পি এ চাংমাৰ সোঁৱৰণত আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰ আয়োজন কৰাত বিশেষকৈ বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, মন্ত্ৰী ইউ জি ব্ৰহ্ম আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক তেওঁ কৃতজ্ঞতা জ্ঞাপন কৰে। এনে অনুষ্ঠানত উপস্থিত হ'বলৈ পাই নিজকে সুখী বুলি ব্যক্ত কৰি এনে পদক্ষেপক মহান অৱদান বুলি মুখ্যমন্ত্ৰীজনে প্ৰশংসা কৰে। তেওঁ কয়, 'পি এ চাংমা এজন কঠোৰ পৰিশ্ৰমী নেতা আছিল আৰু জীৱনত অহা সকলো প্ৰত্যাহ্বান সহজে সমাধান কৰি গৈছিল। ৰাজনৈতিক কেৰিয়াৰত কেতিয়াও তেওঁ পদৱী আৰু টকাৰ পাছত দৌৰিবলৈ হাক দিছিল আৰু ৰাইজৰ হকে কাম কৰিবলৈ পৰামৰ্শ দি কৈছিল, 'ৰাইজক সেৱা কৰক, তেতিয়াহে ৰাইজে আঁজুৰি আনি সমাজত পদমৰ্যাদা আৰু সকলো সুবিধা দিব। তেনে মানৱ দৰদী নেতাজনৰ পৰামৰ্শতে আজি মই আৰু আমাৰ পৰিয়াল ৰাজনৈতিকত স্থান পাৱলৈ সক্ষম হৈছো।' লোকসভাৰ প্ৰাক্তন অধ্যক্ষজনৰ পুত্ৰ তথা মেঘালয়ৰ মুখ্যমন্ত্ৰীজনে বিটিআৰ, মেঘালয়ে নহয় সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক অৰ্থনৈতিকভাৱে নিজৰ উৎসৰে স্বাৱলম্বী হোৱাৰ আহ্বান জনায়। কেৱল দিল্লী আৰু কেন্দ্ৰীয় পুঁজিৰ ওপৰত ভৰসা নকৰি উত্তৰ-পূৰ্বাঞ্চলে অৰ্থনৈতিকভাৱে ৰাজহ সংগ্ৰহৰ উৎস উদ্ঘাটনত মনোনিবেশ কৰাৰ বাবেও নৱ প্ৰজন্মক আহ্বান জনায়। প্ৰয়াত পিতৃ পি এ চাংমাই কেৱল উত্তৰ-পূৰ্বাঞ্চলেই নহয়, দক্ষিণ-পূবৰ জনজাতিসকলৰ বাবে 'ট্ৰাইবেল ৰিচাৰ্জ চেণ্টাৰ' খোলাৰ আশা পুহি ৰাখিছিল আৰু তেওঁৰ সেই সপোনক বাস্তৱায়িত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ২০১৮ত আবণ্টন দিয়া ৪২ কোটি টকা ব্যয়ৰে গাৰো হিলছত এটা ট্ৰাইবেল ৰিচাৰ্জ চেণ্টাৰ স্থাপন কৰাৰ কাম চলি থকা বুলি সদৰী কৰে। মেঘালয়ৰ মুখ্যমন্ত্ৰীজনে পিতৃ পি এ চাংমাই দোহাৰি থৈ যোৱা কথাষাৰ উনুকিয়াই কয়, 'আমি আমাৰ জনজাতিসকলে সংৰক্ষিত চিন্তাধাৰা পৰিৱৰ্তন কৰিব লাগিব। কিয়নো জনজাতিসকলে সংৰক্ষণৰ আশা পুহি নাৰাখি অধিক উদ্যমেৰে আগবাঢ়ি যোৱাৰ মানসিকতা গঢ়ক । তেতিয়াহে উত্তৰ-পূৰ্বাঞ্চল আগবাঢ়ি যাব।' আনহাতে, সংবাদ মাধ্যমৰ আগত অসম-মেঘালয়ৰ সীমা বিবাদ শীঘ্ৰেই নিষ্পত্তি হ'ব বুলি মন্তব্য কৰি এইক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ স'তে অনুষ্ঠিত আলাপ-আলোচনা সম্পূৰ্ণ ইতিবাচক আৰু সঠিক পথেৰেই অগ্ৰগতি লাভ কৰা বুলি সদৰী কৰে। অতি শীঘ্ৰে দ্বিতীয় পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হ'ব আৰু সীমা বিবাদ নিষ্পত্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি মন্তব্য কৰিছে মেঘালয়ৰ মুখ্যমন্ত্ৰীজনে । আলোচনাচক্ৰত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে প্ৰয়াত পি এ চাংমা এজন মেঘালয়ৰ মুখ্যমন্ত্ৰীয়ে নহয় সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া জনজাতিসকলৰ এজন বলিষ্ঠ নেতা আছিল আৰু সংসদৰ মজিয়াত নিৰ্ভীকতাৰে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন আৰু জনতাৰ হকে মাত মাতি আহিছিল। আজি তেওঁৰ স্মৃতিত বড়োলেণ্ড বিশ্ববিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰ আয়োজিত কৰিবলৈ পাই গৌৰৱান্বিত বুলি তেওঁ অনুভৱ ব্যক্ত কৰে। তদুপৰি অহা আঠ জুনত কোকিলাবাৰী বিটিচিৰ পৰিষদীয় সমষ্টিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু তাৰ বাবে তেওঁলোক সাজু বুলি মন্তব্য কৰি তেওঁলোকৰ প্ৰাৰ্থীয়ে বিপুল ভোটত জয়লাভ কৰিব বুলি দাবী কৰে। বড়োৱে সংবাদ মাধ্যমৰ আগত অহা দুই-এদিনতে কোকিলাবাৰী বিটিচি পৰিষদীয় সমষ্টিৰ নিৰ্বাচন উপলক্ষে দলীয় প্ৰাৰ্থী ঘোষণা কৰা হ'ব বুলিও সদৰী কৰে। সভাত অসম চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মায়ো পি এ চাংমাক উত্তৰ-পূৰ্বাঞ্চলৰ এজন বলিষ্ঠ নেতা আছিল বুলি কয়। ৰাজ্যিক তথ্য আয়ুক্ত তথা জ্যেষ্ঠ সাংবাদিক সমুদ্ৰ গুপ্ত কাশ্যপে প্ৰয়াত পি এ চাংমাক দেশৰ ভিতৰত স্থান পোৱা উত্তৰ- পূৰ্বাঞ্চলৰ ভিতৰত দ্বিতীয়জন মহান নেতা আছিল বুলি কয়। সুধাকণ্ঠ ভূপেন হাজৰিকাৰ পাছতে দ্বিতীয়জন দেশৰ পৰিচিত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজনীতিৰ বিচক্ষণ নেতা আছিল বুলি মত ব্যক্ত কৰে। উল্লেখ্য যে আজিৰ অনুষ্ঠানত শ্বিলং মহিলা কলেজৰ বুৰঞ্জী বিভাগৰ সহকাৰী প্ৰবক্তা ড° মৌচমী দে', বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপচাৰ্য ড° লাইশ্ৰাম লাড্ডু সিং, বিটিচিৰ কাৰ্যবাহী সদস্য ৰেওৰেৱা নাৰ্জীহাৰী, পাৰিষদ মাধৱ ছেত্ৰী, এবছুৰ সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰী, উপ-সভাপতি খোৰমদাও ওৱাৰী, বিটিআৰৰ ভাৰপ্ৰাপ্ত মহাপৰিদৰ্শক এল আৰ বিষ্ণৈ আৰু কোকৰাঝাৰ জিলাৰ আৰক্ষী অধীক্ষক প্ৰতীক বিজয় কুমাৰ থুৱে আৰু উপায়ুক্ত বৰ্ণালী ডেকা উপস্থিত থাকে।

# এমাহৰ ভিতৰত ৱাৰ্ড জিলা পৰ্যায়ৰ সমিতি পূৰ্ণাংগ ৰূপ দিবলৈ নিৰ্দেশ

## ■ লালুকত ৰাইজৰ দলৰ কৰ্মী সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**লালুক, ১৩ মে' ঃ** ৰাইজৰ দলৰ লখিমপুৰ জিলা সমিতিৰ উদ্যোগত নাওবৈচা সমষ্টি সমিতিৰ সহযোগত লালুক সংগীত মহাবিদ্যালয় প্ৰেক্ষাগৃহত কালি এক কৰ্মীসভাৰ আয়োজন কৰা হয়। দিশৰ এক বজাৰ পৰা অনুষ্ঠিত ৰাইজৰ দলৰ কৰ্মীসভাখনত সভাপতিত্ব কৰে আজাদ হাজৰিকাই। উক্ত সভাত উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় ভবেন শইকীয়াই। সভাখনত ৰাইজৰ দলৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি অখিল গগৈ, সাধাৰণ সম্পাদক আজিজুৰ ৰহমান, মুখপত্ৰ জ্ঞানশ্ৰী বৰা, যুৱ বলৰ মুখ্য সমন্বয়ক লক্ষ্যজ্যোতি গগৈ আদি কৰি ৰাইজৰ দল, কৃষক মুক্তি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ বহু কেঁবাগৰাকী নেতা-কৰ্মী উপস্থিত থাকে। কৰ্মী সভাখনত ৰাইজৰ দলৰ নেতা গগৈয়ে দলৰ কৰ্মীসকলক উদ্দেশি ভাষণ প্ৰদান কৰি অহা পঞ্চায়ত নিৰ্বাচনৰ বাবে কৰ্মীসকলক এতিয়াৰ পৰাই সাজু হ'বলৈ আহ্বান জনায়। লগতে এমাহৰ ভিতৰত দলৰ ৱাৰ্ড সমিতিৰ পৰা আৰম্ভ কৰি জিলা পৰ্যায়লৈকে সকলো সমিতিকে পূৰ্ণাংগ ৰূপ দিবলৈ নিৰ্দেশ দিয়ে। উক্ত সভাত ৰাইজৰ দলৰ নেতাজনে বৰ্তমানৰ বিজেপি চৰকাৰখনক ক্ষুৰধাৰ সমালোচনা কৰে। বিজেপিৰ চৰকাৰখন অহাৰ পাছত ৰাজ্যৰ বহু যুৱক-যুৱতীসকল আলফালৈ যোৱা আৰম্ভ কৰিলে বুলি মন্তব্য কৰি নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বিৰুদ্ধে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। সভাত ৰাইজৰ দলৰ মুখপত্ৰ জ্ঞানশ্ৰী বৰাই ভাষণ প্ৰদান কৰি চৰকাৰৰ কাম কাজক সমালোচনা কৰে। উক্ত সভাত দলটোৰ অন্যান্য নেতা-কৰ্মীসকলেও ভাষণ প্ৰদান কৰে। ইয়াৰ মাজতে গগৈয়ে সংবাদ প্ৰতিনিধিৰ স'তে মত বিনিময় কৰাৰ সময়ত মঞ্চ ভাঙি পৰি অথন্তৰ ঘটে। অৱশ্যে উক্ত ঘটনাত কোনো লোক আহত হোৱা নাই।

## মৰিগাঁৱত সদৌ

*ছয় পৃষ্ঠাৰ পৰা* ৰূপজ্যোতি মেধিয়ে এক বিবৃতিযোগে কয় যে মৰিগাঁৱত ১৯ আৰু ২০ জুনত অনুষ্ঠিত হ'ব লগা কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস সফলভাৱে ৰূপায়ণ কৰিবলৈ জিলাখনৰ সৰ্বস্তৰৰ ৰাইজক সামৰি অহা ১৬ মে'ত সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হ'ব। মৰিগাঁও নগৰৰ গান্ধীভৱন প্ৰাগংগত দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সভালৈ সকলোকে নিমন্ত্ৰণ জনাইছে। ইপিনে, সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি উৎপল শৰ্মাই আছুৰ কেন্দ্ৰীয় এই বৰ্ণাঢ্য আৰু মৰ্যাদাপূৰ্ণ অনুষ্ঠানটোত অসমৰ কে'বাগৰাকীও বিশিষ্ট শিল্পী, গুণী ব্যক্তি আৰু সমগ্ৰ ৰাজ্যৰ আছুৰ বিষয়ববীয়া তথা কৰ্মকৰ্তাই অংশগ্ৰহণ কৰিব বুলি আজি সংবাদ মাধ্যমৰ আগত মন্তব্য প্ৰকাশ কৰাৰ লগতে মৰিগাঁৱত অনুষ্ঠান আয়োজনৰ ক্ষেত্ৰত জিলাবাসীৰ আশীৰ্বাদ আৰু সমৰ্থন আমাৰ চিৰকাম্য বুলি মত প্ৰকাশ কৰে।

## কালিয়নী ক্লাবৰ উদ্যোগত খেলাৰ সামগ্ৰী বিতৰণ

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ১৩ মে' ঃ** নুমলীগড় শোধনাগাৰ নগৰাঞ্চলত স্থানীয় নদীৰ নামেৰে কালিয়নী ক্লাব গঠন কৰি বিগত এক দশকৰো অধিক কাল এন আৰ এলৰ বিষয়াবৰ্গই ঐক্যবদ্ধভাৱে অন্যান্য কাৰ্যসূচীৰ লগতে অঞ্চলটোৰ মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰতো বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰ অংশ স্বৰূপেই কালিয়নী ক্লাবৰ তৰফৰ পৰা অঞ্চলটোৰ ক্ৰমে মুক্তি যুৱক সংঘ, প্ৰাগজ্যোতি যুৱক সংঘ, পংকা নৱ যুৱক সংঘ আৰু নীলকণ্ঠ যুথ ক্লাবৰ মাজত কেৰেম ব'ৰ্ড, ভলীবলকে আদি কৰি কিছু খেলাৰ সামগ্ৰী বিতৰণ কৰে। কালিয়নী ক্লাবৰ সমাজ সেৱা বিভাগৰ সম্পাদক দেৱৰাজ তালুকদাৰৰ নেতৃত্বত ক্লাবৰ একাংশ সদস্যই অঞ্চলটোৰ প্ৰতিটো ক্লাবলৈ নিজে গৈ এই খেলাৰ সামগ্ৰীসমূহ বিতৰণ কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও ইতিমধ্যে বোকাখাত আৰু কমাৰগাঁৱৰ কিছু অনুষ্ঠানলৈ খেলাৰ সামগ্ৰী বিতৰণ কৰা হৈছে বুলিও সম্পাদক তালুকদাৰে জানিবলৈ দিয়ে। কালিয়নী ক্লাৱে গ্ৰহণ কৰা এনে পদক্ষেপৰ বিভিন্ন মহলে আদৰণি জনাইছে।

## ডবকা সামূহিক স্বাস্থ্য কেন্দ্ৰত আন্তৰ্জাতিক ধাত্ৰী দিৱস পালন



অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ১৩ মে'ঃ** ফ্ল'ৰেন্স নাইটিংগেলৰ জন্ম দিনটোত সমগ্ৰ বিশ্বত নাৰ্ছ দিৱস ৰূপে পালন কৰি আহিছে। ৰাজ্যৰ বিভিন্ন চিকিৎসালয়ৰ লগতে হোজাই জিলাৰ ডবকা সামূহিক স্বাস্থ্য কেন্দ্ৰত বিশ্ব ধাত্ৰী দিৱস উদ্যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি, প্ৰথমে আধুনিক নাৰ্ছিং সেৱাৰ জনক ফ্লৰেন্স নাইটিংগেলৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনৰ পাছতে সভা অনুষ্ঠিত হয়। সভাত ডবকা সমূহীয়া চিকিৎসা কেন্দ্ৰৰ বিষয়া ডাঃ ইছহাক আলী, আবু শ্বৰিফ আকন্দ, জিয়াউল ইছলামক সম্বৰ্ধনা জনায় চিকিৎসালয়খনত কৰ্মৰত নাৰ্ছসকলে। তাৰ পাছতে নাৰ্ছসকলে হোজাই শীৰ্ষক এটি সমবেত সংগীত পৰিৱেশন কৰে। উল্লেখ্য যে প্ৰতিবছৰ নাৰ্ছ দিৱসৰ এটা থিম বা আলোচনাৰ মূল বিষয়বস্তু থাকে। এইবাৰৰ আলোচনাৰ বিষয়বস্তু হৈছে- 'নাৰ্ছ ঃ নেতৃত্বৰ এটি কণ্ঠস্বৰ নাৰ্ছিঙত বিনিয়োগ কৰক আৰু বিশ্ব স্বাস্থ্য সুৰক্ষিত কৰিবলৈ অধিকাৰক সন্মান কৰক' শীৰ্ষক বিষয়ৰ ওপৰত আলোকপাত কৰে ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়াজনে। নাৰ্ছসকলেও নিজৰ দায়িত্ব নিষ্ঠা আৰু সততাৰে পালন কৰাৰ সংকল্প লয়। কালি ডবকা চিকিৎসালয়ত উদ্যাপন কৰা নাৰ্ছ দিৱসৰ অনুষ্ঠানত চিকিৎসালয়খনত কৰ্মৰত বিভিন্ন স্তৰৰ বিষয়া-কৰ্মচাৰী, আশা কৰ্মীসকল উপস্থিত থাকে ।

## পট্টা প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়া

*তিনি পৃষ্ঠাৰ পৰা* থকাৰ সময়তে গুৱাহাটীক বানমুক্ত কৰাৰ কাৰণ দেখুৱাই আজি বৰবাৰীৰ শিলসাঁকো বিলত চলোৱা হয় উচ্ছেদ অভিযান। গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণ (জিএমডিএ)ৰ উদ্যোগত চলা এই অভিযানত কমেও ৫০টা কেঁচা আৰু পকীঘৰ ভাঙি পেলোৱা হয়। মুষলধাৰ বৰষুণৰ মাজতে চলা এই অভিযানক লৈ উচ্ছেদিতসকল চৰকাৰৰ প্ৰতাৰণাক লৈ সৰৱ হয়। তেওঁলোকে অভিযোগ কৰে যে মাত্ৰ কেইদিনমান পূৰ্বে অঞ্চলটোৰ অধিকাংশ লোকে পৌৰ নিগমৰ নিৰ্বাচনত ভোটদান কৰিছিল। ভোট বিচাৰি যোৱাসকলে ৰাইজক ভূমিপট্টা প্ৰদানৰ আশ্বাস দিছিল। ভোটদানৰ প্ৰমাণ হিচাপে আঙুলিত থকা চিহ্ন দেখুৱাই তেওঁলোকে কয়, 'আমাক বিজুলীৰ যোগান ধৰা হৈছে, ভোটৰ অধিকাৰ প্ৰদান কৰা হৈছে। তাৰে গইনা লৈ আমাক মাটিৰ পট্টা দিয়াৰ সপোন দেখুওৱা হৈছিল। পট্টা প্ৰদানৰ প্ৰতিশ্ৰুতিৰে আমাৰ পৰা ভোটো আদায় কৰিছে আৰু আজি আমাৰ পৰা ভোট লৈ জয়যুক্ত হোৱা পাৰিষদে শপত গ্ৰহণ কৰি থকা সময়তে আমাৰ ঘৰ ভাঙি দিয়া হৈছে।' এই উচ্ছেদৰ আগতীয়া জাননী প্ৰশাসনে নিদিয়া বুলিও লোকসকলে অভিযোগ কৰে। অৱশ্যে এই অভিযোগ ভিত্তিহীন বুলি মন্তব্য কৰে উচ্ছেদস্থলীত উপস্থিত থকা জিএমডিএৰ অধ্যক্ষ নাৰায়ণ ডেকাই। তেওঁ কয়, 'জলাশয়ত বসবাস কৰা, চৰকাৰৰ ভূমি দখল কৰি থকা লোকক আগতীয়াকৈ জাননী দিয়াৰ কথা নাহে। চৰকাৰী মাটি দখল কৰাৰ সময়ত তেওঁলোকে জাননী দি দখল কৰিছিল নেকি? গতিকে ইয়াত জাননীৰ কথা নাহেই।' ডেকাই লগতে জনায় যে শিলসাঁকো বিলৰ কমেও এহেজাৰ বিঘা ভূমি বেদখল হৈছে। বিলখন বেদখলমুক্ত কৰিলেহে গুৱাহাটীৰ কৃত্ৰিম বানৰ সমস্যা সমাধান হ'ব বুলি তেওঁ কয়। ডেকাৰ মতে, গুৱাহাটীৰ ভিতৰত জমা হোৱা পানী শিলসাঁকো বিললৈ বৈ যায়। সেই পানী বোন্দাজান হৈ ব্ৰহ্মপুত্ৰলৈ লৈ যোৱাৰ পৰিকল্পনা কৰা হৈছে।

আজি কমেও এশ মিটাৰ ব্যাসাৰ্ধত উচ্ছেদ চলোৱা হয়। আগন্তুক দিনতো এই উচ্ছেদ অব্যাহত থাকিব। অহা ১৫ মে'তো অঞ্চলটোত উচ্ছেদ চলোৱা হ'ব। আজি উচ্ছেদ কৰা ঘৰবোৰৰ ভিতৰত কমেও ১০-১২ বছৰ পুৰণি পকী ঘৰো আছে। ঘৰৰ লগতে পৰিয়ালবোৰৰ বহু গছ-গছনিও ধ্বংস কৰা হয়। তাৰ ভিতৰত নাৰিকল, তামোল লাগি থকা বহু গছ আছে। অঞ্চলটোৰ বহুকেইটা পৰিয়াল দিন হাজিৰাৰ ওপৰত নিৰ্ভৰশীল। চৰকাৰী চাকৰিয়াল থকা পৰিয়ালো উচ্ছেদিতসকলৰ ভিতৰত আছে। সকলোৱে দিনটোৰ বাবে কৰ্মস্থলীৰ পৰা ওলাই অহাৰ পাছতে আৰম্ভ হোৱা উচ্ছেদৰ খবৰ লাভ কৰি সকলোৱে নিজৰ ঘৰখন বচাবলৈ দৌৰ মাৰে। আনকি আৰক্ষী বিভাগত কাম কৰা লোকৰো ঘৰ আজি উচ্ছেদ হয়। এই উচ্ছেদত কমেও ১২খন এক্সকেভেটৰ ব্যৱহাৰ কৰা হয়। আৰক্ষী, অৰ্ধসামৰিক বাহিনীৰ কে'বাশ লোকক এই উচ্ছেদত নিয়োজিত কৰা হয়। পুৱাৰ মুষলধাৰ বৰষুণৰ মাজতে চলা উচ্ছেদৰ ফলত উচ্ছেদিতৰ আলাই-আথানি নোহোৱা হয়। বহুকেইটা পৰিয়ালত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ অধীনত চলি থকা পৰীক্ষাৰ পৰীক্ষাৰ্থী আছে। উচ্ছেদ আৰু বৰষুণৰ ফলত ঘৰৰ সা-সামগ্ৰীৰ লগতে তেওঁলোকৰ কিতাপ-পত্ৰও নষ্ট হয়।

# নুমলীগড়ত দুৰ্বৃত্তৰ গুলিত নিহত বন্যহস্তীৰ ৰাজহুৱা আদ্যশ্ৰাদ্ধ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ১৩ মে' ঃ** গোলাঘাট জিলা বন সংমণ্ডলৰ অধীনৰ মৰঙি ৰাজহ চক্ৰৰ বকিয়াল খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত তিনি নম্বৰ ৰংবং গাঁৱত যোৱা ৩০ এপ্ৰিলত এজনী গাভিনী বনৰীয়া হাতী দুৰ্বৃত্তৰ পাঁচটা গুলিৰে গুলীবিদ্ধ হৈ উক্ত অঞ্চলত মৃত্যু হৈছিল। লগতে গৰ্ভত থকা পোৱালিটো মৃত অৱস্থাত মৰণোত্তৰ পৰীক্ষাৰ সময়ত উদ্ধাৰ হয়। এই ঘটনাই সমগ্ৰ ৰাজ্যতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। কিন্তু হাতীজনীৰ মৃত্যুৰ ১২ টা দিন পাৰ হৈ যোৱাৰ পাছতো বন বিভাগ আৰু আৰক্ষী প্ৰশাসনে এই পৰ্যন্ত দুৰ্বৃত্তক কৰায়ত্তৰ ক্ষেত্ৰত কোনো ধৰণৰ তদন্ত অথবা অভিযান নচলোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। ইয়াৰ মাজতে পৰহি হাতীজনীৰ মৃত্যুৰ ১১ দিনৰ অন্তত বৃহত্তৰ অঞ্চলৰ ৰাইজ একত্ৰিত হৈ পাতিলে আদ্যশ্ৰাদ্ধ। হাতীজনীৰ ফটোত মালা পিন্ধাই ৰাইজে চাকি, বন্তি, ধূপ নৈবেদ্য দি সেৱা ল'লে। উল্লেখ্য যে বৃহত্তৰ ৰংবং অঞ্চলত দীৰ্ঘদিন ধৰি গাঁৱৰ মাজত বনৰীয়া হাতীয়ে খাদ্যৰ সন্ধানত বিচৰণ কৰাৰ লগতে নিতৌ ৰাইজৰ বাৰী ঘৰ নষ্ট কৰি আহিছে। হাতী মানুহৰ সংঘাত ৰোধত সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছে বন বিভাগ।

## মাজুলী জিলাত গুণোৎসৱৰ ব্যাপক প্ৰস্তুতি

### মাজুলী মহাবিদ্যালয়ত প্ৰশিক্ষণ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১৩ মে' ঃ** অসমত বিদ্যালয়সমূহৰ গুণোৎসৱ আৰম্ভ হয় যদিও মাজুলী জিলাত অহা ২৩, ২৪, ২৫, আৰু ২৬ তাৰিখে দ্বিতীয় পৰ্যায়ত গুণোৎসৱ অনুষ্ঠিত হ'ব। তদুপৰি আজি মাজুলী মহাবিদ্যালয়ত পুৱা ১১ বজাৰ পৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বহিঃ মূল্যায়কৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। মাজুলী জিলাৰ উপায়ুক্ত পুলক মহন্তই এই প্ৰশিক্ষণৰ আৰম্ভ কৰে। বিভিন্ন বিভাগৰ মুঠ ২১৫ গৰাকী ৰাজপত্ৰিত বিষয়া আৰু মহাবিদ্যালয়সমূহৰ অধ্যাপকে গ্ৰহণ কৰা এই প্ৰশিক্ষণত মুঠ ১০গৰাকী প্ৰধান প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণ গ্ৰহণ কৰা বিষয়াসকল হৈছে বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক নৱ নাথ গোহাঁই, জিলা আঁচনি বিষয়া পৰশ গোস্বামী, পঞ্জাৰ দলে, ঋতুৰাজ হাজৰিকা, শিক্ষা বিভাগৰ কনিষ্ঠ অভিযন্তা দেৱজিৎ দাস, শিক্ষা বিভাগৰ জিলা প্ৰকল্প অভিযন্তা দেৱজিৎ কলিতা, খণ্ড সমল ব্যক্তি অনিল দত্ত, সহযোগী অধ্যাপক অমূল্য ভূএগ, অনুপ কুমাৰ দাস আৰু বিনোদ দাস। প্ৰশিক্ষণত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সৌৰভ বৰফুকন, বিদ্যালয়সমূহৰ সহঃ পৰিদৰ্শক কেশৱ চন্দ্ৰ দেউৰী উপস্থিত থাকে। আগন্তুক গুণোৎসৱক সাফল্যমণ্ডিত কৰি তোলাৰ অৰ্থে উপায়ুক্তই এক নিৰ্দেশনা পত্ৰ বিদ্যালয়সমূহত ৰূপায়ণ কৰিবলৈ সকলো বিদ্যালয়লৈ প্ৰেৰণ কৰে।

## কোনো উগ্ৰপন্থীক বিশ্বাস নকৰো ঃ কলিতা

### ■ ৰঙিয়া উপ-কোষাগাৰৰ নতুন কাৰ্যালয় ভৱনৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ১৩ মে' ঃ** 'মই কোনো উগ্ৰপন্থীক বিশ্বাস নকৰো। আমাৰ যথেষ্ট কাম কৰিবলগীয়া আছে। অসমখনক আগুৱাই নিবলগীয়া কাম যথেষ্ট আছে। উঠি অহা প্ৰজন্মই নিজক গঢ়িবলৈ হ'লে সুন্দৰভাৱে অধ্যয়ন কৰিব লাগিব। কিয়নো উপযুক্তভাৱে অধ্যয়ন কৰিলে এটা নহয় এটা ৰাস্তা থাকিবই। উগ্ৰপন্থীয়ে কেতিয়াও দেশখনক, সমাজখনক, পৰিয়ালক আগুৱাই নিব নোৱাৰে। ইয়াতেই থাকি আমি আমাৰ নিজৰ কৰ্ম আৰম্ভ কৰিব লাগিব। আমি ইয়াত সমাজখনক উৎসাহ দিবলৈ সক্ষম হ'ব পাৰিব লাগিব।' এই মন্তব্য ৰঙিয়া সমষ্টিৰ বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাৰ। কালি তেওঁ ৰঙিয়া উপ-কোষাগাৰৰ নৱনিৰ্মিত কাৰ্যালয় ভৱনটো উদ্বোধন কৰি ৰাইজৰ সেৱাত উচৰ্গা কৰাৰ পাছত এই দৰে মন্তব্য কৰে। শেহতীয়াভাৱে ৰঙিয়াসহ ৰাজ্যৰ কে'বাজনো যুৱক-যুৱতীয়ে আলফা স্বাধীনত যোগ দিয়া সন্দৰ্ভত কলিতাই এই দৰে মন্তব্য কৰে। উপ-কোষাগাৰৰ নৱ নিৰ্মিত ভৱন উদ্বোধন কৰা উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি তেওঁ কয় যে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা এই উপ-কোষাগাৰ বিষয়াৰ কাৰ্যালয়ৰ জৰিয়তে ৰঙিয়া মহকুমাৰ ৰাইজ যথেষ্ট উপকৃত হোৱাৰ লগতে বিশেষকৈ মহকুমাটোৰ অন্তৰ্গত বিভিন্ন চৰকাৰী বিভাগত কৰ্মৰত বিষয়া-কৰ্মচাৰীসকলৰ চৰকাৰী কাম-কাজ সময়মতে আৰু সুচাৰুৰূপে সম্পাদন কৰাত সহায়ক হ'ব। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে চৰকাৰী কাৰ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত যথোচিত গুৰুত্ব প্ৰদান কৰিছে বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কাৰ্যালয়টোৰ তিনিওটা মহলা পৰিদৰ্শন কৰাৰ লগতে উৎসৰ্গীকৃত মনোভাৱেৰে ৰাইজৰ সেৱাত ব্ৰতী হ'বলৈ কোষাগাৰৰ বিষয়া-কৰ্মচাৰীসকলৰ প্ৰতি আহ্বান জনায়। উক্ত অনুষ্ঠানত ৰঙিয়া মহকুমাৰ মহকুমাধিপতি ৰাহুল জাভিৰ সুৰেশে কয় যে নতুনকৈ উদ্বোধন হোৱা মহকুমা কোষাগাৰ কাৰ্যালয়টোৰ ৰাইজৰ কাম-কাজত যথেষ্ট সকাহ হ'ব লগতে ইয়াৰ পৰা সুফল পাব। উদ্বোধনী অনুষ্ঠানত প্ৰাক্তন কোষাগাৰ বিষয়া তথা বিত্ত আৰু গাণনিক বিষয়া, সমাজ কল্যাণ আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ প্ৰাণজিৎ গায়ন, কামৰূপ জিলা কোষাগাৰ বিষয়া চন্দনা গোস্বামী, সহকাৰী আয়ুক্ত চম্পক ডেকা, মহকুমা নিৰ্বাচন বিষয়া নীল হৰিৎ কৌশিক, ৰঙিয়াৰ কোষাগাৰ বিষয়া হীৰামণি বৰ্মন, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া প্ৰবীণ ৰাভা প্ৰমুখ্যে বিভিন্ন বিভাগৰ বিষয়া- কৰ্মচাৰীসকল তথা ৰঙিয়া উপ- কোষাগাৰৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## ডিগবৈত ছিঙি পৰিল বিদ্যুৎ পৰিবাহী তাঁৰ

**ডিগবৈ, ১৩ মে' ঃ** তিনিচুকীয়া জিলা তৈলনগৰী ডিগবৈ চহৰৰ মাজমজিয়াত কালি পুৱা ১১ বজাত এক অঘটন সংঘটিত হয়। ডিগবৈ চহৰৰ প্ৰাণকেন্দ্ৰ স্বৰূপ পুলিচ পয়েণ্টতে ৩৮ নম্বৰ ঘাইপথৰ ওপৰেদি পৰিবাহী হোৱা ২২০ ভল্টৰ বিদ্যুৎ পৰিবাহী এডাল তাঁৰ আকস্মিকভাৱে ছিঙ ঘাইপথৰ সোঁমাজত পৰে। বিদ্যুৎ পৰিবাহী হৈ থকা তাঁৰডাল ছিঙি যোৱাৰ সময়ত ঘাইপথটোৰ উক্ত ঠাইডোখৰত কোনো যানবাহন তথা পথচাৰী অতিক্ৰম কৰা নাছিল। পুলিচ পয়েণ্টত যানবাহন নিয়ন্ত্ৰণৰ বাবে কৰ্তব্যৰত যানবাহন আৰক্ষীয়ে। যানবাহনসমূহ ৰখাই ডিগবৈ বিদ্যুৎ বিতৰণ সংমণ্ডলক খবৰ কৰাত বিদ্যুৎ কৰ্তন কৰে।

## বঙাইগাঁৱত আন্তৰ্জাতিক নাৰ্ছ দিৱস উদ্যাপন



অগ্ৰদূত বাৰ্তা

**বঙাইগাঁও, ১৩ মে'ঃ** সমগ্ৰ বিশ্ব তথা সমগ্ৰ ভাৰতৰ লগতে বৃহস্পতিবাৰে বঙাইগাঁও অসামৰিক চিকিৎসালয়তো আন্তৰ্জাতিক নাৰ্ছ দিৱস উদ্যাপন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় ধাত্ৰী দিৱস উপলক্ষে বঙাইগাঁও অসামৰিক চিকিৎসালয়ত বৃহস্পতিবাৰৰ পুৱাৰ ভাগত জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ পি কে ৰায়ে বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে। উল্লেখ্য যে ফ্লোৰেন্স নাইটিংগেলৰ জন্মদিনৰ লগত সংগতি ৰাখি আয়োজিত 'আন্তৰ্জাতিক নাৰ্ছ দিৱস'ৰ আনন্দৰে হাস্পতালত মমবাতি জ্বলাই আৰু কেক কাটি উল্লাস কৰে। ইয়াৰ পাছতে বঙাইগাঁও অসামৰিক চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ নাজিৰুল ইছলামৰ পৌৰোহিত্যত অনুষ্ঠিত হয় এক গুৰুত্বপূৰ্ণ সভা। সভাত জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ পি কে ৰায়, বঙাইগাঁও অসামৰিক চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ নাজিৰুল ইছলাম আদিয়ে স্বাস্থ্য সেৱা বিভাগত নাৰ্ছসকলে আগবঢ়োৱা মানৱ সেৱা আৰু মহৎ কাৰ্যৰ প্ৰশংসা কৰে। লগতে অনাগত দিনতো সকলোৱে আন্তৰিকতাৰে কাম কৰি যোৱাৰ সংকল্প গ্ৰহণ কৰে।

## গুণোৎসৱত দুমুনিচকী-বাঁহগড়াত মন্ত্ৰী পাটোৱাৰী



অগ্ৰদূত বাৰ্তা

**দুমুনিচকী ১৩ মে' ঃ** তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ অংশ হিচাবে কালি দৰঙৰ অভিভাৱক মন্ত্ৰী তথা পৰিবহণ আৰু উদ্যোগ বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে দৰং জিলাৰ ছিপাঝাৰ শিক্ষাখণ্ডৰ অন্তৰ্গত এক নম্বৰ মাৰুৱাচকী প্ৰাথমিক বিদ্যালয় আৰু বাঁহগড়া গণেশকুঁৱৰী জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত মন্ত্ৰীজনক সংগ দিয়ে দৰং জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই। পাটোৱাৰীয়ে উক্ত দুয়োখন শিক্ষানুষ্ঠানৰ শিক্ষক-কৰ্মচাৰী আৰু পৰিচালনা সমিতিৰ স'তে দীৰ্ঘ সময় মত বিনিময় কৰে। মত বিনিময়ৰ সময়ছোৱাত শিক্ষানুষ্ঠান দুখনৰ বিভিন্ন সমস্যাৰ বুজ লৈ পাটোৱাৰীয়ে বিদ্যালয় দুখনৰ সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে।






# নিৰ্মাণৰ পাছতে জহি-খহি গৈছে বাগিচাৰ শৌচাগাৰ



## তামাৰহাটত স্বচ্ছ ভাৰতৰ নামত ভেঁকোভাওনা

**তামাৰহাট, ১৩ মে' ঃ** কেন্দ্ৰ চৰকাৰে মুকলি ঠাইত মল ত্যাগ বন্ধ কৰাৰ লক্ষ্যৰে আৰু পৰিৱেশ অটুট ৰাখিবলৈ স্বচ্ছ ভাৰত আঁচনিৰ অধীনত দৰিদ্ৰ পৰিয়ালক এটাকৈ বিনামূলীয়া শৌচাগাৰ দিয়াৰ ব্যৱস্থা কৰিছে। এই শৌচাগাৰৰ নামত ভাৰত চৰকাৰে কোটি কোটি টকা খৰচ কৰিছে যদিও প্ৰকৃতপক্ষে সাধাৰণ লোকে কোনো উপকৃত হোৱা নাই। শৌচাগাৰৰ নামত ভাৰত চৰকাৰে কোটি কোটি টকা খৰচ কৰিছে যদিও প্ৰকৃত পক্ষে সাধাৰণ লোকে কোনো উপকৃত হোৱা নাই। শৌচাগাৰ নিৰ্মাণৰ নামত চৰকাৰে ব্যয় কৰা ধন অথলে যোৱাৰ উপক্ৰম হৈছে। শৌচাগাৰ নিৰ্মাণৰ নামত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ একাংশ বিষয়া আৰু ঠিকাদাৰে নিশাৰ ভিতৰতে কোটিপতি হৈ পৰিছে। ৰাজ্যৰ আন প্ৰান্তৰ দৰে স্বচ্ছ ভাৰতৰ নামত নিৰ্মাণ কৰা শৌচাগাৰক কেন্দ্ৰ কৰি গোসাঁইগাঁৱত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ তথ্য পোহৰলৈ আহিছে। গোহাঁইগাঁও মহকুমাৰ মৰনৈ চাহ বাগিচাত প্ৰায় ২২শ শ্ৰমিকৰ পৰিয়াল আছে। এই পৰিয়ালসমূহৰ বাবে পৃথক কোনো শৌচাগাৰৰ ব্যৱস্থা নথকাত যেনেতেনে চলি আহিছে। এই পৰিয়ালসমূহক কেন্দ্ৰীয় চৰকাৰৰ অধীনত স্বচ্ছ পৃথত কোনো শৌচাগাৰৰ ব্যৱস্থা নথকাত যেনেতেনে চলি আহিছে। এই পৰিয়ালসমূহক কেন্দ্ৰীয় চৰকাৰৰ অধীনত স্বচ্ছ ভাৰতৰ আঁচনিৰ যোগেদি এটাকৈ শৌচাগাৰ নিৰ্মাণ কৰি দিয়া হয়। কিন্তু বাস্তৱত মৰনৈ চাহ বাগিচাৰ শ্ৰমিকসকলে কোনো উপকৃত নহ'ল। ঠিকাদাৰ আৰু বিষয়া-কৰ্মীৰ জেপ গধুৰ হোৱাৰ বাহিৰে আন একো নহ'ল। উক্ত শৌচাগাৰসমূহ নিৰ্মাণত ইমানেই দুৰ্নীতি সংঘটিত কৰিছে ঠিকাদাৰে নিৰ্মাণৰ পাছতে জহি-খহি বিধ্বস্ত হৈ পৰিছে। অচল অৱস্থাত পৰি আছে শৌচাগাৰসমূহ। চৰকাৰে কোটি কোটি টকা খৰচ কৰিছে যদিও কামত এটাও নাহিলে। চাহ বাগিচাখনৰ শ্ৰমিকসকলে ব্যৱহাৰ কৰাৰ পূৰ্বে ধ্বংস হৈছে শৌচাগাৰসমূহ। অধিকাংশ শৌচাগাৰৰ ১৩ পৃষ্ঠাত চাওক

সুধাকণ্ঠৰ নামত বৃহৎ ৰাজহুৱা প্ৰেক্ষাগৃহ

## ড° ভূপেন হাজৰিকা সাংস্কৃতিক মঞ্চ উদ্বোধন

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৩ মে' ঃ** বিশ্ববৰেণ্য শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নামত ডিব্ৰুগড় চহৰৰ উপকণ্ঠ ৰজাভেটা গাঁও পঞ্চায়তৰ অধীনস্থ পোহাৰীখনীয়াত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা সাংস্কৃতিক মঞ্চ নিৰ্মাণ তথা বৃহৎ ভৱনটো উদ্বোধন কৰা হয়। স্থানীয় বিধায়ক প্ৰশান্ত ফুকনে পুৱাৰ ভাগত এই সাংস্কৃতিক মঞ্চ ফিটা কাটি উদ্বোধন কৰে। উল্লেখ্য যে অনুসূচিত জাতি সঞ্চালকালয়ৰ ৪৯.৬৫ লাখ টকা ব্যয়েৰে উক্ত সাংস্কৃতিক মঞ্চখন নিৰ্মাণ কৰা হৈছে। ৰজাভেটা পঞ্চায়তৰ এই বৃহৎ অঞ্চলটোৰ ৰাইজৰ বহুদিনীয়া অভাৱ পূৰণ কৰি প্ৰেক্ষাগৃহটোত বিভিন্ন অনুষ্ঠান আয়োজন কৰাৰ ক্ষেত্ৰত প্ৰেক্ষাগৃহটোৱে সহায় কৰিব বুলি আশা কৰা হৈছে। প্ৰেক্ষাগৃহটো নিৰ্মাণৰ বাবে অনুসূচিত জাতি সঞ্চালকালয়েও এই ক্ষেত্ৰত সহযোগ আগবঢ়োৱাত বিধায়ক ফুকনে ধন্যবাদ জ্ঞাপন কৰে। অৱশ্যে প্ৰেক্ষাগৃহটো চাফ-চিকুণ কৰি ৰখাৰ ক্ষেত্ৰতো স্থানীয় ৰাইজক গুৰুত্ব প্ৰদান কৰিবলৈ বিধায়কজনে আহ্বান জনায়। এই উপলক্ষে অনুষ্ঠিত উদ্বোধনী সভাত ১৩ পৃষ্ঠাত চাওক

## মাজুলীৰ ঐতিহাসিক গড়মূৰ সত্ৰত গভীৰ আৰ্থিক সংকট

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৩ মে' ঃ** ঐতিহাসিক গড়মূৰ সত্ৰ গভীৰ অৰ্থ সংকটত পৰাৰ বাবে সত্ৰ পৰিচালনাৰ ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সন্মুখীন হোৱা বুলি কালি এক সংবাদ সদৰী কৰিছে মেলযোগে এই কথা স্বীকাৰ কৰে গড়মূৰ সত্ৰৰ পৰিচালনা সমিতিয়ে। পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি ৰবীন শৰ্মা, সম্পাদক ৰবীন মুদৈ প্ৰমূখ্যে পৰিচালনা সমিতিৰ জ্যেষ্ঠ সদস্যসকল আৰু পীতাম্বৰদেৱ যুৱ কল্যাণ সমিতিৰ সদস্যসকলৰ উপস্থিতিত প্ৰকাশ কৰে ১৯৬৯-৭০ তে মাজুলীত থকা ১৬৬১ বিঘাৰ উপৰি লালুকত ৬৪৫ বিঘা, নগাঁৱত ১৮৫ বিঘা, গোলাঘাট আদি বিভিন্ন ঠাইত সমপৰিমাণৰ সত্ৰৰ মাটি চৰকাৰে অধিগ্ৰহণৰ পাছত আগবঢ়োৱা আৰ্থিক সাহায্যৰ দ্বাৰা সত্ৰখন পৰিচালনা কৰি আহিছে। কিন্তু ২০১৪ৰ পাছৰে পৰা আৰ্থিক সাহায্য নোপোৱাত সত্ৰখন গভীৰ সংকটত পৰিছে। আনহাতে বিদায়ী সত্ৰাধিকাৰ শ্ৰীশ্ৰী হৰিদেৱ গোস্বামী আৰু তৃতীয় পক্ষৰ হস্তক্ষেপত এই সংকটত সত্ৰখন উপনীত হোৱা বুলি অভিযোগৰ আঙুলি টোৱায়। এইবিষয়ে জিলা উপায়ুক্ত আৰু মুখ্যমন্ত্ৰীক দৃষ্টিগোচৰ কৰিলো সফল নোহোৱাৰ বাবে বিষয়টো সংবাদ মাধ্যমক অৱগত কৰিবলগীয়া হোৱা বুলি প্ৰকাশ কৰে। আন এক অভিযোগ মতে, সত্ৰত্যাগী শ্ৰীশ্ৰীহৰিদেৱ গোস্বামীয়ে অসম সত্ৰ মহাসভাৰ গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ ৰূপে এতিয়াও কাৰ্যনিৰ্বাহ কৰাটো অতি ১৩ পৃষ্ঠাত চাওক

## কলগাছিয়াৰ কাদঙত যোগোৎসৱ পালন




**কলগাছিয়া, ১৩ মে' ঃ** ভাৰত চৰকাৰৰ তথ্য আৰু যোগাযোগ মন্ত্ৰণালয়ৰ অধীনস্থ ফিল্ড আউটৰিচত বিউৰো, বৰপেটাৰ উদ্যোগত আজিও কাদং অৰুণোদয় একাডেমীত যোগোৎসৱ অনুষ্ঠিত হয়। যোগোৎসৱৰ কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীৰ মাজত যোগাৰ ওপৰত অনুশীলন কৰি ১৩ পৃষ্ঠাত চাওক

## ডুমুনীত বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১৩ মে' ঃ** এছবিআইৰ গ্ৰাম সেৱা আৰু আসাম চেণ্টাৰ ফৰ ৰুৰেল ডেভেলপমেণ্ট নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ উদ্যোগত আজি বাগ্‌সা জিলাৰ ডুমুনী চাহ বাগিচাত এটা বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়।' চকু চিকিৎসা শিবিৰত গুৱাহাটী শংকৰদেৱ নেত্ৰালয়ৰ চিকিৎসক ক্ৰমে ডাঃ দেবাংশু ডেকা, ডাঃ গৰিমাা কলিতা, ডাঃ লিটেন চৌধুৰী, ডাঃ জ্যোষ্মিতা হুজুৰী, ডাঃ মন্দিতা শৰ্মা, ডাঃ ৰিম্পী বৰপাত্ৰগোহাঁই, ডাঃ গৌৰৱ নাৰ্জাৰী আৰু ডাঃ জোতিষ্ময় বৰাৰ লগতে আন তিনিজন সহায়কাৰীয়ে চিকিৎসা সেৱা আগবঢ়ায়। চিকিৎসা শিবিৰত মুঠ ১২৫ জন চকুৰ ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰে। তাৰে ভিতৰত ৪৫ জনৰ চকুৰ কেটেৰেক্ট ৰোগীক বিনামূলীয়াকৈ স্বেচ্ছাসেৱী সংগঠনটোৰ সহায়ত গুৱাহাটীৰ শংকৰদেৱ নেত্ৰালয়ত অস্ত্ৰোপচাৰ কৰা হ'ব বুলি আসাম চেণ্টাৰ ফৰ ৰুৰেল ডেভেলপমেণ্টৰ কাৰ্যবাহী সঞ্চালক প্ৰেৰণা চাংকাকতি, এছবিআই ফাউণ্ডেছনৰ প্ৰকল্প সঞ্চালক কল্যাণ ডেকাই জনাইছে।

## কাইলৈ মৰিয়নিত হজ যাত্ৰীৰ অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১৩ মে' ঃ** ক'ভিডসৃষ্ট পৰিস্থিতিৰ বাবে বিগত দুটা বছৰ বন্ধ থকাৰ পাছত এইবাৰ ২০২২ৰ বাবে দজযাত্ৰাৰ পুনৰাম্ভ কৰা হৈছে। হজযাত্ৰাৰ বাবে হজযাত্ৰীসকলৰ প্ৰাৰম্ভিক কৰা হৈছে। হজযাত্ৰাৰ বাবে হজযাত্ৰীসকলৰ প্ৰাৰম্ভিক নিৰ্বাচনৰ অন্তত এক আলোচনাৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি অহা ১৫ মে'ত মৰিয়নিৰ এন আই ভৱনত এন আই ভৱনত এক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া হজযাত্ৰীসকলৰ অনুষ্ঠানত কে'বাটাও বিষয় আলোচনা কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। বিশিষ্ট ১৩ পৃষ্ঠাত চাওক

## মৌজাদাৰ কৰুণা কান্ত দাসৰ মৃত্যুত শোক



**আজাৰা, ১৩ মে' ঃ** আজাৰা নিবাসী ৰামচৰণী মৌজাৰ মৌজাদাৰ কৰুণাকান্ত দাস (৬৬)ৰ যোৱা ন মে'ত মৃত্যু হয়। মৃত্যুৰ সময়লৈকে তেওঁ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীক এৰি যায়। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

## আমজাদ আলীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**কয়াকুছি, ১৩ মে' ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত কাৰৈমাৰী ১১ নম্বৰ ব্লকৰ আমজাদ আলী (৮৫)কালি শেষ নিশ্বাস ত্যাগ কৰে। সমাজসেৱক আলী কাৰৈমাৰী ১১ নম্বৰ ব্লকৰ লগতে বৃহত্তৰ ভক্তৰডবা অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছিল। মৃত্যুৰ সময়লৈকে কাৰৈমাৰী ১১ নম্বৰ ব্লক আঞ্চলিক কবৰস্থান আৰু ঈদগাহ ময়দানৰ সভাপতিৰ দায়িত্ব পালন কৰা আমজাদ আলী ৪৩ নম্বৰ দক্ষিণ পাকা পঞ্চায়তৰ পঞ্চায়ত সদস্য হিচাপেও নিৰ্বাচিত হৈছিল। উক্ত ভক্তৰডবাস্থিত দেশভক্ত সমবায় সমিতিৰ সঞ্চালক মণ্ডলীৰ সদস্য হিচাপে তিনিবাৰকৈ নিৰ্বাচিত হৈছিল। কাৰৈমাৰী ১১ নম্বৰ ব্লক আঞ্চলিক মছজিদৰ সভাপতিৰ দায়িত্বও পালন কৰিছিল আলীয়ে।

## ৰাষ্ট্ৰীয় পথৰ কাষৰ অধিকাংশ ধাবাত চলিছে দেশী-বিদেশী সুৰাৰ মুক্ত বেহা

### ■ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১৩ মে' ঃ** চলিত বৰ্ষৰ ৩১ মাৰ্চত দেশৰ উচ্চতম ন্যায়ালয়ে ৰাজিক আৰু ৰাষ্ট্ৰীয় পথৰ দুয়ো কাষৰ পৰা আধা কিলোমিটাৰৰ ভিতৰত থকা সুৰাৰ বিপণী, বাৰ আৰু ধাবাসমূহত সুৰা বিক্ৰী নিষিদ্ধ কৰিছিল। কিন্তু দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ এই নিৰ্দেশনাক ভৰিৰে মোহাৰি অবাধ হাৰত দিনে-নিশাই সুৰা বিক্ৰী অব্যাহত ৰাখিছে শিৱসাগৰ জিলাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ কাষত। জাঁজী দলঙৰ পৰা ভটীয়াপাৰলৈকে ৩৭ নম্বৰ ৰাষ্ট্ৰয় পথৰ দুয়ো কাষত অৱস্থিত অধিকাংশ ধাবাত পুৱাৰে পৰা পুৱতি নিশালৈকে অব্যাহত থকা সুৰাৰ বেহাই সুস্থ সামাজিক পৰিৱেশ বিঘ্নিত কৰিছে। স্মৰ্তব্য যে জাঁজী দলঙৰ পৰা ভটীয়াপাৰলৈকে ৰাষ্ট্ৰীয় পথটোৰ কাষত প্ৰায় ৩০খনৰো আধিক ধাবা আছে। ইয়াৰে ভটীয়াপাৰত প্ৰায় এক কিলোমিটাৰৰ ব্যৱধানত ১০ খন, গৌৰীসাগৰৰ মিটিং দলঙৰ আশে-পাশে সাতখন আৰু চাৰিঙত প্ৰায় তিনিখন আৰু ফুলপানীছিগাৰ পৰা জাঁজী দলঙলৈকে থকা ১০ খনৰো অধিক বিলাসী বাৰ আৰু ধাবাৰ অধিকাংশতে ন্যায়ালয়ৰ নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন কৰি দিনে-নিশাই দেশী-বিদেশী সুৰা মুক্তভাৱে বিক্ৰী কৰি আছে যদিও জিলা প্ৰশাসনকে ধৰি কি আৰক্ষী, কি আবকাৰী বিভাগ সকলোৱে ৰহস্যজনক মৌনতা অৱলম্বন কৰি আহিছে। এইসমূহ নামী-দামী বাৰ আৰু ধাবাত দেশী-বিদেশীকে ধৰি বিভিন্ন সুৰা অবাধ হাৰত বিক্ৰী হৈ থকা কাৰ্যই জিলাখনৰ প্ৰশাসনিক ব্যৰ্থতাকে প্ৰতীয়মান কৰা বুলি বিশেষভাৱে চৰ্চিত হৈছে। তাৎপৰ্যপূৰ্ণ বিষয় এই যে গৌৰীসাগৰ আৰক্ষী থানা আৰু জয়সাগৰ আৰক্ষী চকীৰ অন্তৰ্গত জাঁজী দলঙৰ সমীপৰ পৰা ভটীয়াপাৰলৈ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথটোত সঘনাই পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। ইয়াৰ অধিকাংশ পথ দুৰ্ঘটনাৰ প্ৰধান কাৰণ ধাবা আৰু ১৩ পৃষ্ঠাত চাওক

## অৱসৰৰ পাছতো পাঠদান সেৱা আগবঢ়োৱা কনক চন্দ্ৰ গোস্বামীক বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ১৩ মে' ঃ** অৱসৰৰ পাছতো পাঠদান সেৱা আগবঢ়াই থকা খৰিকটা হাইস্কুলৰ প্ৰতিষ্ঠা কালৰ সংস্কৃত শিক্ষক কনক চন্দ্ৰ গোস্বামীৰ বিদায় সম্বৰ্ধনা সভা যোৱা ১১ মে'ত অনুষ্ঠিত হয়। খৰিকটা হাইস্কুল প্ৰাংগণত বিয়লি অনুষ্ঠিত সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ সহকাৰী শিক্ষক শৰৎ চন্দ্ৰ কাকতিয়ে। প্ৰতিষ্ঠাৰ দিনটোৰ পৰা বিদ্যালয়খনত ৪০ বছৰ শিক্ষকতা কৰি অৱসৰ বিগত ২০২১ৰ ছেপ্টেম্বৰত গ্ৰহণ কৰা গোস্বামীয়ে অৱসৰৰ পাছতো স্বইচ্ছাই বৰ্তমানলৈ ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰি আছে। যাৰ বাবে প্ৰতিগৰাকী বক্তাই তেওঁৰ প্ৰশংসা কৰে। সম্বৰ্ধনা সভাত সতীৰ্থ শিক্ষক-কৰ্মচাৰী আৰু প্ৰাক্তন তথা বৰ্তমানৰ শিক্ষাৰ্থীসকলে কৃতী শিক্ষকজনক সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা বাইহাটা চাৰিআলি থানা উপদেষ্টা সমিতিৰ সম্পাদক জগদীশ ডেকাই জাপি আৰু ফুলাম গামোচাৰে অৱসৰপ্ৰাপ্ত শিক্ষকজনক বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত খৰিকটা হাইস্কুলৰ প্ৰধান শিক্ষক পুলিন চন্দ্ৰ শৰ্মাসহ কে'বাজনো ব্যক্তি উপস্থিত থাকে। সভাৰ আঁত ধৰে বিদ্যালয়খনৰ সহকাৰী শিক্ষক মহৎ চন্দ্ৰ ডেকাই।

## মাজুলীত তৰ্ক প্ৰতিযোগিতা সম্পন্ন ঃ পুৰস্কাৰ বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৩ মে' ঃ** মাজুলী কমলাবাৰীস্থিত ভোগেশ্বৰ বৰুৱা সোঁৱৰণী শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰয়াত আচাৰ্য ত্ৰিনয়ন বৰাৰ মৃত্যু তিথি উপলক্ষে আজি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আকস্মিক তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। সেই উপলক্ষে পুৱা ১০ বজাত প্ৰধান আচাৰ্য সত্যনাথ শইকীয়া, আচাৰ্য-আচাৰ্যা আৰু তেওঁৰ সহধৰ্মিণী পূৰৱী হাজৰিকাই স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে। নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তিথিৰ লগত ১৩ পৃষ্ঠাত চাওক

## তামুলপুৰৰ ভূমি সংৰক্ষণ বিষয়াৰ কাৰ্যালয়ত অৰাজকতা

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৩ মে' ঃ** তামুলপুৰ জিলা সদৰস্থিত ভূমি সংৰক্ষণ বিভাগৰ কাৰ্যালয়ত অৰাজকতা চলাৰ অভিযোগ উত্তাপিত হৈছে। বিটিচি প্ৰধান প্ৰমোদ বড়োৰ গৃহ সমষ্টি তামুলপুৰৰ ভূমি সৰংক্ষণ বিষয়াৰ কাৰ্যালয়ত কালি দিনৰ দুই বজালৈ বিষয়া-কৰ্মচাৰী উপস্থিত নথকা কাৰ্যই সচেতন মহলৰ চকু কপালত থিয় কৰাইছে। কালি তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থা আৰু তামুলপুৰ মহকুমা ছাত্ৰ সন্থাৰ এটি সঁজাতী দলে কাৰ্যালয়টো পৰিদৰ্শন কৰে। ছাত্ৰ সন্থাৰ সঁজাতী দলটোৱে কাৰ্যালয়টো পৰিদৰ্শন কৰি দিনৰ দুই বজা পৰ্যন্ত অধিকাংশ কৰ্মচাৰী উপস্থিত নথকাটো প্ৰত্যক্ষ কৰে। লগে লগে ছাত্ৰ সংগঠনটোৰ সঁজাতী দলটোৱে তামুলপুৰৰ সাংবাদিকক খবৰ দিয়াত কেইজনমান সাংবাদিক কাৰ্যালয়টোত উপস্থিত হয়। আটায়ে নৱগঠিত তামুলপুৰ জিলা সদৰৰ চৰকাৰী কাৰ্যালয়টোৰ অৰাজকতা দেখি স্তম্ভিত হৈ পৰে। উল্লেখ্য যে বিগত কে'বামাহৰ পৰা কাৰ্যালয়টোত চলি আহিছে এই অৰাজকতা। অতি শীঘ্ৰেই বিষয়টো সন্দৰ্ভত বিটিচি প্ৰশাসনৰ হস্তক্ষেপ দাবী কৰিছে তামুলপুৰ আছুৱে। কাৰ্যালয়টোৰ মুঠ ১১ জন কৰ্মচাৰীৰ ভিতৰত আজি মাত্ৰ চাৰিজন উপস্থিত আছিল কাৰ্যালয়ত। কাৰ্যালয়ৰ ৰেজিষ্টাৰ বহীত যোৱা ফেব্ৰুৱাৰীৰ পৰা কৰ্মচাৰীৰ উপস্থিতিৰ স্বাক্ষৰ কৰাৰ বিসংগতি পৰিলক্ষিত হয়। কাৰ্যালয়ত কালি উপস্থিত নথকা বিষয়া-কৰ্মচাৰীসকল হ'ল টফিকুৰ ৰহমান, সুৰজিৎ বড়ো, সমৰ দৈমাৰী, কহালিকা দেৱী, বীণা ডেকা, গোপাল বড়ো।

লালুক দৈনিক বজাৰত দুৰ্গন্ধময় পৰিৱেশ

## ডাম্পিং গ্ৰাউণ্ডৰ অভাৱে জীয়াতু ভোগাইছে

**অগ্ৰদূত বাৰ্তা**

**লালুক, ১৩ মে' ঃ** অসম-অৰুণাচল সীমান্তৱৰ্তী লালুক দৈনিক বজাৰৰ এক গুৰুত্বপূৰ্ণ বজাৰ হিচাপে বিবেচিত হৈ আহিছে। লালুক দৈনিক বজাৰৰ লগতে মাছ-মাংসৰ বজাৰখনো সম্পূৰ্ণৰূপে অস্বাস্থ্যকৰ পৰিৱেশৰ মাজত ব্যৱসায়ীসকলে ব্যৱসায় চলাই যাবলগীয়া হৈছে। যিটো সময়ত চৰকাৰে প্ৰদুষণ মুক্ত পৰিৱেশ গঢ় দিবৰ বাবে নানা আঁচনি ৰূপায়ণ কৰিছে তেনে এক সময়ত লালুক দৈনিক বজাৰৰ লগতে মাছ, মাংসৰ ব্যৱসায়ীসকলে অস্বাস্থ্যকৰ আৰু দুৰ্গন্ধময় পৰিৱেশত ব্যৱসায় চলাই যাব লগা হৈছে। বিশেষকৈ লালুকত পেলনীয়া সামগ্ৰী পেলাবলৈ এখন ডাম্পিং গ্ৰাউণ্ডৰ অভাৱৰ বাবে লালুক দৈনিক বজাৰখনৰ কদৰ্যময় পৰিৱেশৰ সৃষ্টি হয়। লালুকৰ দীৰ্ঘ দিনীয়া সমস্যা হৈ থকা এখন ডাম্পিং গ্ৰাউণ্ডৰ অভাৱ হোৱা বিষয়টো লৈ বহুবাৰ ৰাইজে প্ৰশাসনৰ ওচৰত দাবী জনাই আহিছে। কিন্তু আজিলৈকে এই সমস্যাৰ কোনো সামাধান ন'হল। লালুকৰ কাষৰীয়া এডোখৰ আছুতীয়াকৈ থকা চৰকাৰী ভুমি প্ৰশাসনে ডাম্পিং গ্ৰাউণ্ডৰ বাবে অনুমোদন দিলে লালুকৰ মৌলিক আৰু দীৰ্ঘদিনীয়া সমস্যাটো স্থায়ী সমাধান হ'ব বুলি লালুকৰ সচেতন মহলে মন্তব্য কৰিছে। ১৩ পৃষ্ঠাত চাওক



## পোৰাগাঁৱত সম্প্ৰদায় উৎসৱৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৩ মে' ঃ** পোৰাগাঁও এম ই স্কুল প্ৰাংগণত যোৱা ১২ মে'ত এদিনীয়া কাৰ্যসূচীৰে সম্প্ৰদায়ৰ উৎসৱ উদ্‌যাপন কৰা হয়। অসম চৰকাৰৰ নিৰ্দেশমৰ্মে অসম সমগ্ৰ অভিযানৰ বৰপেটা গোৱৰ্ধনা শিক্ষা খণ্ডৰ অন্তৰ্গত বগুৰিগুৰী গাঁও মণ্ডল সমল কেন্দ্ৰৰ সৌজন্যত ৰাইজৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক বিকাশ আৰু বিদ্যালয়ত সমাজ জড়িতকৰণৰ উদ্দেশ্যে অসমৰ থলুৱা লোক-সংস্কৃতিৰ আধাৰত সম্প্ৰদায় উৎসৱ উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি, চাফাই অভিযান, পতাকা উত্তোলন, সাংস্কৃতিক শোভাযাত্ৰা আৰু প্ৰদৰ্শনীৰ দ্বাৰা উন্মোচন কৰা হয়। সাংস্কৃতিক মঞ্চ উন্মোচন কৰে বগুৰিগুৰী গাঁও পঞ্চায়তৰ সভাপতি ফাৰুক আব্দুলা আহমেদে। বিশিষ্ট কণ্ঠশিল্পী প্ৰিয়ম দাস আৰু সংগীবৃন্দই বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰাৰ লগতে নমিতা স্বৰ্গীয়াৰীৰ দলে বিভিন্ন জনগোষ্ঠীয় বড়ো নৃত্য পৰিৱেশন কৰি উপস্থিত ৰাইজক আমোদ দিয়ে। অভ্যৰ্থনা সমিতিৰ সভাপতি বাহাৰুল ইছলামৰ পৌৰোহিত্যত মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত বি এইছ কলেজৰ প্ৰবক্তা ড° চুলতান আলী আহমেদ উপস্থিত থকাৰ লগতে অসম সাহিত্য সভাৰ বাগ্‌সা জিলা সমিতিৰ সভাপতি কামদেৱ দাস, খাৰিজা বিজনী শাখা সাহিত্য সভা সভাপতি ভুৱনেশ্বৰ দাস, গোৱৰ্ধনা শিক্ষাখণ্ডৰ অধীনস্থ বিভিন্ন মণ্ডল কেন্দ্ৰৰ সমন্বয়কসকল, কে'বাগৰাকী স্থানীয় সাংবাদিক, বিভিন্ন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগত সম্প্ৰদায় উৎসৱত বিভিন্ন বিদ্যালয়ৰ কে'বাশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

## হালাকুৰা অঞ্চলত বিঘাই বিঘাই পকা ধান পানীৰ তলত



**বক্সিৰহাট, ১৩ মে' ঃ** আগমণী ৰাজহ চক্ৰৰ অন্তৰ্গত হালাকুৰা, আটঘৰিটাৰী, বটেৰহাট বৰবালাৰ চৰ, পোকালাগী, খেৰবাৰী বেলগুৰি, সিন্দুৰাই, ঝাপুসাবাৰী, কৈমাৰী আৰু শিমলুবাৰী আদি অঞ্চলৰ শ শ বিঘা পকা চাইনীজ ধান পানীৰ তলত ডুব গৈছে। যোৱা দুদিন ধৰি মুষলধাৰে হোৱা বৰষুণত দ' খেতিত ৰোৱা চাইনিজ, ২৯-২৮, ২৯, কিৰণ লালগংগা আৰু এ আৰ ৫৫ আদি উন্নত জাতৰ ধান ৰুইছিল কৃষিজীৱী ৰাইজে। ঘৰৰ আ-অলংকাৰ বিক্ৰী কৰি বা মহাজনৰ পৰা অধিক হাৰত সুতত ঋণ লৈ বছৰৰ ধানমুঠি সংগ্ৰহৰ বাবে পথাৰত নামি পৰিছিল কৃষকে। বতাহ-বৰষুণত ধান পানীত ডুব যোৱাত কৃষকে মূৰে-কপালে হাত দিছে। এইবাৰ কৃষকে জোৱাৰ খেতিতো যথেষ্ট ক্ষতিৰ সন্মুখীন হৈছে।

## অসম কৃষি বিশ্ববিদ্যালয়ত চাহ উৎপাদন প্ৰযুক্তিৰ স্নাতকোত্তৰ ডিপ্ল'মা পাঠ্যক্ৰম

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ১৩ মে' ঃ** অসম কৃষি বিশ্ববিদ্যালয়ে আৰম্ভ কৰা টি প্ৰডাকচন টেকন'লজী আৰু স্মাৰ্ট মেনেজমেণ্ট বিষয়ৰ স্নাতকোত্তৰ ডিপ্লমা পাঠ্যক্ৰম কালিৰে পৰা বিশ্ববিদ্যালয়ৰ যোৰহাটস্থ মূল চৌহদত আৰম্ভ হৈছে। বিশ্ববিদ্যালয়খনে প্ৰথমবাৰৰ বাবে প্ৰবৰ্তন কৰা এবছৰীয়া এই পাঠ্যক্ৰমৰ আজি আৰম্ভ কৰে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° বিদ্যুত চন্দন ডেকাই। বিশ্ববিদ্যালয়ৰ চাহ কৃষিকৰ্ম আৰু প্ৰযুক্তিবিদ্যা বিভাগত অনুষ্ঠিত উক্ত অনুষ্ঠানত বক্তব্য ৰাখি উপাচাৰ্য ড° ডেকাই কয় যে চাহ শিল্পৰ ক্ষেত্ৰখন প্ৰত্যাহ্বানমূলক হ'লেও সুযোগ যথেষ্ট আছে। সেই সুযোগসমূহৰ সন্ধান কৰি প্ৰতিষ্ঠিত সৎ সফল ব্যৱসায়ী হ'বৰ বাবে নতুন নতুন চিন্তাৰে আগবাঢ়িব লাগিব। এই প্ৰশিক্ষণে এনেবোৰ দিশত আগুৱাই যোৱাৰ ক্ষেত্ৰত পথৰ সন্ধান দিব আৰু তাৰ বাবে চিন্তা কৰোতেই নতুন ধৰণেৰে কৰি যাব লাগিব। সেই লক্ষ্য আগত ৰাখি উৎপাদন, প্ৰস্তুত প্ৰণালী আৰু বিপণনৰ দিশত সমস্যা ৰক্ষা কৰি এতিয়াৰে পৰা গোট হিচাপে আগবাঢ়িলে অধিক ১৩ পৃষ্ঠাত চাওক

## 'পপী সান্ত্বনা ভৰালী' স্মাৰক ৰচনা প্ৰতিযোগিতাৰ আয়োজন

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৩ মে' ঃ** ডিব্ৰুগড়ৰ পৰিৱেশ শিক্ষণ কেন্দ্ৰ 'ইৰাব কিৰাব'ৰ উদ্যোগত অহা পাঁচ জুনত 'বিশ্ব পৰিৱেশ দিৱস উপলক্ষে পপী সান্ত্বনা ভৰালী স্মাৰক ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাখন ডিব্ৰুগড় জিলা ভিত্তিত দুটা শাখাত অনুষ্ঠিত হ'ব। 'ক' শাখাত ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ আৰু 'খ' শাখাত নৱম দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিব পাৰিব। 'ক' শাখাৰ বিষয় হৈছে 'ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান' আৰু 'খ' শাখাৰ বিষয় হৈছে 'ৰাজ্যিক বৃক্ষ, ৰাজ্যিক পক্ষী আৰু ৰাজ্যিক ফুল'। অসমীয়া নাইবা ইংৰাজী ভাষাত ৰচনাসমূহ লিখিব লাগিব। নকুল খাউণ্ড মিলন নগৰ 'জে' উপপথ। ঘৰ নম্বৰ ১৭, পোঃ অঃ চি আৰ বিল্ডিং ডিব্ৰুগড়ত বা সৌৰভ দুৱৰা, 'অসমীয়া প্ৰতিদিন কাৰ্যালয় বৈৰাগীমঠ, ডিব্ৰুগড়ত অহা এক জুনৰ ভিতৰত পঠিয়াবলৈ অনুৰোধ জনাইছে বা যোগাযোগৰ নম্বৰ ৯৪৩৫১-৩০৬৪৭ত যোগাযোগ কৰিব পাৰিব। ফলাফলসমূহ তিনি জুনত ঘোষণা কৰা হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

## জামুগুৰিহাটৰ টুপিয়া পাঁচগাঁও ব'হাগী মেলাৰ সোণালী জয়ন্তী সমাৰোহ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৩ মে' ঃ** শোণিতপুৰ জিলাৰ জীয়াভৰলী নদীৰ সমীপৰ তথা বৃহত্তৰ জামুগুৰিহাটৰ উত্তৰাঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয় ভূমি টুপিয়া পাঁচগাঁও ব'হাগী মেলাই সোণালী জয়ন্তী সমাৰোহ উদ্‌যাপন কৰা হ'ব। তদুপলক্ষে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাক সভাপতি আৰু শিক্ষক-সমাজকৰ্মী নিতুমণি বৰাক কাৰ্যকৰী সভাপতি লগতে বলীন ভূঞাক প্ৰধান সম্পাদকৰূপে লৈ এখনি উদ্‌যাপন সমিতি গঠন কৰি ২০২২-২৩ত আয়োজনেৰে সোণালী জয়ন্তী বৰ্ষটি উদ্‌যাপনৰ ১৩ পৃষ্ঠাত চাওক





স্পেনিছ লা লিগাৰ খেলত ৰিয়াল মাদ্ৰিদলৈ জয় কঢ়িয়াই অনা কৰিম বেনজেমাক গ’ল দিয়াৰ পাছত অভিনন্দন সতীৰ্থৰ, বৃহস্পতিবাৰে।

# প্ৰি-কোৱাৰ্টাৰত পৰাজিত হ’ল লাভলীনা

**ইষ্টানবুল, ১৩ মে’ ঃ** অলিম্পিকৰ পাছত অৱতীৰ্ণ হোৱা প্ৰথমখন প্ৰতিযোগিতা বিশেষ সুখকৰ নহ’ল লাভলীনা বৰগোহাঁইৰ বাবে। অলিম্পিকৰ ব্ৰঞ্জ বিজয়ী বক্সাৰগৰাকীয়ে আজি ইষ্টানবুলত চলি থকা দ্বাদশ আইবিএ মহিলা বিশ্ব বক্সিং প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ পৰাই বিদায় ল’লে। প্ৰতিযোগিতাৰ প্ৰথম যুঁজত দুৰ্দান্ত জয় অৰ্জন কৰিলেও অসম-কন্যাই আজি ৭০ কেজি শাখাৰ খেলত ফেয়াৰ চান্স টীমৰ চিণ্ডী এনগাম্বাৰ বিপক্ষে সেই প্ৰদৰ্শন অব্যাহত ৰাখিব নোৱাৰিলে। লাভলীনাই দূৰত্ব বজাই ৰাখি প্ৰতি আক্ৰমণ চলাবলৈ চেষ্টা কৰি গৈছিল যদিও চিণ্ডীয়ে মুঠতে ৪-১ পইণ্টৰ ব্যৱধানত জয়লাভ কৰে। লাভলীনা পৰাজিত হ’লেও ভাৰতৰ আন এক প্ৰতিযোগী পূজা ৰাণী প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত উপনীত হৈছে। দুবাৰৰ এছিয়ান চেম্পিয়ন পূজাই আজি ৮১ কেজি শাখাত হাংগেৰীৰ টিমিয়া নেগীক ৫-০ পইণ্টত পৰাজিত কৰে।





SIN
DENIM
#GAME CHANGER

# শতাধিক খেলুৱৈ-ক্ৰীড়া সংগঠকক সম্বৰ্ধনা

## অৰ্ধনিৰ্মিত পেভিলিয়ন সন্দৰ্ভত নিমাত মঙলদৈ ক্ৰীড়া সন্থা

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১৩ মে’ ঃ** মঙলদৈ ক্ৰীড়া সন্থাই আজি ভলীবল, ফুটবল, ক্ৰিকেট আদি বিভিন্ন খেলত কৃতিত্ব অৰ্জন কৰা শতাধিক খেলুৱৈ, প্ৰশিক্ষক তথা ক্ৰীড়া সংগঠকক সম্বৰ্ধনা জনায়। মঙলদৈ ষ্টেডিয়ামৰ নৱ-নিৰ্মিত পেভিলিয়নত অনুষ্ঠিত এই সম্বৰ্ধনা অনুষ্ঠানত সভাপতিত্ব কৰে মঙলদৈ ক্ৰীড়া সন্থাৰ সভাপতি গুৰুজ্যোতি দাসে। অনুষ্ঠানত ক্ৰীড়া সন্থাৰ উপ-সভাপতি প্ৰতাপ বৰদলৈ, বীৰেণ দাস, সাধাৰণ সম্পাদক অনুপম ডেকা, সহকাৰী সম্পাদক হিমাঞ্জন শৰ্মা, কোষাধ্যক্ষ শম্ভু নাথ দেৱ, ধনঞ্জয় দাস, বসন্ত ডেকা, প্ৰণৱ বৰুৱা আদিৰ লগতে দুই শতাধিক খেলুৱৈ, কৰ্মকৰ্তা, প্ৰশিক্ষক, ক্ৰীড়া সংগঠক, মঙলদৈ ক্ৰীড়া সন্থাৰ স্বীকৃতিপ্ৰাপ্ত সংঘসমূহৰ প্ৰতিনিধি আদি উপস্থিত থাকে। এই সম্বৰ্ধনা অনুষ্ঠানত দৰঙৰ হাজৰিকাপাৰাত হৈ যোৱা ১৬ বছৰ অনূৰ্ধ্বৰ ছাব জুনিয়ৰ আন্তঃজিলা ভলীবল প্ৰতিযোগিতাত চেম্পিয়ন হোৱা মঙলদৈ জিলা দলৰ ল’ৰা আৰু ছোৱালী ভলীবল খেলুৱৈসকলৰ লগতে প্ৰশিক্ষক আৰু মেনেজাৰ সকলক, ওদালগুৰি জিলাৰ ডিমাকুছিত হৈ যোৱা ১৭ বছৰ অনূৰ্ধ্বৰ জুনিয়ৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতাত ৰাণাৰ্ছ আপ হোৱা মঙলদৈ দলৰ খেলুৱৈ, প্ৰশিক্ষক আৰু মেনেজাৰসকলক একোখনকৈ ফুলাম গামোচা আৰু এটাকৈ স্মাৰকেৰে সম্বৰ্ধনা জনোৱা হয়। আনহাতে, ক্ৰিকেট খেলত ৰাজ্যিক তথা ৰাষ্ট্ৰীয় প্ৰৰ্যায়ত খেলা কে’বাজনো খেলুৱৈৰ লগতে ৰাষ্ট্ৰীয় টেবুল টেনিছ প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰা দুজন খেলুৱৈক সম্বৰ্ধনা জনোৱা হয়। লগতে মঙলদৈ ক্ৰীড়া সন্থাৰ অন্তৰ্গত ২২টা ক্লাবৰ সভাপতি আৰু সম্পাদকসকলৰ লগতে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ কে’বাজনো খেলুৱৈ, ৰেফাৰী আদিকো সম্বৰ্ধনা জনায়। সম্বৰ্ধনা সভাৰ অন্তত এখন সংবাদমেল সম্বোধন কৰি মঙলদৈ ক্ৰীড়া সন্থাৰ সভাপতি দাস আৰু সাধাৰণ সম্পাদক ডেকাই তেওঁলোকৰ বিগত চাৰি বছৰীয়া কাৰ্যকালত হোৱা বিভিন্ন খেল আৰু বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণৰ চমু আভাস দাঙি ধৰে। লগতে তেওঁলোকে ৰাজ্যখনৰ ক্ৰীড়া ক্ষেত্ৰখনক আগুৱাই নিয়াৰ স্বাৰ্থত জিলা ক্ৰীড়া সন্থাসমূহক বছৰি পাঁচ লাখ টকাকৈ দিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়। উল্লেখ্য যে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী ৰাজ্যসভাৰ সাংসদ হৈ থকাৰ সময়ত তেওঁৰ সাংসদ পুঁজিৰ পৰা আগবঢ়োৱা ১০ লাখ টকাৰে অৰ্ধনিৰ্মিত হৈ থকা পেভিলিয়নৰ কথা সাংবাদিকে সোধাত ক্ৰীড়া সন্থাৰ বিষয়ববীয়াই সঠিক উত্তৰ দিব নোৱাৰিলে। আনহাতে, কাৰ্যকাল শেষ হোৱাৰ পাছতো সাধাৰণ সভা অনুষ্ঠিত নকৰাৰ সন্দৰ্ভত প্ৰশ্ন সোধাত তেওঁলোকে অহা তিনি-চাৰিমাহৰ ভিতৰত সাধাৰণ সভা অনুষ্ঠিত কৰিব বুলি উল্লেখ কৰে।



# নিজ গৰৈমাৰীৰ মৰমী ৰয়ৰ ৰূপৰ পদক

**ষ্টাফ ৰিপ’ৰ্টাৰ,**

**তেজপুৰ, ১৩ মে’ ঃ** শোণিতপুৰ চলাগাঁৱৰ প্ৰবীণ খেলুৱৈ মৰমী ৰয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ এথলেটিক্‌ছ চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰি তিনিটাকৈ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। দীৰ্ঘদিনৰে পৰা ক্ৰীড়া ক্ষেত্ৰখনৰে জড়িত থকা ৰয়ে চেন্নাইত অনুষ্ঠিত ৪২সংখ্যক ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিক্‌ছ চেম্পিয়নশ্বিপত অসমক প্ৰতিনিধিত্ব কৰি তিনিটাকৈ ৰূপৰ লাভ কৰে। এই কৃতিত্বই সমগ্ৰ অঞ্চলটোলৈ আনন্দ কঢ়িয়াই আনিছে।

# নুৰুদ্দিন আহমেদ ক্ৰিকেটৰ তিনি মেচত বতৰৰ বিধিপথালি

**গুৱাহাটী, ১৩ মে’ ঃ** গুৱাহাটীৰ বিভিন্ন খেলপথাৰত অনুষ্ঠিত নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেটৰ ফাইনেল ৰাউণ্ডৰ তিনিখন মেচ আজি বেয়া বতৰৰ অনুষ্ঠিত নহ’ল। জজ খেলপথাৰত উত্তৰ-পূব ৰেল আৰু বঙাইগাঁৱৰ মাজৰ খেলখনৰ দ্বিতীয় তথা অন্তিম দিনাৰ খেল বেয়া আউটফিল্ডৰ বাবে অনুষ্ঠিত নহ’ল। সেইদৰে আমিনগাঁও ক্ৰিকেট ষ্টেডিয়ামত নগাঁও বনাম তিনিচুকীয়া আৰু বৰ্ষাপাৰা ষ্টেডিয়ামত বিশ্বনাথ চাৰিআলি বনাম বৰপেটাৰ মেচ বেয়া আউটফিল্ডৰ বাবে আজি এটাও বল নপৰিল। আনহাতে, বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত গুৱাহাটী আৰু মৰিগাঁৱৰ মেচখন অনুষ্ঠিত হয় যদিও অমীমাংসিতভাৱে সমাপ্ত হয়। কালি মৰিগাঁৱে বেটিং কৰি ১৩২ ৰাণত ইনিংছ সামৰাৰ পাছত গুৱাহাটীয়ে তিনি উইকেট হেৰুৱাই ২২৩ ৰাণ কৰিছিল। আজি গুৱাহাটীয়ে ছয় উইকেটত ৩১০ ৰাণ কৰি ইনিংছ ঘোষণা কৰে। এৰিক ৰয়ে ১৫০ আৰু গকুল শৰ্মাই ৮০ ৰাণ কৰাৰ বিপৰীতে মৰিগাঁৱৰ মণ্টু বড়োৱে তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত মৰিগাঁৱে দ্বিতীয় ইনিংছ মুকলি কৰি ছয় উইকেট হেৰুৱাই ৭৬ ৰাণ কৰাৰ সময়তে খেল সমাপ্ত হয়।

# বিলাসীপাৰাত আন্তঃজিলা হেণ্ডবল আৰম্ভ

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ১৩ মে’ ঃ** নামনি অসমৰ বিলাসীপাৰাত আজিৰে পৰা আৰম্ভ হৈছে ১৮সংখ্যক অচ্যুত বৰুৱা সোঁৱৰণী আন্তঃজিলা পুৰুষ আৰু মহিলা হেণ্ডবল প্ৰতিযোগিতা। অসম চৰকাৰৰ বেচা কিনা নিগমৰ অধ্যক্ষ অশোক কুমাৰ সিংহী আৰু ধুবুৰী জিলা উপায়ুক্ত আম্বামূথান এম পিয়ে আজি উদ্বোধন কৰে প্ৰতিযোগিতাখন। উদ্বোধনী অনুষ্ঠানত সদৌ অসম হেণ্ডবল সন্থাৰ সভাপতি, সম্পাদক প্ৰমুখ্যে বিষয়ববীয়াসকল উপস্থিত থাকে। ধুবুৰী জিলা হেণ্ডবল সন্থাৰ উদ্যোগত তথা সদৌ অসম হেণ্ডবল সন্থাৰ সহযোগত বিলাসীপাৰা মিনি ষ্টেডিয়াম আৰু ৰাজহুৱা খেলপথাৰত আয়োজিত প্ৰতিযোগিতাত শিৱসাগৰ, গোলাঘাট, যোৰহাট, গুৱাহাটী, মাৰ্ঘেৰিটা, নগাঁও, নলবাৰী আদিকে ধৰি বিভিন্ন জিলাৰ পৰা ২১টা পুৰুষ আৰু ১৮টা মহিলা দলে অংশ গ্ৰহণ কৰিছে। অহা ১৫ মে’ত চূড়ান্ত খেল অনুষ্ঠিত হ’ব।



# সোণাপুৰত অসম এমেচাৰ মুৱাইথাই




**অগ্ৰদূত বাৰ্তা,**

**সোণাপুৰ, ১৩ মে’ ঃ** ১৮সংখ্যক অসম এমেচাৰ মুৱাইথাই প্ৰতিযোগিতাখনি আজিৰে পৰা তিনিদিনীয়াকৈ সোণাপুৰ মহাবিদ্যালয়ৰ ইনড’ৰ ষ্টেডিয়ামত আৰম্ভ হৈছে। সদৌ অসম এমেচাৰ মুৱাইথাই সন্থাৰ উদ্যোগত আৰু কামৰূপ জিলা এমেচাৰ মুৱাইথাই শাখাৰ সহযোগত অনুষ্ঠিত প্ৰতিযোগিতাত ৰাজ্যৰ ১৬খন জিলাৰ দুই শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। এই উপলক্ষে প্ৰতিযোগিতাখনি যৌথভাৱে উদ্বোধন কৰে মুৱাইথাইৰ ৰাষ্ট্ৰীয় প্ৰশিক্ষক এৰেকপাম ৰাকেশ মিটাই, সোণাপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত খনিকৰ আৰু তিৰা পৰিষদৰ কাৰ্যবাহী সদস্য পৰেশ ৰাহাঙে।

# মালদ্বীপত প্ৰিয়ানুজৰ স্বৰ্ণপদক জয়

**গুৱাহাটী, ১৩ মে’ ঃ** অসমৰ প্ৰতিভাৱান টেবুল টেনিছ খেলুৱৈ প্ৰিয়ানুজ ভট্টাচাৰ্যই মালদ্বীপত অনুষ্ঠিত দক্ষিণ এছিয়ান কেডেট এণ্ড জুনিয়ৰ চেম্পিয়নশ্বিপৰ অনূৰ্ধ্বৰ ১৫ বছৰৰ দলীয় বিভাগত স্বৰ্ণপদক জয় কৰিবলৈ সক্ষম হৈছে। প্ৰিয়ানুজে ভাৰতীয় দলৰ হৈ পাকিস্তান, বাংলাদেশ আৰু নেপালৰ খেলুৱৈক পৰাজিত কৰিছিল। এই সাফল্যৰ বাবে প্ৰতিভাৱান খেলুৱৈজনক অভিনন্দন জনাইছে অসম টেবুল টেনিছ সন্থাৰ সভাপতি পীযুষ হাজৰিকা আৰু সম্পাদক ত্ৰিদিৱ দুৱৰাই। উল্লেখ্য যে প্ৰিয়ানুজে যোৱা মাহত অষ্ট্ৰিয়াত অনুষ্ঠিত ৱৰ্ল্ড ইয়ুথ কণ্টেণ্ডাৰ টেবুল টেনিছত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল।



# খেল’ মাষ্টাৰ ইণ্ডিয়াত আঠ পদক মাৰ্ঘেৰিটাৰ ৰেণু-বিন্দুৰ

**অগ্ৰদূত বাৰ্তা,**

**মাৰ্ঘেৰিটা, ১৩ মে’ ঃ** চাৰিদিনীয়াকৈ দিল্লীত অনুষ্ঠিত হোৱা খেল’ মাষ্টাৰ ইণ্ডিয়া নেছনেল চেম্পিয়নশ্বিপত মাৰ্ঘেৰিটাৰ দুগৰাকী মহিলাই আঠটাকৈ সোণ আৰু ৰূপৰ পদক অৰ্জন কৰি মাৰ্ঘেৰিটালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। মাৰ্ঘেৰিটা মাকুমকিল্লাৰ নিবাসী দীপক বড়োৰ পত্নী ৰেণু গগৈ বড়োৱে দুটাকৈ সোণ আৰু এটাকৈ ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে মাকুমকিল্লা মতাবিলৰ নিবাসী বিনোদ গোৱালাৰ পত্নী তথা সম্প্ৰতি অসম আৰক্ষীত কৰ্মৰত বিন্দু বাউৰী গোৱালাই সোণৰ এটা, ৰূপৰ দুটা আৰু ব্ৰঞ্জৰ দুটা মুঠ পাঁচটাকৈ পদক আঁজুৰি আনিবলৈ সক্ষম হৈছে। উল্লেখ্য যে মাৰ্ঘেৰিটা মহকুমাত যথেষ্ট সম্ভাৱনাপূৰ্ণ খেলুৱৈ আছে যদিও ষ্টেডিয়াম আৰু প্ৰশিক্ষকৰ অভাৱৰ বাবে আজিও অঞ্চলটো পাছপৰি থকা বুলি মন্তব্য কৰিছে খেলুৱৈ গগৈ বড়োৱে।

# শোণিতপুৰ টাইকোৱান-ড’ত স্বৰ্ণজয় জামুগুৰিহাটৰ বাৰ্বী বৰুৱাৰ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৩ মে’ ঃ** তেজপুৰত অনুষ্ঠিত শোণিতপুৰ জিলা ভিত্তিত টাইকোৱান-ড’ প্ৰতিযোগিতাত জামুগুৰিহাটৰ বাৰ্বী বৰুৱাই সোণৰ পদক বুটলিবলৈ সক্ষম হৈছে। তেজপুৰ চাৰিআলি টাইকোৱান-ড’ একাডেমী আৰু শোণিতপুৰ জিলা টাইকোৱান-ড’ এছ’চিয়েছনৰ উদ্যোগত অলপতে তেজপুৰ মিছন চাৰিআলিৰ বালিকা বিদ্যালয়ত অনুষ্ঠিত প্ৰতিযোগিতাখনিত ৩০ কেজি শাখাত বাৰ্বীয়ে পদক বুটলি আনিবলৈ সক্ষম হয়। বালিপৰাত দিলীপ গুৰুং আৰু জয়ন্ত কলিতাৰ তত্ত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰি সোণৰ পদক বুটলিবলৈ সক্ষম হোৱা বাৰ্বী জামুগুৰিহাটৰ হোমিঅ’ চিকিৎসক দাদুল বৰুৱা আৰু জুৰি বৰুৱাৰ কনিষ্ঠা কন্যা। উল্লেখ্য যে বাৰ্বীয়ে বিগত সময়ত নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় টাইকোৱান-ড’ প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰি ৰূপৰ পদক বুটলি অনাৰ লগতে বড়োলেণ্ডত সদৌ অসম ভিত্তিত অনুষ্ঠিত টাইকোৱান-ড’ প্ৰতিযোগিতাতো সোণৰ পদক লাভ কৰি জামুগুৰিহাটলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল।

# অসমৰ পাৰ্থিৱ-চাণ্ডোগ্যৰ দ্বৈত মুকুট

## আইটা টেনিছৰ ছোৱালীৰ ছিংগলছত খিতাপ অৰ্ণৱি-আদ্ৰিকাৰ

**গুৱাহাটী, ১৩ মে’ ঃ** অসমৰ পাৰ্থিৱ কলিতা আৰু চাণ্ডোগ্য টি পাঠকে মহানগৰীৰ চচলত চলি থকা আইটা চেম্পিয়নশ্বিপ ছিৰিজ টেনিছত দ্বৈত মুকুট অৰ্জন কৰিছে। ল’ৰা আৰু ছোৱালীৰ ১২ আৰু ১৪ বছৰ অনূৰ্ধ্বৰ প্ৰতিযোগিতাখন আজি সমাপ্ত হয়। আজি ল’ৰাৰ ১২ বছৰ অনূৰ্ধ্বৰ ছিংগলছ ফাইনেলত চাণ্ডোগ্যই অসমৰে অভয় ভৰালীক ৬-২, ৬-০ ছেটত পৰাজিত কৰে। আনহাতে, তেওঁ ১২ বছৰ অনূৰ্ধ্বৰ ডাবল্‌ছৰ ফাইনেলত অভয়ৰ স’তে যুটি বান্ধি কৰ্ণাটকৰ সঞ্জয় জি কুমাৰ আৰু তামিলনাডুৰ ৰনী ভি কুমাৰক পৰাজিত কৰে। আনহাতে, পাৰ্থিৱে ল’ৰাৰ ১৪ বছৰ অনূৰ্ধ্বৰ ফাইনেলত অসমৰে ৰিত্বিক ৰাউটক ৬-২, ৬-১ ছেটত পৰাজিত কৰে। সেইদৰে তেওঁ উক্ত বয়সৰ ডাবল্‌ছৰ ফাইনেলত অসমৰ আয়ন ভূঞাৰে যুটি বান্ধি অসমৰে ৰিত্বিক আৰু অগ্নিভ বৰদলৈক ৬-০, ৬-১ ছেটত হৰুৱায়। ইপিনে, ছোৱালীৰ বিভাগত অসমৰ অৰ্ণৱী দেৱনাথে অনূৰ্ধ্ব ১২ বছৰ আৰু আদ্ৰিকা ৰাজকুমাৰীয়ে ১৪ বছৰ অনূৰ্ধ্বৰ ছিংগলছত খিতাপ জয় কৰে। অৰ্ণৱীয়ে ফাইনেলত অন্ধ্ৰপ্ৰদেশৰ পৰিণীতা ভাট্টাপ্ৰামবিলক ৬-২, ৬-০ আৰু আদ্ৰিকাই ফাইনেলত তামিলনাডুৰ বসুন্ধৰা বালাজীক ৬-৩, ৬-৩ ছেটত পৰাজিত কৰে। আজি প্ৰতিটো শাখাৰ বিজয়ী আৰু বিজিতসকলক বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত অসম টেনিছ সন্থাৰ উপ-সভাপতি সুব্ৰত শৰ্মাই বঁটাসমূহ আৰু সম্পাদক অংকুশ দত্তই প্ৰমাণপত্ৰ প্ৰদান কৰে।




আইটা চেম্পিয়নশ্বিপ ছিৰিজৰ খেলত বঁটা বিজয়ীসকল, মহানগৰীৰ চচলত শুকুৰবাৰে।

# আইপিএলৰ বাহিৰ কামিন্স

**নিউজ ব্যুৰ’**

**কলকাতা, ১৩ মে’ ঃ** আঘাতৰ বাবে চলিত আইপিএলৰ পৰা বাহিৰ হ’ল কলকাতা নাইট ৰাইডাৰ্ছৰ ফাষ্টবলাৰ পেট কামিন্স। অষ্ট্ৰেলিয়াৰ টেষ্ট দলৰ অধিনায়কজনে কঁকালৰ আঘাতৰ সমস্যাত ভুগি আছে। যাৰ বাবে তেওঁ বলিং আৰু বেটিং কৰাত অসুবিধাৰ সন্মুখীন হৈছে। চিকিৎসাৰ বাবে কামিন্সে স্বদেশলৈ উভতি যোৱাৰ সিদ্ধান্ত লৈছে।

# জেবিকেএফ কোচিং চেণ্টাৰৰ ১১ খেলুৱৈৰ সাফল্যত উৎফুল্লিত ক্ৰীড়াপ্ৰেমী



**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৩ মে’ ঃ** নগাঁও জিলাৰ প্ৰাক্তন ৰাজ্যিক খেলুৱৈ প্ৰণৱ বৰদলৈ আৰু ৰুণমণি কাকতিৰ মুখ্য তত্ত্বাৱধানৰ জেবিকেএফ কোচিং চেণ্টাৰৰ মুঠ ১১ গৰাকীকৈ প্ৰশিক্ষাৰ্থী খেলুৱৈয়ে অসম চৰকাৰৰ আৰক্ষী বিভাগৰ সদ্যঘোষিত বিভিন্ন পদৰ নিযুক্তিৰ ফলাফলত সফলতা লাভ কৰিবলৈ সক্ষম হোৱাত কোচিং চেণ্টাৰটোত আনন্দৰ জোৱাৰ উঠিছে। ইয়াত চাৰিগৰাকী মহিলা খেলুৱৈয়ো আছে। এই কোচিং চেণ্টাৰটোৰ নিয়মীয়া প্ৰশিক্ষাৰ্থী কেইগৰাকীয়ে ফুটবল আৰু খো খো খেলৰ লগতে আন খেলসমূহৰো বিভিন্ন পৰ্যায়ৰ প্ৰতিযোগিতাত ইতিমধ্যে ভাগ লৈছিল। কালি ঘোষিত আৰক্ষী বিভাগৰ ফলাফলত সফলতা পোৱাত ক্ৰীড়াপ্ৰেমীসকলে তেওঁলোকক অভিনন্দন জনাইছে। অনাগত সময়ত যুৱক-যুৱতীকেইগৰাকীয়ে নিজ দক্ষতাৰ বিকাশৰ যোগেদি দেশ তথা জাতিৰ সেৱাৰ বাবে উপযুক্ত কৰি তুলি নিজকে নিয়োজিত কৰিব বুলি আশা কৰিছে চেণ্টাৰটোৰ প্ৰশিক্ষণ তত্ত্বাৱধায়ক বৰদলৈয়ে। এই ফলাফলত তেওঁলোকৰ সপোন বাস্তৱায়িত হোৱা বুলি ফুটবল আৰু খো খো খেলুৱৈ চয়নিকা দেৱীয়ে সংবাদ মাধ্যমৰ আগত আজি জানিবলৈ দিয়ে। আৰক্ষী বিভাগৰ বিভিন্ন পদৰ ফলাফলত সফলতা লাভ কৰা চেণ্টাৰটোৰ খেলুৱৈসকল হৈছে মহেখুচাৰ চয়নিকা দেৱী, কাছমাৰীৰ লুকু দত্ত, নয়নিকা ডেকা, নিহাশ্ৰী ডেকা, ডিমৌৰ দিবাকৰ সেনাপতি, অংকু ডেকা, ৰহঢলাৰ দিব্যজ্যোতি বৰদলৈ, কহিগুৰিৰ প্ৰিতম দেউৰী, পেটবঢ়াৰ আশীষ কুমাৰ দেৱ আৰু বালিসৰাৰ ভাস্কৰজ্যোতি পাটৰ। ইয়াৰে কাছমাৰীৰ ৰূপীন ডেকা আৰু সুপ্ৰীতি ডেকাৰ কন্যা নয়নিকা আৰু নিহাশ্ৰী দুয়োগৰাকী বাই-ভনী। খেলুৱৈকেইগৰাকীৰ এই শুভ বতৰাৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে নগাঁও জিলা খো খো সন্থাৰ সভাপতি প্ৰভাত চন্দ্ৰ বৰা আৰু সাধাৰণ সম্পাদক সমীৰ হাজৰিকায়ো তেওঁলোকক শুভেচ্ছা জনোৱাৰ উপৰি তেওঁলোক আৰু অধিক আগবাঢ়ি যোৱাটো বিচাৰিছে। ইপিনে, নগাঁও জিলা খো খো সন্থাৰ সহকাৰী সম্পাদক তথা এথলেটিকছ্ প্ৰশিক্ষক উপেন্দ্ৰ কুমাৰ ঠাকুৰো আৰক্ষীৰ বিভাগৰ ফলাফলত উত্তীৰ্ণ হৈছে।

# ৪৩ বছৰৰ পাছত থমাছ কাপত পদক ভাৰতৰ

**নিউজ ব্যুৰ’**

**কুৱালা লামপুৰ, ১৩ মে’ ঃ** বেডমিণ্টনত নতুন ইতিহাস ৰচনা কৰিলে ভাৰতৰ পুৰুষ বেডমিণ্টন দলে। সুদীৰ্ঘ ৪৩ বছৰৰ পাছত থমাছ কাপত পদক জয় নিশ্চিত কৰিলে ভাৰতৰ পুৰুষ দলটোৱে। কালি ভাৰতে দলীয় প্ৰতিযোগিতাখনৰ ছেমিফাইনেলত প্ৰৱেশ কৰে। সেই সূত্ৰে দলটোৱে কমেও ব্ৰঞ্জৰ পদক নিশ্চিত কৰিলে। ১৯৭৯ত শেষবাৰলৈ ভাৰতে পদক জয় কৰিছিল। ছেমিফাইনেলত ভাৰতৰ প্ৰতিপক্ষ হ’ব ডেনমাৰ্ক। সেই খেলত জয়ী হ’ব পাৰিলে ভাৰতৰ কমেও ৰূপৰ পদক নিশ্চিত হ’ব।

কালি ঘৰুৱা দল মালয়েছিয়াৰ বিপক্ষে ভাৰতৰ আৰম্ভণি ভাল হোৱা নাছিল। মালয়েছিয়াৰ লী জি জিয়াই ভাৰতৰ লক্ষ্য সেনক ২৩-২১, ২১-৯ পইণ্টত পৰাজিত কৰে। ইয়াৰ পাছতে ডাবল্‌ছত ভাৰতৰ চিৰাগ ছেট্টী আৰু সাত্ত্বিকছাইৰাজ ৰেণকিৰেড্ডীয়ে শক্তিশালী প্ৰতিদ্বন্দ্বী গো ছে ফেই আৰু নুৰ ইজুদ্দিনক ২১-১৯, ২১-১৫ পইণ্টত হৰুৱাই খেললৈ প্ৰত্যাৱৰ্তন ঘটায়। পৰৱৰ্তী ছিংগলছ মেচত ভাৰতৰ শীৰ্ষ খেলুৱৈ কিদাম্বি শ্ৰীকান্তে এনজি জে ইয়ঙক ২১-১১, ২১-১৭ পইণ্টত পৰাজিত কৰি দললৈ অগ্ৰগতি আনে। যদিও দ্বিতীয়খন ডাবল্‌ছ মেচত ভাৰতৰ কৃষ্ণ প্ৰসাদ গাৰাগা আৰু বিষ্ণু বৰ্ধন পাঞ্জালা পৰাজিত হয়। অৱশ্যে নিৰ্ণায়ক ছিংগল্‌চ মেচত ভাৰতৰ এইছ এছ প্ৰণয়ে জুন হাও লিয়াঙক ২১-১৩, ২১-৮ পইণ্টত হৰুৱাই ভাৰতলৈ ইপ্সিত জয় কঢ়িয়াই আনে।

# বিলুপ্ত হ’ব হকীৰ গুৰুত্বপূৰ্ণ অংগ পেনাল্টী কৰ্ণাৰ

**নিউজ ব্যুৰ’**

**নতুন দিল্লী, ১৩ মে’ ঃ** শীঘ্ৰেই বিলুপ্তি ঘটিব পাৰে হকী খেলৰ এক গুৰুত্বপূৰ্ণ অংগ ‘পেনাল্টী কৰ্ণাৰ’ৰ। বিগত কিছু দশক ধৰি এই পেনাল্টী কৰ্ণাৰেই চিহ্নিত হৈ আহিছিল দলসমূহৰ গ’ল দিয়াৰ অন্যতম প্ৰধান উপায়। প্ৰতিপক্ষৰ ‘ডি’ৰ ভিতৰত সেই পক্ষৰ খেলুৱৈৰ ভৰিত বল লাগিলে বা গ’ল দিবলৈ আগবাঢ়ি যোৱা খেলুৱৈক অবৈধভাৱে বাধা দিলে ৰেফাৰীয়ে পেনাল্টী কৰ্ণাৰৰ নিৰ্দেশ দিয়ে। এতিয়া খেলুৱৈৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখিয়ে আন্তৰ্জাতিক হকী ফেডাৰেছন (এফএইছআই)ৰ কৰ্মকৰ্তাসকলে এই নিয়ম বিলুপ্তিৰ কথা চিন্তা কৰিছে।

হকী খেলুৱৈসকলৰ বাবে এই পেনাল্টী কৰ্ণাৰ অতিবিপজ্জনক বুলি অভিহিত কৰিছে বিশেষজ্ঞসকলে। কাৰণ গ’ল পোৱাৰ বাবে প্ৰতি মুহূৰ্ততে পেনাল্টী কৰ্ণাৰৰ কৌশল সলনি কৰিছে দলসমূহে। বিপক্ষৰ তীব্ৰ গতিৰ শ্বট ৰোধ কৰিবলৈ সেই বলৰ দিশে দৌৰি যায় ৰক্ষণ বিভাগৰ খেলুৱৈসকলে। তাৰ ফলতে বৃদ্ধি পাইছে আঘাতৰ সমস্যা। সেইবাবেই খেলুৱৈৰ নিৰাপত্তাক গুৰুত্ব দি পেনাল্টী কৰ্ণাৰ বিলোপ কৰাৰ কথা ভবা হৈছে। আকস্মিকভাৱে বিলোপ নহ’লেও নিয়ম সলনি হোৱাটো একপ্ৰকাৰ নিশ্চিত হৈ পৰিছে। সম্প্ৰতি ‘ফিউচাৰ অৱ দ্য পেনাল্টী কৰ্ণাৰ’ বা পেনাল্টী কৰ্ণাৰৰ ভৱিষ্যত শীৰ্ষক এক প্ৰকল্প হাতত লৈছে আন্তৰ্জাতিক হকী ফেডাৰেছনে। বিভিন্ন দেশৰ হকী সংস্থা, খেলুৱৈ আৰু বিশেষজ্ঞৰ মতামত গ্ৰহণ কৰিছে তেওঁলোকে। অৱশ্যে ২০২৪ৰ পেৰিছ অলিম্পিক পৰ্যন্ত বৰ্তমানৰ নিয়মেই প্ৰযোজ্য থাকিব। এফএইছআইৰ তৰফৰ পৰা কোৱা হৈছে, ‘আমি গুৰুত্বসহকাৰে পেনাল্টী কৰ্ণাৰৰ নিয়ম সলনি কৰাৰ কথা ভাবিছো। কোনো খেলুৱৈৰ গুৰুতৰ আঘাত বা দুৰ্ঘটনালৈ অপেক্ষা কৰাটো উচিত নহ’ব।’ সকলো দেশৰ হকী সংস্থা, খেলুৱৈ তথা বিশেষজ্ঞৰ স’তে আলোচনা আৰু মতামতৰ ভিত্তিতে সিদ্ধান্ত গ্ৰহণ কৰা হ’ব।



সত্যমেৱ জয়তে
অসম চৰকাৰ

Azadi Ka Amrit Mahotsav

*কেন্দ্ৰীয় গৃহ পৰিক্ৰমা আৰু সমবায় মন্ত্ৰী*
*শ্ৰী অমিত শ্বাহৰ দ্বাৰা ১০ মে' ২০২২ তাৰিখে*

# অসম আৰক্ষীক ৰাষ্ট্ৰপতিৰ নিচান প্ৰদান

## এই ব্যতিক্ৰমী সন্মানেৰে বিভূষিত অসম হৈছে দেশৰ ভিতৰতে নৱম ৰাজ্য



"আইন-শৃংখলা ৰক্ষাৰ পৰা আৰম্ভ, অপৰাধৰ সমাধান কৰাৰ লৈকে, দুৰ্যোগ ব্যৱস্থাপনাত সহায়ৰ পৰা ক'ভিড-১৯ৰ বিৰুদ্ধে যুঁজ দিয়াৰ লৈকে, আমাৰ আৰক্ষী কৰ্মীসকলে সদায়ে নিৰন্তৰভাৱে তেওঁলোকৰ সৰ্বশ্ৰেষ্ঠ প্ৰদান কৰে। তেওঁলোকৰ ঐকান্তিক প্ৰচেষ্টা আৰু নাগৰিকসকলক সহায় কৰিবলৈ আগবাঢ়ি অহা মনোভাৱৰ বাবে মই গৌৰৱান্বিত"

**শ্ৰী নৰেন্দ্ৰ মোদী**
প্ৰধানমন্ত্ৰী

### সন্মানীয় বঁটাসমূহ

- কীৰ্তি চক্ৰ - ২
- সাহসিকতাৰ বাবে ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক - ৬
- সাহসিকতাৰ বাবে আৰক্ষী পদক - ২৭৫





### মৃত্যুঞ্জয়ী অদম্য বীৰ: ব্যতিক্ৰমী আৰক্ষী বাহিনী

- উগ্ৰপন্থাৰ বিৰুদ্ধে যুঁজ দিয়া, ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধ, প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী পৰিস্থিতিৰ মোকাবিলা কৰাৰ পৰা আইন-শৃংখলা বজাই ৰখালৈকে বহু দশকজোৰা গৌৰৱময় অতীত সমৃদ্ধ এক বাহিনী
- এই যাত্ৰাত আমি বহু বীৰযোদ্ধাক হেৰুৱাইছোঁ - ৪০৭ গৰাকী আৰক্ষীৰ সৰ্বোচ্চ বলিদান



### উগ্ৰপন্থাৰ যৱনিকা

- উন্নত আইন-শৃংখলাৰ পৰিপ্ৰেক্ষিতত, অসমৰ ২৩খন জিলাৰ পৰা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ, যি অসমৰ ৬৬ শতাংশ ভূ-খণ্ড সামৰি আছে
- ২৫০০ ৰো অধিক উগ্ৰপন্থীৰ মূলসুঁতিলৈ প্ৰত্যাৱৰ্তন
- এনডিএফবি আৰু কাৰ্বি উগ্ৰপন্থী সংগঠনৰ সৈতে শান্তি-চুক্তি স্বাক্ষৰ

### অপৰাধৰ বিৰুদ্ধে শূন্য সহিষ্ণুতা

- প্ৰতি লাখ জনসংখ্যাত ৩৮৪ ৰ পৰা ২২২ লৈ অপৰাধৰ হাৰ হ্ৰাস
- গোচৰ নিষ্পত্তিৰ ক্ষেত্ৰত বৃহৎ উত্থান
- অমীমাংসিত গোচৰৰ সংখ্যা হ্ৰাস (মে' ২০২১- ১,০৯,০৮১; এপ্ৰিল ২০২২ - ৮৩,৯৪৭)








### ড্ৰাগছৰ বিৰুদ্ধে যুঁজ

- ২,৮৩৪ টা গোচৰ পঞ্জীয়ন, ৪,৮৩৮ জনক গ্ৰেপ্তাৰ
- ৫৫০ কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ
- ড্ৰাগছ সেৱনৰ বিৰুদ্ধে ব্যাপক জন সজাগতা সৃষ্টি

### সংগঠিত অপৰাধৰ বিৰুদ্ধে যুঁজ

- ২৫০ গৰাকী মানৱ সৰবৰাহৰ ভুক্তভোগীক উদ্ধাৰ
- ১০,০০০তকৈ অধিক পশুধন উদ্ধাৰ, ৯৯২ৰো অধিক সৰবৰাহকাৰী গ্ৰেপ্তাৰ





### প্ৰযুক্তিৰ উন্নয়ন

- শেহতীয়া প্ৰযুক্তি যেনে আইটিএমএছ, চিচিটিএনএছ, আইচিজেএছ আৰু চাইবাৰ ডম আদিৰ অন্তৰ্ভুক্তিকৰণ
- ২৪x৭ নাগৰিক বিত্তীয় চাইবাৰ প্ৰৱঞ্চনা গোচৰ কৰ্তৃ আৰু ব্যৱস্থাপনা প্ৰণালী

### গঁড়ৰ চোৰাং চিকাৰৰ অৱসান

- গঁড় হত্যা শূন্যলৈ অৱনমিত
- গঁড় হত্যাৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ আৰু গঁড় সংৰক্ষণৰ প্ৰতি গুৰুত্ব প্ৰদানেৰে বিশ্ব গঁড় দিৱসত ২৪৭৯টা গঁড়ৰ খৰ্গ দাহ





### মানৱ দৰদী আৰক্ষী

- উগ্ৰপন্থা কেন্দ্ৰিক বাহিনীৰ পৰা নাগৰিক-কেন্দ্ৰিক সেৱালৈ ৰূপান্তৰ
- ক'ভিড-১৯ মহামাৰীৰ সময়ত অসম আৰক্ষীৰ উৎকৃষ্ট সেৱা প্ৰদৰ্শন



### স্মাৰ্ট আৰক্ষী

- এক স্মাৰ্ট আৰক্ষী বাহিনী সৃষ্টি কৰিবলৈ স্থাৱৰ আৰু অস্থাৱৰ আন্তঃগাঁথনিৰ সম্পূৰ্ণ পুনৰগঠন
- দক্ষতা উন্নীতকৰণ, স্বাস্থ্য আৰু আৰক্ষী কৰ্মীৰ কল্যাণৰ ওপৰত গুৰুত্ব প্ৰদান



জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

## আৰু এই গৌৰৱোজ্জ্বল পৰম্পৰা অবিৰত ...

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত । আমাক অনুসৰণ কৰক /@diprassam https://dipr.assam.gov.in/

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ত Assam লিখি হোৱাটছএপ কৰক

জনসংযোগ/ডি/৩৩৫৮/২২